# গান্ধী দৰ্শন

সম্পাদক : শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী



দ্বিতীয় বছৰ : এপ্ৰিল ১৯৬৫ : দ্বিতীয় সংখ্যা

সম্পাদনা মণ্ডলী

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী
" সুৰেশ্বৰ গোঁহাই
" তীৰ্থনাথ শৰ্ম্মা
" সতীশচন্দ্ৰ কাকতি
" ৰজনীকান্ত চক্ৰবৰ্ত্তী
" শৰৎচন্দ্ৰ গোস্বামী
" ৰবীন্দ্ৰনাথ নবিশ
" নিৰ্ম্মলা বড়া
" নকুলচন্দ্ৰ দাস

সম্পাদক—শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

অসম গান্ধী স্মাৰক নিধিৰ তৰফৰ পৰা এই তিনি-মাহিলী আলোচনী 'গান্ধী দৰ্শন' জানুৱাৰী, এপ্ৰিল, জুলাই আৰু অক্টোবৰ মাহত প্ৰকাশ কৰা হব।

বাৰ্ষিক বৰঙনি—৬৲ ছয় টকা

প্ৰতি সংখ্যা মূল্য—১·৫০ পঃ।

প্ৰকাশক : অসম গান্ধী স্মাৰক নিধি
গান্ধীনগৰ,
ক্ষেত্ৰি, কামৰূপ।

মুদ্ৰক : শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা ৬।

# গান্ধী দৰ্শন

সম্পাদক— শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

দ্বিতীয় বছৰ : এপ্ৰিল ১৯৬৫ : দ্বিতীয় সংখ্যা

# সূচী


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| গান্ধীবাদৰ দাৰ্শনিক বুনিয়াদ | চক্ৰবৰ্ত্তী ৰাজাগোপাল আচাৰী | ৬৫ |
| মহাত্মাৰ অসম ভ্ৰমণৰ স্মৃতি | শ্ৰীঅমিয়কুমাৰ দাস | ৬৯ |
| সত্যাগ্ৰহৰ কাহিনী | ,, মহেন্দ্ৰমোহন চৌধুৰী | ৮৮ |
| অথ জনপদোধ্বংসনীয়-কথা | ,, থানেশ্বৰ শৰ্ম্মা, ভিষগৰত্ন | ৯৬ |
| সাৰ্ব্বজনীন পুৰুষ মহাত্মাজী | দাদা ধৰ্ম্মাধিকাৰী | ১০৫ |
| গান্ধী আৰু বিবেকানন্দ | টি, এছ, অবিনাশিলিঙ্গম্ | ১১৩ |
| মহাত্মাৰ বাণী | ... ... | ১৩১ |
| সম্পাদকীয়— | ... ... | ১৩৪ |

# গান্ধীবাদৰ দাৰ্শনিক বুনিয়াদ

চক্ৰবৰ্ত্তী ৰাজাগোপাল আচাৰী

জীৱন-দৰ্শনৰ দুটা ভিন্ন মতবাদে মানুহৰ ওপৰত প্ৰভাৱ পেলোৱা দেখা যায়। কেতিয়াবা একেজন ব্যক্তিয়ে দুয়োটা মতবাদৰ কবলত পৰে আৰু দৃঢ় মনোবল সম্পন্ন ব্যক্তিয়ে তাৰে এটা মতবাদ আকোৰ গজালিকৈ মানি জীৱন যাপন কৰে।

এই মতবাদ দুটাৰ এটা হৈছে—যাক সাধাৰণতে এইদৰে কোৱা হয় যে চিতাবাঘে তাৰ গাৰ বৰণ আৰু দাগ পৰিবৰ্ত্তন কৰিব নোৱাৰে। আনটো হৈছে, মানুহ প্ৰকৃততে বা মূলতঃ সৎ আৰু বিবেকী আৰু যদি যথাযোগ্যভাবে আচৰণ কৰিব পৰা হয় তেন্তে মানুহ অসৎ ভাব আৰু বিবেচনাহীনতা পৰিত্যাগ কৰি সাধু প্ৰকৃতি আৰু সৎস্বভাৱী লোকলৈ ৰূপান্তৰিত হব।

গান্ধীজী এই দ্বিতীয় মতবাদটোত দৃঢ়ভাবে বিশ্বাস কৰিছিল আৰু এই দৰ্শন জীৱনত সম্পূৰ্ণকৈ মানি চলিছিল।

গান্ধীজী যি প্ৰচাৰ কৰিছিল, শিকাইছিল আৰু নিজে আচৰণ কৰিছিল তাৰ মূলতে হৈছে এই মৰ্ম্ম কথা। যি কথা তেওঁ নিজে আচৰণ নকৰিছিল তাক কেতিয়াও আনক কৰিবলৈ নকৈছিল বা নিশিকাইছিল। গান্ধীজী আমাক কৈছিল—যেতিয়া সকলো প্ৰকাৰে যুক্তি বুজনি প্ৰয়োগ কৰিও তোমাৰ মতত আনৰ প্ৰত্যয় সাধন কৰিব নোৱাৰা আৰু যদি তুমি নিজে দৃঢ়ভাবে প্ৰত্যয় গৈছা যে তোমাৰ মত আনেও সমৰ্থন কৰাটো অতি প্ৰয়োজনীয় আৰু অপৰিহাৰ্য্য, তেন্তে তুমি উদ্দেশ্যৰ লগত সঙ্গতি ৰাখি ৰূপ এটা বাচি লৈ আত্ম-পীড়ন বা সত্যাগ্ৰহৰ আশ্ৰয় লবা। তোমাৰ প্ৰত্যয় আৰু দৃঢ়বিশ্বাসৰ একাগ্ৰতা আৰু ঐকান্তিকতা উদ্দেশ্য চৰিতাৰ্থৰ বাবে হোৱা তোমাৰ হানি আৰু কষ্টৰেহে

প্ৰমাণিত হ'ব। এই আত্মপীড়নে প্ৰতিপক্ষৰ গোড়ামি, গৰ্ব্ব আৰু স্বাৰ্থপৰতা মষিমূৰ কৰিব আৰু শেহত হৃদয়ৰ পৰিবৰ্ত্তন কৰি তোমাৰেই জয় হ'ব।

যুক্তি আৰু আলোচনা ব্যৰ্থ হলে ইমানদিনে তাৰ একমাত্ৰ পৰিণতি বা বিকল্প পন্থা হিচাবে গণ্য কৰি অহা হিংসাত্মক কাৰ্য্যৰ বিকল্প কৰ্ম্মপদ্ধতি হিচাবে মহাত্মাই জগতক এই দান দি গৈছে। তেওঁৰ দৃঢ়বিশ্বাস আছিল যে সত্যাগ্ৰহ বা আত্মপীড়নে হিংসাত্মক কাৰ্য্যৰ দ্বাৰা লাভ কৰিব বুলি গণনা কৰা সকলোখিনি পোৱাৰ উপৰিও অধিকতৰ লাভ কৰায়। সঙ্ঘৰ্ষৰ শেষত ই সদিচ্ছা আনয়ন কৰে—আনপিনে হিংসাত্মক কাৰ্য্যৰ পৰিণতি বিদ্বেষ আৰু বিৰাগ। অকল সাধুপ্ৰকৃতিৰ লোকে বা সৎলোকহে যে আত্মপীড়নত সঁহাৰি দিব আৰু অসৎ প্ৰকৃতিৰ লোকৰ ওপৰত ই প্ৰভাৱ পেলাব নোৱাৰে—এই কথা গান্ধীজী কেতিয়াও বিশ্বাস নকৰিছিল। গান্ধীজী হিন্দুশাস্ত্ৰত বিশ্বাস কৰিছিল আৰু ইয়াৰ বাণী হৈছে ঈশ্বৰঃ সৰ্ব্বভূতানাম্ হৃদ্দেশে তিষ্ঠতি। ভগবান প্ৰত্যেকৰে, সকলো ভূতৰে হিয়াত বিৰাজমান। মানুহযে মূলতঃ সৎ-প্ৰকৃতিৰ আৰু আমি যে মানুহৰ এই অন্তৰ্নিহিত সৎ-উপাদানলৈ আবেদন আৰু প্ৰাৰ্থনা কৰিব পাৰো আৰু কৰা উচিত—এই ধাৰণা হিন্দুদৰ্শনৰ বেদান্তৰ পৰা নিঃসৃত।

## বৈৰাগ্য আৰু সমৰ্পণ

সৰ্ব্বভূতত তাদাত্ম্যভাৱ, নিজক আনত দেখা, আন সকলোকে নিজত দেখা, সকলোতে ঈশ্বৰক দেখা আৰু ঈশ্বৰত সকলোকে দেখা—এই ভাৱ অতি সামান্যভাবে উপলব্ধি কৰিবলৈ হলেও বৈৰাগ্য আৰু সমৰ্পণ সাধনৰ সুদীৰ্ঘ শিক্ষাৰ অনুশাসন আৰু নিয়ত অনুশীলনৰ একান্ত প্ৰয়োজন। এই সত্য আমাৰ সত্যদ্ৰষ্টা আৰ্য্য-ঋষি মুনিসকলেই ঘোষণা কৰি গৈছে আৰু বৰ্ত্তমানে ভূগৰ্ভত অতুল ঐশ্বৰ্য্য পোতখাই থকাৰ দৰে ইও পোতখাই আছে —প্ৰয়োজন হৈছে খনন কাৰ্য্যৰ দ্বাৰা তাৰ উদ্ধাৰ আৰু উপলব্ধিৰ। অদ্বৈত-বাদ আমাৰ পূৰ্ব্বপুৰুষোপাৰ্জ্জিত অতুলনীয় সম্পদ আৰু আমি তাক উত্তৰাধি-কাৰসূত্ৰে পাইছো; কিন্তু আমি তাক ভোগ-দখলত আনিব পৰা নাই আৰু আমি যে কিমান আঢ্যবন্ত তাক নাজানি দাৰিদ্ৰ্য আৰু দৈন্যৰ জীয়াতু-ভোগ কৰিব লাগিছে।।

আমাক যি অমূল্য সম্পদৰাজিৰ উত্তৰাধিকাৰী কৰি থৈ গৈছে পৃথিবীত

কোনো জাতিয়ে এনে ঐশ্বৰ্য্যৰ উত্তৰাধিকাৰী হব পৰা নাই। তথাপি আজি ভাৰতবৰ্ষৰ জাগতিক জীৱনত আধ্যাত্মিক অন্ধতাই যিদৰে তমসাবৃত কৰি আমাক নিষ্পেষিত কৰিছে পৃথিবীত কোনো জাতিৰে বোধহয় এনে দুৰ্দ্দশা হোৱা নাই। ভয়, সন্দেহ, আশঙ্কা, অনৈক্য, অসূয়াই আমাৰ জীৱন কুৎসিৎ কৰি তুলিছে অথচ আমাৰ ভাগত পৰা পূৰ্ব্বপুৰুষোপাৰ্জ্জিত বিৰাট সম্পদৰাজি যদি আয়ত্বাধীন কৰিব পাৰিলোহেঁতেন তেন্তে সকলো ভ্ৰান্তি দূৰীকৃত হলহেঁতেন আৰু সাৰ্ব্বজনীন সুখ বিৰাজ কৰিলেহেঁতেন।

যস্তু সৰ্ব্বানি ভূতানি আত্মন্যবানুপশ্যতি
সৰ্ব্বভূতেষু চাত্মনাম্ ততো ন বিজিগুপস্যতে।

যিজনে সকলো ভূতকে নিজত দৰ্শন কৰিব পাৰে আৰু নিজক সকলো-ভূততে দৰ্শন কৰিব পাৰে তেওঁ কাকো ভয় নকৰে আৰু কাকো দ্বেষ কৰিব নোৱাৰে। যেতিয়া ব্যক্তিৰ সকলো ভূতৰ লগত তাদাত্ম্য প্ৰতীতি জন্মিব তেতিয়া সকলো ভ্ৰান্তি আৰু দুখ-দৈন্য আতৰি যাব।

যস্মিন সৰ্ব্বানি ভূতানি আত্মৈবভূতবিজানতঃ
তত্ৰ কো মোহঃ কা শোকা একত্বম অনুপশ্যতঃ।

এই মহান আদৰ্শই হৈছে অদ্বৈত, সকলো জীৱৰ লগত পৰমাত্মাৰ তাদাত্ম্য। ভাৰতবৰ্ষৰ প্ৰায় সকলোৱেই নিজকে অদ্বৈতবাদৰ অনুগামী বুলি স্বীকাৰ কৰে। কিন্তু হায়, আমাৰ উচ্চঃস্বৰে ঘোষিত ধৰ্ম্মৰ কাষেৰেও আমাৰ কৰ্ম্ম নাযায় আৰু আমি এই বিশ্বাসৰ পৰা দূৰ সুদূৰলৈ আঁতৰি গৈছো।

পৰমাত্মাৰ লগত নাইবা বিশ্বব্ৰহ্মাণ্ডৰ মূল সত্তা পৰমতত্বৰ লগত এক হৈ যোৱাটো আমাৰ কাৰণে সুদূৰপৰাহত। কিন্তু জ্ঞানোপাৰ্জ্জনৰ দ্বাৰা পোহৰ পাবৰ কাৰণে এটা ওচৰৰ পথ আছে আৰু আমি যত্ন কৰিলে নিশ্চয় সেই স্তৰত অগ্ৰসৰ হব পাৰো। এই স্তৰটো হৈছে—আমি যিসকলক ভয় বা বিদ্বেষ কৰিবলৈ ওলাওঁ তেওঁলোকৰ লগত নিজক বিলীন কৰি দিয়াটোৱেই। আমি অতি অপূৰ্ণ নৰনাৰী। আমি পৰমপিতা পৰমাত্মাৰ লগত লীন হব বা তাদাত্ম্য উপলব্ধি কৰিব নোৱাৰো। তথাপি আমি সহানুভূতি আৰু বিবেচনাৰ দৰে মহৎ বৃত্তিৰ উৎকৰ্ষৰ বাবে অনুশীলন কৰিব পাৰো আৰু আনৰ লগত আচাৰ ব্যৱহাৰ কৰোতে অন্যায়, শঙ্কা, ভয়, বুজা-পৰাৰ অভাৱ আদিয়ে যেতিয়া আমাক অভিভূত কৰে তেতিয়া আমি নিজকে তেওঁলোকৰ স্থানাভিষিক্ত কৰি তেওঁলোকৰ পৰিবেশত চাবলৈ

শিকিব পাৰো। এইয়ে প্ৰকৃত যোগ। সৎলোকে নিজকে যোগী বা দাৰ্শনিক বুলি নজহাইও জীৱনৰ সকলো ক্ষেত্ৰতে আজিও ইয়াৰ অনুশীলন কৰে। এই লোকসকলেই আজি জগৎখনক অৰণ্যত পৰিণত নোহোৱাকৈ ৰাখি আছে।

যো সাবসৌপুৰুষঃ সোঽহমস্মি।

তাত থকা সৌ মানুহজন আৰু মই একেই।

এই মন্ত্ৰটো সাধাৰণতে সবিতাস্থ ভগবানক উদ্দেশ্য কৰি গোৱা হয়। কিন্তু মই ভাবো এই মন্ত্ৰটো অকল সবিতাস্থ দেবতাক উদ্দেশ্য কৰিয়েই কোৱা হোৱা নাছিল, জগতস্থ সকলো প্ৰাণীক উদ্দেশ্য কৰিয়েই এই মন্ত্ৰটো প্ৰণয়ন কৰা হৈছিল। তাত থকা মানুহজন ময়েই। আমাৰ চৌপাশে থকা সকলো আমাতেই আছে—দাপোনত প্ৰতিফলিত প্ৰতিবিম্ব প্ৰতিবিম্বিত সত্তাৰেই প্ৰতিৰূপ। আমি আমাৰ দৈনন্দিন জীৱনৰ কাৰ্য্যাৱলীৰ মাজেৰেই সহানুভূতি, বিবেচনা, বুজাপৰা আদি বৃত্তিৰ অনুশীলন কৰি এই সত্য উপলব্ধি কৰিব পাৰো। এই প্ৰযত্ন প্ৰচেষ্টাই সকলো ভয় আৰু বিদ্বেষ অপসাৰণ কৰিব। এই উপলব্ধি মাৰ্গৰ বাবে কঠোৰ অধ্যয়ন নালাগে, নাইবা গূঢ়তত্ত্বদৰ্শী আবয়বিক সাধনাৰো প্ৰয়োজন নাই—ইয়াৰ বাবে লাগে মাথোন দৈনিক সহানুভূতিৰ অনুশীলন, সজ বিবেচনা আৰু শান্তি আৰু স্থৈৰ্য্যৰ উৎকৰ্ষ।

# মহাত্মাৰ অসম ভ্ৰমণৰ স্মৃতি

শ্ৰীঅমিয়কুমাৰ দাস

১৯৩৪ চনৰ এপ্ৰিল মাহ। মহাত্মা গান্ধী অসমলৈ অহা কথা ওলাল। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা মনত পেলালে মনলৈ আহে পুণাৰ সন্মিলন ( ১৯৩৩ চনৰ জুলাই মাহ ) আৰু ছাহাৰ্চাত ( বিহাৰত ) বহা কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সিদ্ধান্ত। ১৯৩৩ চনত মহাত্মাই এৰোডা জেইলৰ পৰা 'হৰিজন' কাকতলৈ প্ৰবন্ধ লিখি এই আন্দোলন চলাই আছিল আৰু জুন মাহত ( ১৯৩৩ ) মহাত্মাক জেইলৰ পৰা মুকলি কৰি দিয়াত কংগ্ৰেছৰ সভাপতি মিঃ আনেই এখন সন্মিলন পুণাত আহ্বান কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্যসকলৰ ভিতৰত যিসকল জেইলৰ বাহিৰত আছিল, তেওঁলোকৰ বাহিৰেও বহুতো কংগ্ৰেছ নেতা এই সন্মিলনলৈ গৈছিল। সত্যাগ্ৰহ আন্দোলন চলাই থকা হবনে নহয় আৰু সত্যাগ্ৰহৰ কাৰ্যকাৰিতা ইত্যাদি সম্পৰ্কে আলোচনা হৈছিল। সেই সময়ত কিছুমানে সত্যাগ্ৰহ নীতিত আস্থা ৰাখিব পৰা নাছিল। বোম্বেত পুলিচ লক-আপতো কিছুমান অবৰ্ণনীয় অত্যাচাৰ হোৱাত তাৰ প্ৰতিকাৰ কৰিব নোৱাৰাত তেওঁলোকে সত্যাগ্ৰহ নীতিৰ সমালোচনা নকৰাকৈ নাছিল। আন-হাতে ডেকাসকলৰ মনলৈ সাম্যবাদী সমাজ-ব্যৱস্থাৰ ভাৱ আহিছিল। অৱশ্যে সাম্যবাদী সমাজ-ব্যবস্থাৰ ভাৱৰ প্ৰসাৰত পণ্ডিত জৱাহৰলাল নেহেৰু আগৰণুৱা আছিল। মহাত্মাই জেইলৰ পৰা 'হৰিজন' কাকত চলোৱাত, আৰু ইয়াৰ ফলত হোৱা হৰিজন আন্দোলনে দেশক ৰাজনীতিৰ ক্ষেত্ৰৰ পৰা সমাজ সংস্কাৰৰ ফালে ঢাল খুৱাইছে বুলি কিছুমানে অভিযোগ ননাকৈ থকা নাছিল। ১৯৩৩ চনত পুনাৰ শিৱাজী হলত বহা এই সন্মিলন হোৱা ৩০ বছৰতকৈ সৰহ হ'ল— আজি সেই কালটোলৈ উভতি চাই বৰ্ত্তমানৰ পৰিস্থিতিৰ ফালৰ পৰা বিচাৰ কৰিলে বুজিব পাৰি মহাত্মাৰ কাৰ্য্যক্ৰম কিমান সুদূৰ-প্ৰসাৰী আছিল আৰু ঐক্য আৰু সংহতিৰ ফালৰ পৰা ই কিমান প্ৰয়োজনীয় আছিল। সমাজৰ মানসিক সংস্কাৰ পৰিবৰ্ত্তন কৰাটো যে কিমান ডাঙৰ কথা আৰু এনে এটা কাম আইন

প্ৰণয়ন কৰি কৰাটো যে কিমান টান, এতিয়াহে বুজিব পৰা হৈছে। কিন্তু হৰিজন আন্দোলনত ৰাজনৈতিক উত্তেজনা নাই, চকুত লগা বিজুলী চাকিৰ উজ্জ্বলতাও নাই, আৰু সেই কাৰণে কংগ্ৰেছ কৰ্ম্মীসকলৰ মনলৈ অৱসাদ আহিছিল আৰু অৱশেষত মহাত্মাই ডাহাৰ্চ্চা বোলা ঠাইখনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ লগত আলোচনা কৰি সত্যাগ্ৰহ স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লগীয়া হ'ল। ৫ এপ্ৰিল তাৰিখে বিহাৰৰ এই গাওঁ খনত এনে এটা সিদ্ধান্ত লোৱাৰ পিছত মহাত্মা অসমলৈ আহিল।

*　　*　　*　　*

এপ্ৰিল মাহৰ ৬ তাৰিখ—মই গুৱাহাটীত। মোৰ সহকৰ্ম্মী ৺ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা নগাওঁ জেইলত বন্দী। ময়ো যোৰহাট জেইলৰ পৰা মুকলি হৈ আহি কি কৰো বুলি গুণি গাঁথি ৺বেজবৰুৱাৰ 'বাঁহী'ৰ স্বত্ব খুজি ললোঁ। সেই সময়ত মোৰ শ্ৰদ্ধাভাজন ৺চন্দ্ৰকুমাৰ আগৰৱালাই নিউ প্ৰেছৰ পৰা কাকতখন উলিয়াই আছিল। সাহিত্যৰথী ৺বেজবৰুৱাই নামত সম্পাদক থাকিলেও তেখেতে বিশেষ চকু দিব পৰা নাছিল। 'বাঁহী'ৰ যাৱতীয় খৰচ ৺আগৰৱালাই বহন কৰিছিল। মই লবলৈ আগবঢ়াত তেওঁলোকে হৃষ্টমনেৰে মোক বাঁহীৰ স্বত্ব দিলে। কেৱল এটা চৰ্ত্ত দিয়া হ'ল—"শ্ৰীলক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা প্ৰতিষ্ঠিত" —এই বাকি কথা থাকিব লাগিব—এনে এটা বন্দবস্তত মই 'বাঁহী'ৰ দায়িত্ব লব লগীয়া হ'ল।

বহাগ মাহৰ প্ৰথম সংখ্যা যথাসম্ভব সোনকালে উলিয়াবলৈ দিহা কৰি আছো। এনেতে ৺কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে কলে, "তুমি ধুবুৰীলৈ যাব লাগিব। মহাত্মা গান্ধী ১০ তাৰিখে গোলোকগঞ্জ পাবহি।" মনত আনন্দৰে সৈতে দায়িত্ব ললেও প্ৰথম সংখ্যাৰ কাকতখনৰ কথা ভাবিব লগীয়া হৈছিল। তথাপিও আগবাঢ়ি ওলালো।

*　　*　　*　　*

এপ্ৰিল মাহৰ ৮ তাৰিখ—ৰূপসীত হৰিজন সেৱক সঙ্ঘৰ সম্পাদক ৺ঠক্কৰ বাপা (অমৃতলাল ভিথলভাই ঠক্কৰ) আৰু অসম শাখাৰ সম্পাদক শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মাৰ লগ ললোহি। ৰূপসীৰ জমিদাৰৰ ঘৰত মহাত্মাৰ থকাৰ ব্যৱস্থা হৈছে। ১০ এপ্ৰিল তাৰিখে ৰাতি কাটীহাৰৰ পৰা যাত্ৰী-গাড়ী এখনত মহাত্মা গোলোকগঞ্জত নামিবহি। ৰাতিটো ৰূপসীত থাকি ১১ তাৰিখে পুৱা ৮ বজাত এখন ৰাইজুৱা সভাত যোগদি ধুবুৰীৰ বাজুৱা সভালৈ যাব। তাৰ পৰা

আহি প্ৰায় ১১ বজাত বাঁশবাৰী ষ্টেচনত ট্ৰেইন ধৰিবহি আৰু বৰপেটা ৰোড ষ্টেচনত নামি বৰপেটালৈ যাব।

* * * *

এপ্ৰিলৰ ১০ তাৰিখে গোলোকগঞ্জ ষ্টেচনত মহাত্মা নামিলহি ৰাতি প্ৰায় ১১ বজাত। ইমান ৰাতিও এটা বিৰাট জনতা এন্ধাৰৰ মাজত বৈ আছিল। জয়ধ্বনিৰ মাজত মহাত্মা গাড়ীত উঠি বহিল। সকলোৱে ঠেলা-হেচা কৰি চুই সেৱা কৰিবলৈ। মহাত্মাই বাধা দিলে আৰু সেৱকসকলেও শৃঙ্খলা ৰক্ষা কৰিলে।

* * * *

গৌৰীপুৰৰ জমিদাৰৰ ঘৰলৈ মহাত্মাক অনা হ'ল। মহাত্মা আহিয়েই নিৰ্দ্ধাৰিত বিচনাত শুই পৰিল। লগৰ আন আন সকলো সেইদৰে শুই পৰিল। ১১ এপ্ৰিল তাৰিখে ৰাতিপুৱা ৫ বজাত টং টং কৰে ঘণ্টা বাজিল। প্ৰাৰ্থনা সভা বহিল।

জমিদাৰৰ ঘৰৰ শ্ৰোতা কিছুমানো আহি এই সভাত যোগ দিলে। মহাত্মা সাড়ে চাৰি বজাতে উঠি কামত ধৰিছিল বুলি ঠকৰ বাপাৰ পৰা জানিলো। প্ৰাৰ্থনাৰ পিছত ব্যৱস্থামতে ছাগলীৰ গাখীৰ তপতাই দিয়া হ'ল।

৮ বজাত গৌৰীপুৰৰ জমিদাৰৰ কাছাৰীৰ সমুখৰ মুকলি ঠাইত পৰা সভালৈ মহাত্মা আহিল। সভাত মহাত্মাই হৰিজনসকলৰ কথাই ক'লে। "মানুহক এই দৰে অবমাননা কৰাটো হিন্দুধৰ্ম্মৰ শিক্ষা নহয়। মই এই কথা বাৰে বাৰে কৈছো। অস্পৃশ্যতা থাকিলে হিন্দুধৰ্ম্ম মৰিব আৰু আনকি ভাৰতো মৰিব। হিন্দুৰ অন্তৰৰ পৰা অস্পৃশ্যতা পুলিয়ে পোখাই উঘালি পেলাব পাৰিলে হিন্দুধৰ্ম্মই বিশ্বক এটা নতুন বাৰ্ত্তা দিব। এইটো মই অতিৰঞ্জিত কৰি কোৱা কথা নহয়। সত্যক ভগৱান বুলি গ্ৰহণ কৰা এজনৰ এইটো অন্তৰৰ বিশ্বাস। মই অস্পৃশ্যতা নিবাৰণ আন্দোলন চলোৱাৰ উদ্দেশ্য স্পষ্ট। প্ৰত্যেকজন হিন্দুৱে যে অস্পৃশ্য বুলি জনাজাত সকলোকে চুব লাগিব, সেইটো নহয়। কিন্তু মই বিচাৰো প্ৰত্যেকজন স্পৃশ্য বুলি তথাকথিত উচ্চ হিন্দুৰ অন্তৰৰ পৰা অস্পৃশ্যসকললৈ থকা ঘৃণাৰ ভাব গুচাই পেলোৱাটোহে। প্ৰত্যেকৰ অন্তৰৰ এনে পৰিবৰ্ত্তন মই বিচাৰিছো। আন্তৰ্সাম্প্ৰদায়িক ভোজন, আন্তৰ্সাম্প্ৰদায়িক বিবাহ বাধ্যতামূলক কৰাটো মই বিচৰা নাই। মই আন এজনৰ লগত নাখাবও পাৰো, কিন্তু তেওঁৰ লগত খালে মই অশুচি হম, এনে এটা ভাব নৰখাটোহে মই বিচাৰো। হৰিজন

সেৰূক সঙ্ঘৰ কাৰ্য্যক্ৰম কি হব এই বিষয়ে আলোচনা কৰোতে মই এইখিনি কথা স্পষ্টকৈ কৈছো। গোঁড়া হিন্দু এজনক খোৱা-বোৱা, বিয়া-বাৰু, সকলোতে আন্তৰ্সাম্প্ৰদায়িকতা গুচাবলৈ কোৱা হোৱা নাই। তেওঁৰ অন্তৰৰ পৰা ঘৃণাৰ ভাব গুচাই অস্পৃশ্যসকলক মানুহ বুলি জ্ঞান কৰিবলৈহে কোৱা হৈছে। অস্পৃশ্যতা এটা পুৰণি প্ৰথা, মই স্বীকাৰ কৰো। হিন্দুধৰ্ম্মৰ মাজত এনে বহুতো কথা সোমাই আছে কাৰণ ই প্ৰাক্‌ঐতিহাসিক যুগৰ পৰা চলি অহা ধৰ্ম্ম। বৰ্ত্তমান যিদৰে চলিছে আৰু যিবোৰ হব লাগিছে তাৰ বাবে হিন্দুধৰ্ম্ম মৃতধৰ্ম্মত পৰিণত হোৱাৰ লক্ষণ দেখা দিছে—মই এইটো নিবিচাৰো। মই বিচাৰো হিন্দুধৰ্ম্ম জীৱন্ত ধৰ্ম্মত পৰিণত হওক আৰু পৃথিৱীৰ আন আন ধৰ্ম্মৰ লগত সমান থিয় দি জীয়াই থাকক।"—এইদৰে মহাত্মাই ৰাইজক বুজালে।

সভা ভাঙিবৰ হৈছে, এনেতে মহাত্মাই হৰিজনৰ বাবে ধন বিচাৰিলে। যেয়ে যি পাৰে দিয়ক। মহাত্মাক সেৱা কৰিবলৈ মানুহ উবুৰি খাই পৰিল। গহনা পিন্ধি অহা তিৰোতাসকলক সম্বোধন কৰি কলে, "আপোনালোকৰ গহনা খুলি হৰিজনসকলৰ সেৱাৰ বাবে দিয়ক। তৃতীয়া জনতাৰ সমান হওক।" কিছু-মানে আঙুলিৰ পৰা আঙুঠি, হাতৰ পৰা খাৰু, ডিঙিৰ পৰা মণি সোলোকাই মহাত্মাজীৰ হাতত দিলে। সংগৃহীত ধন আৰু গহনা গণি তালিকাভুক্ত কৰিবলৈ দেছাইক ( ভি, জে, দেছাই, মহাদেৱ দেছাই লগত অহা নাছিল ) চমজাই দি তেওঁ ধুবুৰীলৈ গ'ল। ধুবুৰীৰ পৰাও এদল লোক ৰূপসীলৈ আহিছিল। ৺ঠকুৰ বাপা, শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মা আৰু লগত অহা বাজাজৰ জীয়েক উমা আৰু মহাৰাষ্ট্ৰীয় ছোৱালী এগৰাকী ( সুশীলা ) প্ৰভৃতি মহাত্মাজীৰ দলৰ লগত গ'ল। মোৰ ওপৰত নিৰ্দ্দেশ হ'ল—সকলো বযবস্তু হিছাপ কৰি বাঁশবাৰী ষ্টেচনলৈ লৈ যাব লাগে। এখন গাড়ীৰ জানিবা দিহা হৈ আছিল। বস্তু-বাহানিখিনি গোটাই পিটাই লৈ বাঁশবাৰী ষ্টেচন পালোহি। ষ্টেচনত প্ৰায় এঘণ্টামান ৰৈ আছো। মনত নানা শঙ্কা, জানোচা মটৰ বেয়া হয়, জানোচা ট্ৰেইন ধৰিবহি নোৱাৰো। ষ্টেচনমাষ্টৰে মহাত্মাৰ মালপত্ৰ প্লেটফৰ্ম্মৰ পাছফালে থবলৈ কলে। মহাত্মাৰ বাবে তৃতীয় শ্ৰেণীৰ খোটালী এটা গাৰ্ডৰ গাড়ীৰ পাছৰ ফালে লগোৱা হৈছে। ট্ৰেইন সৰহপৰ নৰৰ। ট্ৰেইন গোলোকগঞ্জ ষ্টেচন এৰাৰ ঘণ্টা বাজিল আৰু অলপ পৰ পাছৰ দূৰবৰ্ত্তী ছিগনেল পাৰ হৈ আহি ট্ৰেইন প্লেটফৰ্মত ৰলহি। এনেতে মহাত্মাৰ গাড়ীখনো আহি পালে। আমি বস্তু-বাহানি তুলি দিলো। শালগছৰ হাবিয়ে ছাতি ধৰা এই সৰু ষ্টেচনত ইমান মানুহ ক'ৰপৰা আহিল ?

কছাৰী তিৰোতাসকলে হালধীয়া বৰণৰ ( তেওঁলোকে নিজে বোৱা ) কাপোৰ পিন্ধি আহিছে। নিজে বৈ লোৱা কথাষাৰে মহাত্মাক আনন্দ দিলেও—সূতা মিলৰ—কথাষাৰে নিশ্চয় বেজাৰো দিছিল। মহাত্মাৰ সেই একে কথা—হৰিজনৰ বাবে ভিক্ষা খোজা। ট্ৰেইন এৰিলে। মহাত্মাই পইচা, অনা, শিকি, আধুলা, টকা, সকলো মুদ্ৰা ভাগ ভাগ কৰাই গণিবলৈ দিলে আৰু হিচাবৰ বহীত লিখিবলৈ দিলে। এইবিলাক কাম শেষ নৌহওঁতেই পাছৰ ষ্টেচন পালোঁহি। তাতো বহুত মানুহ—আৰু মহাত্মাইও হৰিজনসকলৰ বাবে ভিক্ষা সংগ্ৰহত লাগিল।

চাপটগ্ৰাম ষ্টেচন পাওঁতে কেইবা গৰাকী বঙালী তিৰোতা ( ৰেলৰে কৰ্ম্মচাৰীৰ পৰিয়াৰ ) হাতে-ভৰিয়ে গহনা পিন্ধা—মহাত্মাৰ গাড়ীখনত উঠিলহি, ভাব ভৰি চুই সেৱা কৰা। মহাত্মাজীও হৰিজনৰ বাবে সোণৰ গহনা ভিক্ষা কৰিলে। তিৰোতা কেইগৰাকী নিৰুপায়। কি কৰিব, কি নকৰিব দোধোৰ মোধোৰ ভাব। মিহুতক, শেষত আঙুঠি সোলোকাই দিলে। এইদৰে প্ৰায় তিনি বজাত আমি বৰপেটা ৰোড ষ্টেচন পালোঁহি। বৰপেটাৰ পৰা বহুতো মানুহ আহিছে। ষ্টেচনত এটা ডাঙৰ জনতা। ৺ঠক্কৰ বাপা, হৰিজন সেৱক সঙ্ঘৰ অসম শাখাৰ সম্পাদক শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মা প্ৰভৃতিৰে সৈতে মহাত্মা বৰপেটালৈ গ'ল। আমি গাড়ীতেই থাকিলো। মোৰ ওপৰত ৺ঠক্কৰ বাপাৰ নিৰ্দ্দেশ আছিল গাড়ীতেই থাকিবলৈ। মহাত্মাৰ বাবে ৰখা দবাটো সৰুপেটাত কাটি থৈ ৰেলগাড়ীখন গুচি যাব—আমি মহাত্মা উভতি নহালৈকে সৰুপেটাত ৰব লাগিব। সৰুপেটা ষ্টেচনত এই গাড়ীখন কাটি এটা কাষৰীয়া লাইনত থৈ ট্ৰেইনখন গুচি গ'ল আৰু আমি তাতে বৈ থাকিলো। মোৰ চিনাকী বন্ধু কেবাজনো ওচৰ চাপি আহিল। তেওঁলোকে তাতো এখন মিটিং কৰাৰ বাবে ধৰিলে। কিন্তু আগৰ পৰা স্থিৰ নোহোৱাত একো মীমাংসা কৰিব পৰা নহল। মহাত্মা ৰাতি ৮ মান বজাত উভতি আহিল।

ৰাতি হোৱাৰ লগে লগে মানুহ ভৰি পৰিল। ওচৰৰ গাওঁবিলাকৰ পৰা জনজাতীয় লোকসকল আহি হেঁচা মাৰি ধৰিলে। সকলোৰে বিচাৰে মহাত্মাৰ দৰ্শন। ৺ঠক্কৰ বাপাৰ লগত কথা হলো। তেওঁ কলে, মহাত্মা এতিয়া শুই আছে, জগাব নোৱাৰি। লাহে লাহে জনতা আৰু ডাঙৰ হোৱাত হাই-উৰুমি বাঢ়িবলৈ ধৰিলে। এই কোলাহলত মহাত্মাৰ টোপনিত বিঘিনি হয় বুলি বৰপেটাৰ পৰা অহা কৰ্ম্মীসকলৰ সৈতে জনতাক বুজোৱাত লাগিলো। অবশেষত

ট্ৰেইন আহিল আৰু গাড়ীখন লগাই ললে ! সকপেটাৰ জনতাৰ মনত বেজাৰ দি ট্ৰেইনে মহাত্মাৰ গাড়ীখন লৈ ৰঙিয়াৰ ফালে গতি কৰিলে।

এপ্ৰিলৰ ১১ তাৰিখ। দোকমোকালিতে ৰঙিয়া পালোহি। ৰঙিয়াতো গাড়ীখন কাটি কাষৰীয়া লাইনত থৈ যাত্ৰীবাহী ট্ৰেইনখন আমিনগাওঁলৈ গুচি গ'ল। আনফালে ৰঙিয়া ষ্টেচনৰ দাঁতিত ৰাজহুৱা সভাৰ ব্যৱস্থা কৰি দুজনমান কৰ্ম্মীয়ে জনালেহি। মহাত্মাক তালৈ নিয়া হ'ল। মহাত্মাই একেদৰেই অস্পৃশ্যতা বৰ্জ্জনৰ কথাই কলে। এইদৰে আমি ১১ বজাত ৰঙাপাৰা পালোহি। ভাত নমা হ'ল। তাৰপৰা তেজপুৰ-বালিপাৰা ৰেলৰেৰ সৰু মুকলি গাড়ীত উঠি প্ৰায় ২ বজাত তেজপুৰ পালোহি।

তেজপুৰত এটা ডাঙৰ জনতা বৈ আছিল। মানুহৰ ঠেলা-হেঁচাত বিশৃঙ্খল হোৱাদি হ'ল। মাল গোটেইখিনি নৌ উঠোতেই গাড়ীখন এৰি দিলে। এটা বাকচ থাকি গ'ল। সেই বাকচটোৰে সৈতে আমি খোজ কাঢ়িব লগীয়া হ'ল। মহাত্মাৰ থকা ঠাই ৺হৰিবিলাস আগৰৱালাৰ পকী ঘৰলৈ আহি চাওঁ, ঠক্কৰ বাপা দুশ্চিন্তাত আছে। বাকচটো দেখি তেওঁৰ দুশ্চিন্তা গুচিল। বুজাই কলো—১৯২১ চনতো মহাত্মা তেজপুৰলৈ আহোঁতে ঘাটৰ পৰা এইদৰে বাকচ এটা লৈ আহিব লগীয়া হৈছিল।

অলপ পৰ পাচতেই এজাক টান বৰষুণ আহিল। বহুত দিন বৰষুণ নোহোৱাত বৰ খৰাং আছিল। সেইবাবে বৰষুণ অহাত সকলোৱে ভাল পালে। শুকাই থকা পৃথিৱীখনলৈ জানিবা প্ৰকৃতি দেৱীয়ে মহাত্মা অহা মাত্ৰেই শান্তি-পানী চটিয়াই দিলে। মানুহে কোৱাকুই কৰিব ধৰিলে—১৯২১ চনতো মহাত্মা আহি নৌ পাওঁতেই তেজপুৰ জাহাজ ঘাটত বৈ থকা দৰ্শনপ্ৰাৰ্থী জনতাৰ ওপৰত প্ৰকৃতিয়ে পুষ্পবৃষ্টিৰ দৰে এজাক বৰষুণেৰে তিয়াই দিছিল।

তেজপুৰলৈ আহি এখন দীঘলীয়া তাঁৰ পোৱা হ'ল। 'ফ্ৰী প্ৰেছ'ৰ চিফ এডিটৰ সহকৰ্ম্মী বন্ধু বিধুভূষণ দাসগুপ্তৰ পৰা এই তাঁৰ আহিছে। তেওঁৰ অনুৰোধ, মহাত্মাৰ অসম ভ্ৰমণৰ বিবৰণ তাঁৰ যোগে পঠাব লাগে।

তেজপুৰৰ কাৰ্য্যক্ৰমৰ ভিতৰত মিউনিচিপ্যালিটিৰ স্বাস্থ্য ৰক্ষা কৰা কৰ্ম্মীসকলৰ ঘৰ চোৱাও আছিল এটা। আগতে এইটো কাৰ্য্যক্ৰমত নাছিল। কিন্তু তেজপুৰ পাই মহাত্মাই এনে ইচ্ছা প্ৰকাশ কৰাত ব্যৱস্থা কৰিব লগা হ'ল। মিউনিচিপ্যালিটিৰ চেয়াৰমেন ৺আনন্দচন্দ্ৰ আগৰৱালা, ৺ডাক্তৰ সুৰেন সেন, নিকামূলৰ সত্ৰাধিকাৰ শ্ৰীগহনচন্দ্ৰ গোস্বামী, শ্ৰীহৰকান্ত দাস, বিশ্বনাথৰ

শ্ৰীৰামপ্ৰসাদ আগৰৱালা প্ৰভৃতিয়ে অভ্যৰ্থনাৰ ব্যৱস্থা কৰি থৈছিল আৰু এহেজাৰ টকাৰ এটা মোনা দিয়াৰো ব্যৱস্থা কৰিছিল।

তিনি বাজিছে, এনেতে স্বাস্থ্য বিভাগৰ কৰ্ম্মীসকলৰ থকা ঠাই দেখুৱাবলৈ নিয়া হ'ল। মহাত্মা যাব বোলাত তেওঁলোকৰো আনন্দৰ ঠাই নোহোৱা হ'ল। মহাত্মাই তেওঁলোকৰ ঘৰবিলাকৰ ভিতৰ সোমাই ভালকৈ চালে। লোকৰ স্বাস্থ্য ৰক্ষা কৰাত তেওঁলোকে পৰিশ্ৰম কৰে, কিন্তু তেওঁলোকৰ নিজৰ ব্যৱস্থা কি, পানী খোৱাৰ ব্যৱস্থা কি, সকলো ভালকৈ চালে। মহাত্মাই কলে, "এই সকল লোকে সমাজৰ সেৱা কৰে, তথাপি সমাজে এওঁলোকক ঘিণ কৰে। মাকে ল'ৰাৰ শৌচ চাফা নকৰে নে? এওঁলোকেও গোটেই সমাজক মাকৰ দৰে সেৱা কৰা নাইনে? এওঁলোকেহে ঈশ্বৰৰ আচল লোক। মোক দুটা কথাই দুখ দি আছে। এটা হৈছে ভাৰতৰ জনতাৰ অজ্ঞতা আৰু দাৰিদ্ৰ্য আৰু আনটো হৈছে ভাৰতৰ উচ্চশ্ৰেণীয়ে তলত পৰি থকা লোকসকলক কিদৰে অবহেলা কৰি আহিছে; বিশেষকৈ হিন্দুসকলে হৰিজনসকলক অৱহেলা কৰা কথাষাৰেই মোক বৰ দুখ দি আছে। আমি এটা মহৎ ধৰ্ম্মৰ উত্তৰাধিকাৰী, তথাপিও আমি এইটো এটা ডাঙৰ অপৰাধ কৰিছো। এয়েই আমাৰ ডাঙৰ কলঙ্ক। ভগবানে কি নিয়মেৰে কাৰ্য্য কৰে আমি নুবুজো আৰু ভগবানৰ এনে কাৰ্য্যনীতিত মোৰ অবাধ বিশ্বাস নথকা হলে মোৰ দৰে মানুহৰ দুখত দুখ পোৱা লোক এজন বলিয়া হৈ গ'লহেঁতেন।"

এইসকলৰ দৰমহা, অৰ্থনৈতিক অৱস্থা, ধাৰৰ পৰিমাণ আদি সকলো কথা আলোচনা কৰিলে। তেওঁলোকৰ বেয়া অভ্যাস বিলাক কেনেকৈ গুচাব পাৰি সেই সম্পৰ্কেও কলে।

আবেলি ৭ বজাত তেজপুৰৰ পলোফিল্ডত ৰাজহুৱা সভা বহিল। মহাত্মাক সভাৰ থলিলৈ নিয়া হ'ল। কেইবাখনো মানপত্ৰৰ লগতে টকাৰ মোনা এটা আগবঢ়োৱা হ'ল। অভিনন্দনত অসমৰ সমাজত ভাৰতৰ আন প্ৰদেশৰ দৰে অস্পৃশ্যতা নাই, অসমত মলমূত্ৰ চাফ কৰিবলৈ কোনো বিশেষ শ্ৰেণী আগতে নাছিল, অসমৰ সমাজত যি অস্পৃশ্যতাৰ ভাব আছে, শিক্ষাৰ লগে লগে সেই ভাব গুচি যাব প্ৰভৃতি জনোৱা হৈছিল। অনুসূচীত সম্প্ৰদায় বিলাকৰ অনুষ্ঠানৰ কেইটামানেও অভিনন্দন জনালে। হেঙ্গুল-হাইতালেৰে কাম কৰা বাঁহৰ চুঙাত ভৰাই শৰাইত মানপত্ৰ দিয়া হ'ল।

মহাত্মাই প্ৰত্যুত্তৰত ক'লে,—"অসমৰ সমাজ ভাৰতৰ আন বহুতো প্ৰদেশৰ

ভিতৰত এই বিষয়ত আগবঢ়া হলেও সমাজৰ কিছুমান লোকক যে তলত পেলাই থোৱা হৈছে এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। মই বিচাৰো উচ্চবৰ্ণৰ বুলি তথাকথিত লোকসকলে এই সমস্যাটো ভালকৈ বুজক।” সভাৰ শেষত মহাত্মাই আগৰদৰে ক'পোৰ পাতি হৰিজন সকলৰ ভিক্ষা বিচাৰিলে। ঘৰুৱা শিল্পত তৈয়াৰী হোৱা বাঁহৰ চুঙাৰ কাস্কেট, ( casket ) শৰাই আদিও নীলামত দিলে। “আপোনালোকে দিয়া এই মৰমৰ উপহাৰবিলাক মই ক'ত থম? ইয়াৰ সলনি হৰিজন সকললৈ মোক ধন দিয়ক। আপোনালোকৰ এই উপহাৰ-বিলাক মই নীলামত দিলো।” দহটকাৰ পৰা আৰম্ভ কৰি ডাক আৰম্ভ হ'ল, শেষত এশ টকাত শেষ হ'ল। এইদৰে বস্তু কেইটাত তিনিশ টকা পোৱা হ'ল। সভা বহিবৰ আগতে আৰু পাছতো বহুতো লোকৰ লগত মহাত্মাই সাম্প্ৰদায়িক লোক-সংখ্যা, শিক্ষাৰ অৱস্থা, অস্পৃশ্যতাৰ প্ৰসাৰতা সম্পৰ্কে আলোচনা কৰি আছিল। অসমৰ চেন্সাচ ৰিপোৰ্টখনৰ ( ১৯৩১ চনৰ ) সম্পৰ্কেও আলোচনা কৰিছিল। চাহবাগিছাৰ পৰা ওলাই অহা বনুৱা, তেওঁলোকৰ সামাজিক অৱস্থা, গাৱঁলীয়া নামঘৰত তেওঁলোকক সোমাবলৈ দিয়া হয়নে নহয়, তেওঁলোকক কিয় বঙাল আৰু কুলি বুলি কোৱা হয়, ইত্যাদিও আলোচনাৰ বিষয় আছিল।

মিউনিচিপ্যালিটিৰ সদস্যসকলৰ লগত আলোচনা কৰোঁতে কলে, “বহুতো নগৰত বাটে পথে শৌচ কৰাটো এটা ডাঙৰ সমস্যা। এইদৰে বাট-পথ লেতেৰা কৰাটো কিছুমানৰ স্বভাৱ হৈছে। গুজৰাটৰ কিছুমান নগৰত বাট-পথ এইদৰে লেতেৰা নকৰিবলৈ মই বুজাই কৈছিলো যে যদি আন কৰিব নোৱাৰে তেন্তে মুকলি পথাৰলৈ যাওক আৰু পাচত মাটিৰে ঢাকি থওক। স্বাস্থ্যনীতিৰ ফালৰ পৰা এই বিলাকৰ যে কিমান প্ৰয়োজন তাকে বুজাইছিলো। আমাৰ দেশৰ শিক্ষিত লোক কিছুমানেও স্বাস্থ্যনীতিক কাৰ্য্যত পৰিণত নকৰে। কংগ্ৰেছৰ দৰে এটা অনুষ্ঠানলৈ যোৱা প্ৰতিনিধি সকলেও কিদৰে বছৰেকীয়া অধিবেশনত স্বাস্থ্য-নীতিৰ নিয়ম ভঙ্গ কৰি ঠাইবিলাক লেতেৰা কৰে সেইটো জনা কথা। যতেই মানুহৰ সমাবেশ হয় তাতেই আমি লেতেৰা কৰো। আজিকালি কংগ্ৰেছৰ অধিবেশন বিলাকত গাঁত-পায়খানা আৰু মাটিৰে ঢাকি থোৱাৰ ব্যৱস্থা হৈছে, তথাপিও আমাৰ বহুতো মানুহে স্বাস্থ্যনীতিৰ কথা ভঙ্গ কৰে। এতিয়া আমাৰ ডাঙৰ কাম হৈছে মানুহৰ এনেবিধৰ লেতেৰা স্বভাৱ পৰিবৰ্ত্তন কৰা। এজনে স্বাস্থ্যনীতিৰ নিয়ম ভঙ্গ কৰি বাট-পথ লেতেৰা কৰিব আৰু আন এজন লোকে চাফা কৰি সকলোকে ৰক্ষা কৰা বাবে তেওঁকেই ঘিণোৱা হব। এইবাবে

আপোনালোকেই আদৰ্শ দেখুৱা উচিত। নগৰ আৰু গাৱঁৰ স্বাস্থ্যনীতিৰ অৱস্থা উন্নত খাপলৈ নিযাটো সামান্য কথা নহয়। ইয়াৰ বাবে আমি বহুতো যত্ন কৰিব লাগিব।"

তেজপুৰ ঘাটৰ পৰা জাহাজ এবাৰ সময় ৰাতি দহ বজাত। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা জনোৱা হ'ল, জাহাজ অহাৰ বাতৰি পালে মহাত্মাক ঘাটলৈ নিয়া হব। সেইবাবে মহাত্মাই থকা ঠাইত জিৰণি লোৱা উচিত। ৰাতি ১ বজাত জাহাজ অহাৰ বাতৰি পোৱা হ'ল আৰু মহাত্মাক ঘাটলৈ নিয়া হ'ল। ওপৰৰ ডেকৰ পাছৰ ফালে মহাত্মা আৰু তেওঁৰ লগৰীয়াসকলৰ বাবে অলপ ঠাই দিয়া হ'ল। তাতে বিচনা পাৰি মহাত্মা তৎক্ষণাৎ শুই পৰিল আৰু আন লগৰীয়া সকলেও এচৰতে শুবলৈ দিহা কৰি ললে। ৰাতি তিনি বজাত সাৰ পাই চাওঁ মহাত্মাই বিছনাত বহি কাকত-পত্ৰ চাই আছে। ৪ বজাত হোৱা প্ৰাৰ্থনাৰ পাছত লগৰ দুগৰাকী ছোৱালীৰ ( উমা আৰু সুশীলা ) ডায়েৰীৰ লিখা কথা এটা লৈ ধেমালি কৰিলে।

* * * *

১৩ এপ্ৰিল। চাৰে দহ বজাত জাহাজ গুৱাহাটী ঘাট পালেহি। উজানবজাৰৰ জাহাজ ঘাটত বহুতো মানুহ ৰৈ আছিল। ৺ডাক্তৰ হৰিকৃষ্ণ দাস, ৺দেশভক্ত ফুকন, ৺কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, ৺ডাক্তৰ ভুবনেশ্বৰ বৰুৱা, শ্ৰীবিষ্ণুৰাম মেধি, শ্ৰীগৌৰীকান্ত তালুকদাৰকে আদি কৰি গুৱাহাটীৰ বহুতো গণ্যমান্য লোক ঘাটত ৰৈ আছিল। মহাত্মাৰ থকাৰ ব্যৱস্থা কৰা হৈছিল ৺ডাক্তৰ হৰিকৃষ্ণ দাসৰ ঘৰত। মহাত্মাক লৈ আমি থকা ঠাই পালোহি। গাড়ীখন ৰখাওঁতে এগৰাকী ওখ দীঘল, চুলি খুৰুৱা, বগা খদ্দৰৰ শাৰী পিন্ধা তিৰোতা আহি মহাত্মাক অভিবাদন জনালে। ভাবিলো, এই গৰাকীনো কোন? পাছত জানিলো তেওঁৱেই কুমাৰী মীৰাবেন—বৃটিছ এড্‌মিৰেলৰ জীয়েক। এওঁৰ সম্পৰ্কে বহুতো কথা ইয়ং ইণ্ডিয়াত পঢ়িলেও দেখা পোৱা নাছিলো। শুনিলো পুৱাৰ ট্ৰেইনত পিয়াৰীলাল আৰু মীৰাবেন ইয়ালৈ আহিছে। মীৰাবেন লগত ফুৰিব আৰু পিয়াৰীলাল মহাত্মাৰ লগত কথা হৈ ইয়াৰ পৰাই উভতিব।

মহাত্মাৰ কাৰ্যক্ৰম আৰম্ভ হ'ল। অনুসূচীত সম্প্ৰদায়বিলাকৰ অনুষ্ঠান-বিলাকৰ ডেপুটেশ্যন আহিল। তেওঁলোকৰ লগত আলোচনাত বহিল। ৺সোণাধৰ সেনাপতিকে আদি কৰি সাম্প্ৰদায়িক নেতা কেইজনমানৰ লগত

আলোচনা শেষ হোৱাত শ্ৰীবেলিৰাম দাসৰ নেতৃত্বত অহা নমশূদ্ৰ সম্প্ৰদায়ৰ নেতৃবৃন্দই মহাত্মাৰ লগত দেখা কৰিলে। অনুসূচীত জাতি সম্পৰ্কে কংগ্ৰেছে যি কাৰ্য্যনীতি লৈছে শ্ৰীবেলিৰাম দাসে সমৰ্থন জনাই অনুসূচীত জাতিবিলাকৰ নিজৰ মাজত থকা অস্পৃশ্যতাৰ কথাও জনালে। দক্ষিণপাৰৰ বহুতো গাৱঁৰপৰা অহা নেতাসকলেও শ্ৰীবেলিৰাম দাসৰ লগত মহাত্মাৰ লগত দেখা কৰিলে। ইংৰাজীত ছপোৱা এখন স্মাৰক-পত্ৰও শ্ৰীবেলিৰাম দাসে মহাত্মাক দিলে।

স্বাস্থ্যৰক্ষা বিভাগৰ কৰ্ম্মীসকলৰ ঘৰলৈ যোৱাটোও মহাত্মাৰ কাৰ্য্যক্ৰমত আছিল। সেইবাবে তিনি বজাৰ পাছত তালৈ নিয়া হ'ল। সেই সময়ত এই সকল লোকক কামৰূপ একাডেমি থকা অঞ্চলটোৰপৰা তুলি নি বৰ্ত্তমানৰ ঠাইলৈ নিয়া হৈছিল। ঘৰ নতুনকৈ সজা হলেও সমুখ ডোখৰ বৰ লেতেৰা আছিল। বৰ্ত্তমান ষ্টেডিয়ামৰ অঞ্চলটো ময়লাপোতা ঠাই আছিল। এইবিলাক কথাও মহাত্মাই মিউনিচিপ্যালিটিৰ কৰ্ত্তৃপক্ষৰ লগত আলোচনা কৰিলে। দেশভক্ত ফুকন প্ৰভৃতি নগৰৰ গণ্যমান্য লোকসকল তেওঁলোকৰ বস্তিলৈ যোৱাত তেওঁলোকৰ আনন্দৰ সীমা নোহোৱা হ'ল। তেওঁলোকে যেন স্বৰ্গ ঢুকি পালে—অভিযোগ আপত্তি একোৱেই জনোৱা নাছিল। তেজপুৰৰ দলে তেওঁলোকৰ আয়, খোৱা-পানীৰ ব্যৱস্থা, ধাৰ আদিৰ কথা সুধিলে আৰু তেওঁলোকৰ যি বেয়া অভ্যাস আছে সেইবোৰ এৰিবলৈ কলে।

ইয়াৰ পাছত জজফিল্ড পথাৰত এখন সভা বহিল। ১৯৩২ চনৰ চেপ্তেম্বৰ মাহত মহাত্মাই এৰোডা জেলত যি অনশন কৰিছিল সেই সম্পৰ্কেও উল্লেখ কৰি কলে, "ইয়াত মোৰ কোনো ৰাজনৈতিক উদ্দেশ্য নাই। বিলাতত মেকডোনেলত অস্পৃশ্য বুলি তথাকথিত সম্প্ৰদায় বিলাকক সাধাৰণ হিন্দুসমাজৰ পৰা ফালি নি নিৰ্ব্বাচন ক্ষেত্ৰত তেওঁলোকৰ বাবে সুকীয়া সমষ্টি কৰাৰ চেষ্টাত মৃত্যুক পণ কৰি হলেও বাধা দিম বুলি যি ঘোষণা কৰিছিলো ই তাৰেই পৰিণতি আছিল। ৰাজনীতি ক্ষেত্ৰত তেওঁলোকৰ বাবে সুকীয়া সমষ্টিৰ ব্যৱস্থা কৰিলেই এই সমস্যাৰ সমাধান নহয়। এইটো সামাজিক কথা। এই কথাষাৰ সমাজৰ ফালৰ পৰাহে সমাধান কৰিব লাগিব। হৰিজন সকলক আটাই-বিলাক আসন দিলেও হিন্দুধৰ্ম্ম আৰু সমাজৰ একো ক্ষতি নহয়। প্ৰধান মন্ত্ৰী ম্যাকডোনাল্ডে দিয়া সাম্প্ৰদায়িক সমাধানৰ সূত্ৰমতে অনুসূচীত জাতিসমূহৰ ভাগত পৰা আসনৰ সংখ্যাতকৈ এৰোডা চুক্তিত সৰহ হ'ল। বঙ্গদেশৰ কিছুমানে ইয়াত আপত্তি কৰিছিল। তেওঁলোকৰ তাত থকা হিন্দু মুছলমানৰ

সমস্যাৰ লগতে এই সমস্যা লগাত তেওঁলোকে অনুসূচীত সম্প্ৰদায়ক সৰহ আসন দিব লগীয়া হৈছে। কিন্তু মই ভাবো, অনুসূচীত সম্প্ৰদায় বিলাকক সকলো আসন দিলেও সমগ্ৰ হিন্দুসমাজ আৰু ধৰ্ম্মৰ একো ক্ষতি নহয়।” —ইত্যাদি।

আজি কিছুদিনৰ পৰা এটা কথা বৰকৈ ওলাই আছে—অস্পৃশ্যতাৰ বাবে এইসকল লোক ধৰ্ম্মান্তৰ হব। কিছুমানে এটা যুক্তি দিছিল খৃষ্টিয়ান মিচন বিলাকৰ কল্যাণকামী সেৱাৰ ফলত অনুসূচীত জাতিৰ বহুতো লোকে খৃষ্টিয়ান ধৰ্ম্ম গ্ৰহণ কৰিবলৈ আগবাঢ়ি গৈছে। ধৰ্ম্মান্তৰ হোৱাৰ আগতে সমাজে যি ঘৃণা আৰু আওহেলাৰ চকুৰে চাইছিল, খৃষ্টান হোৱাৰ পাছত সেই ভাৱ নাথাকে, বৰং চৰকাৰী উচ্চপদ পালে মানহে পায়। ডাক্তৰ আম্বেদকাৰে এনে মন্তব্য কৰাৰ লগে লগে খৃষ্টিয়ান, মুছলমান প্ৰভৃতি ধৰ্ম্মসংস্থাৰ ফালৰ পৰা ধৰ্ম্মান্তৰ কৰিবলৈ যত্ন চলিল। এই কথাষাৰ আলোচনা কৰি মহাত্মাই কলে—“ডাক্তৰ আম্বেদকাৰৰ এই কথাষাৰে মোক দুখ নিদিয়া নহয়। আধ্যাত্মিকতাৰ ফালৰ পৰা এই যত্ন হোৱা হলে মোৰ একো কবলগীয়া নাই। কিন্তু এই প্ৰশ্নটো সংখ্যাধিক্যৰ দৃষ্টিভঙ্গীত চোৱা বাবে মই দুখ পাইছো। যীশু, মহম্মদ, নানককে আদি কৰি ধৰ্ম্মগুৰু সকলৰ কথা বুজাবলৈ যত্ন নকৰি কিছুমান অৰ্থনৈতিক প্ৰলোভনত পৰি ধৰ্ম্মান্তৰ হোৱাটোত মই বেজাৰ পাওঁ। আজি এইবিলাক ধৰ্ম্মসংস্থাৰ ভাৱ হৈছে যেন ডাক্তৰ আম্বেদকাৰে তেওঁলোকক এই পাঁচকোটি অনুসূচীত সম্প্ৰদায়ৰ লোকসকলক দিয়াব।”

* * * *

১৪ এপ্ৰিল তাৰিখৰ দিনা মহাত্মা গুৱাহাটীতেই থাকিল। দিনটো লিখা-পঢ়াতেই ব্যস্ত থাকিল। মহাত্মাজীৰ পেটৰ অসুখ হোৱা বাবে ডাক্তৰ ভুবনেশ্বৰ বৰুৱাই তেওঁৰ শৌচ পৰীক্ষা কৰিবলগীয়া হ’ল। কিছুদিনৰ পৰাই মহাত্মাই আহাৰ সম্পৰ্কে পৰীক্ষা কৰি লাও-সিজোৱা খোৱাত লাগিছিল। শৌচত জীণ নোযোৱা লাওৰ টুকুৰা পাই ডাক্তৰ বৰুৱাই লাও-সিজোৱা খাবলৈ হাক দিলে। কিন্তু মহাত্মা সহজে মান্তি হোৱা লোক নাছিল। অৱশেষত ডাক্তৰে এটা পৰামৰ্শ দিলে। লাও-সিজোৱাৰ লগত অলপ চৌডাখাৰ পেলাই দিলে ভাল। অসমীয়া লোকে কিদৰে কলৰ মধুনা পুৰি খাৰ তৈয়াৰ কৰে আৰু এই খাৰ চোডি-বাইকাৰ্ব্বৰ দৰে যে একেবিধৰ বস্তু তাক বুজাই দিলত লাও-সিজোৱাত খাৰ দিবলৈ দিলে। আবেলি জজফিল্ড পথাৰত সভা বহিল।

১৫ এপ্ৰিলৰ দিনা প্ৰায় ৯ বজাত মহাত্মাক লৈ চাপৰমুখলৈ বুলি ট্ৰেইনত ৰাওনা হব লগীয়া হ'ল। আগৰদৰে ৰেল কৰ্তৃপক্ষই তৃতীয় শ্ৰেণীৰ এটা সৰু খোটালা মহাত্মাৰ বাবে আছুতীয়াকৈ দিলে। আমি যথাসময়ত চাপৰমুখ পালোহি। নগাওঁৰ পৰা শ্ৰীহলধৰ ভূঞাঁ প্ৰভৃতি বহুত লোক চাপৰমুখ ষ্টেচনত উপস্থিত আছিল। নগাওঁলৈ যোৱা বাটত চাপৰমুখ, ৰহা, ডিমৌ, বেবেজিয়া আদি কেইবাঠাইতো ৰাইজে মহাত্মাক মানপত্ৰ দিলে আৰু অভিনন্দন জনালে। মহাত্মাৰ বাবে থকা ঠাইৰ ব্যৱস্থা ৺ভূদ মহন্তৰ ঘৰত আছিল। হীড়া, কৈবৰ্ত্ত আদি বহুতো সম্প্ৰদায়ৰ লোকে নিজ নিজ সম্প্ৰদায়ৰ লোকসকলৰ দুখৰ কথা মহাত্মাক জনালে। "আমি মাটিৰ চৰু কৰোঁ, এইটোৱে আমাৰ ব্যৱসায়। আমি কৰা চৰু আৰু আন বাচন সকলোৱে ব্যৱহাৰ কৰে। বিয়া-সবাহ সকলোতে লগা বাচন আমি সাজি দিওঁ। কিন্তু আমাক উচ্চবৰ্ণৰ লোকসকলে কিয় ঘিণ কৰে?" —ইত্যাদি।

নগাওঁৰ সভাতো টকাৰ মোনা এটা দিয়া হ'ল। সভাৰ পিচত মহাত্মাই হৰিজন সকলৰ বাবে ধন তোলাত লাগিল। এই সময়তে বহুতো লোকে মহাত্মা বহি থকা মঞ্চৰ ওচৰ চাপি মহাত্মাৰ ভৰি চুই সেৱা কৰিবলৈ হেঁচা মাৰি ধৰিলে। সেৱকসকলে শৃঙ্খলা ৰক্ষা কৰাটোৱেই টান হৈ পৰিল। মহাত্মাই টুপ কৰে মঞ্চৰ পৰা নামি দীঘল দীঘলকৈ খোজ দি জনতাৰ মাজেদি সৰকি গাড়ীত উঠি বহি লৈ থকা ঠাইলৈ নিবলৈ নিৰ্দ্দেশ দিলে। লগৰ মানুহ সকলে পাছ পৰি সভাৰ ঠাইতে থাকিল। ৺মহন্তৰ ঘৰলৈ উভতি অহাৰ পিছত সন্ধিয়াৰ আহাৰ কৰি জিৰণি ললে। বাহিৰত বহুতো কৰ্ম্মী আৰু জনতা ৰৈ আছিল। –"৬৫ বছৰ বয়সতো মহাত্মাই এইদৰে খোজ কাঢ়ে!" ৺মতিৰাম বৰাই এইদৰে মন্তব্য কৰিলে।

প্ৰায় ১০ মান বজাত আমি পুনৰ চাপৰমুখলৈ ৰাওনা হলো। ষ্টেচন কৰ্তৃপক্ষই ৱেটিংৰুম দিয়াতো মহাত্মাই বাহিৰত থাকিবলৈ মন কৰাত এখন কেম্প খাটিয়া আনি দিলে। মহাত্মাই তাতে টোপনি গ'ল। এইদৰে ৰাতি আমি ট্ৰেইন ধৰিলো।

১৬ এপ্ৰিল—পুৱতি নিশা মহাত্মাই তৃতীয় শ্ৰেণীৰ ঠেক বেঞ্চিখনতেই বহি বাহিৰৰ দৃশ্য চাই তন্ময় হৈছে। হাবিৰ মাজেদি ট্ৰেইন গৈ আছে—দুয়োকাষে গছ-গছনি আৰু হাবি। অলপ পৰ পাছত গাড়ী ধনশিৰি ষ্টেচনত ৰখালে। ৰেলৰ কৰ্ম্মচাৰী কেইজনমানে ভুমুকিয়াই চোৱাৰ বাহিৰে বাহিৰত আন মানুহ নাছিল।

ফৰকাটিঙৰ পৰা মহাত্মাক নিয়াৰ ব্যৱস্থা আছিল। গোলাঘাটত শ্ৰীমহেন্দ্ৰনাথ বৰুৱাৰ ঘৰত মহাত্মাক ৰখাৰ ব্যৱস্থা আছিল। ষ্টেচনৰ পৰা আমি তালৈকে গলো। ৰাতিপুৱাৰ নিত্যনৈমিত্তিক ক্ৰিয়াবিলাকৰ পাছত মহাত্মায়ো দৈনিক কাৰ্য্যক্ৰমত বহিল। হৰিজন সমস্যা সম্পৰ্কে আলোচনা কৰা আৰু অনুসূচীত সম্প্ৰদায়সকলৰ প্ৰতিনিধিসকলৰ লগত কথা হোৱাত লাগিল। বাহিৰত শ্ৰীযুত বৰুৱাৰ ফুলনিত গাওঁবিলাকৰ পৰা বহুতো মানুহ আহি ভৰি পৰিল। মুনিহ তিৰোতা সকলোৱে যঁতৰ টাকুৰা লৈ আহিছিল। শ্ৰীশঙ্কৰ বৰুৱাই সূতাকটা প্ৰদৰ্শনীৰ বাবে এই দিহা কৰিছিল। দুপৰীয়া হ'লত সকলোৱে সূতাকটাত লাগিল। মহাত্মাও আহি সূতাকটাত যোগ দিলে।

ইয়াতো মহাত্মাই ভুষাৰমান কলে—"আপোনালোকে জানে আমি কিয় খাদাৰ কাম হাতত লৈছো। আমাৰ উদ্দেশ্য গাওঁবিলাক পুনৰ সঞ্জীবিত কৰা। আজি বহুতো লোকে ৰাজনীতিৰ ফালৰ পৰা খাদা ব্যৱহাৰ কৰাত লাগিছে। তেওঁলোকৰ ভাৱ যে তেওঁলোকে আন একো কৰিব নালাগে। খাদী-লোৱা বাবে যেন তেওঁলোকে আনবিলাক বস্তু সম্পৰ্কে একো বিচাৰ কৰিব নালাগে। সেই বস্তু ক'ত তৈয়াৰী, কেনেকৈ তৈয়াৰী হৈছে যেন একো বিচাৰ কৰিব নালাগে। সেইবাবে খাদী এটা প্ৰাণ-বিহীন নিদৰ্শন হৈছে। এইদৰে চলি থাকিলে ৰক্ত-সঞ্চালন বন্ধ হৈ যিদৰে দেহত প্ৰাণ নাথাকে, সেইদৰে খাদীৰো মৃত্যু হব। বহুতো মানুহে আজৰিত বহি থাকি এনেয়ে সময় নিয়ায়। তেওঁলোকে যদি সূতা কাটিব নোৱাৰে, পুৰুষানুক্ৰমে চলি অহা যি কোনো হাতৰ কাম তেওঁলোকে কৰিব পাৰে। আমাৰ দৈনন্দিন ব্যৱহাৰৰ বহুতো বস্তু তেওঁলোকৰ পূৰ্ব্বপুৰুষে তৈয়াৰ কৰিছিল। এতিয়া সেইবিলাক বস্তু বাহিৰৰ পৰা নাহিলে নচলা হৈছে। আগতে গাৱঁত গুড় তৈয়াৰ হৈছিল, এতিয়া তাৰ ঠাইত চেনি নহলে নচলা হৈছে। ইয়াৰ অৰ্থ হৈছে গাৱঁৰ পৰা উদ্যোগবিলাক উঠি যাবলৈ ধৰিছে, আৰু ইয়াৰ ফলত গাৱঁলীয়া খেতিয়ক কেচামাল উৎপাদনকাৰীত পৰিণত হৈছে। ইয়াতেই গাওঁবিলাকৰ শোষণ আৰম্ভ হৈছে। খেতিয়কজনে কেৱলমাত্ৰ কেচামাল উৎপাদন কৰি দিব লাগে, কিন্তু তাৰ পৰা মূল্য হিচাবে তেওঁ অতি সামান্য পায়। অশেষ কষ্ট কৰি যি সামান্য মূল্য পাইছে তাকো চেনি-বেপাৰী, কাপোৰ-বেপাৰী আদিক দিব লগীয়া হৈছে।" . ...

ইয়াৰ পিছত খেল-পথাৰত এখন ডাঙৰ ৰাজহুৱা সভা বহিল। হৰিজন

আন্দোলনৰ কথা বুজাই কলে। ইয়াতো টকাৰ মোনা এটা দিয়া হৈছিল। শ্ৰীশঙ্কৰ বৰুৱা, শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা, ৺মহেশ্বৰ বৰুৱা প্ৰভৃতি কৰ্ম্মীয়ে ইয়াৰ দিহা কৰিছিল। সভা শেষ হোৱাৰ অলপ আগতে লৰী এখনত বয়বস্তু তুলি লৈ আমি আগবাঢ়িলো। যোৰহাটলৈ যোৱা বাটত গণকপুখুৰী, বৰুৱাগাওঁ আৰু দেৰগাওঁত অলপ বৈ যোৱাৰ কথা আছিল। বস্তু-বাহানি লৈ দেৰগাওঁত বৈ থাকিবলৈ মোক নিৰ্দ্দেশ দিছিল।

এইবিলাক কাৰ্য্যক্ৰম শেষ কৰি গধূলিৰ লগে লগে আমি যোৰহাট পালোহি। যোৰহাটত চন্দ্ৰকান্ত হলত মহাত্মাৰ থকাৰ ব্যৱস্থা আছিল। কাৰো ব্যক্তিগত আলহী নোহোৱাকৈ ৰাজহুৱা আলহী হিচাবে ৰাখিবলৈ যোৰহাটৰ কৰ্ম্মীসকলে এনে ব্যৱস্থা কৰিছিল।

এই কেইদিন এটা কথা লক্ষ্য কৰিছিলো যে মহাত্মাই পোনতে থকা ঘৰত সোমায়েই স্বাস্থ্য-নীতি ৰক্ষা কৰিবলৈ কি ব্যৱস্থা কৰা হৈছে তালৈ চকু দিয়ে। তেওঁৰ কাম কৰিবলৈ যেন হৰিজনৰ কাকো লগোৱা নহয় তালৈ মন কৰে। তেওঁৰ লগৰ মানুহেই এইবিলাক চাফা কৰে। চন্দ্ৰকান্ত হলত সোমাই সকলো চাই-চিতি কলে—"এখন কোৰ আনা।" "কিয় ?"

"চোৱাগৈ।" চন্দ্ৰকান্ত হলৰ পূৱৰ ফালে থকা এখন দুৱাৰৰ পোনে পোনে এখন চাঙ সজা হৈছে হয়, তাত আন ব্যৱস্থা নাছিল। মহাত্মাই কোৰ বিচৰা শুনি ৺চলিহা আৰু শ্ৰীদেবেশ্বৰ শৰ্ম্মাই তেওঁক আশ্বস্ত কৰি নিজেই ব্যৱস্থা কৰাত লাগিল আৰু ডাক-বঙলাৰ পৰা প্ৰয়োজনীয় সঁজুলি লৈ আহিল।

মহাত্মাৰ বাবে হলটোৰ একাষে আঁৰ কাপোৰ তৰি দি এটা সৰু খোটালীৰ দৰে ব্যৱস্থা কৰা হৈছিল। তেওঁৰ লগত তিনি গৰাকী তিৰোতা —কুমাৰী মীৰাবেন, বাজাজৰ জীয়েক কুমাৰী উমা আৰু মহাৰাষ্ট্ৰীয় ছোৱালী সুশীলা—এওঁলোকৰ বাবে আন এটা খোটালী কৰি দিয়া হ'ল আৰু মুনিহ সকলৰ মাজৰ মজিয়াত শোৱাৰ ব্যৱস্থা আছিল।

দুৱাৰ-কাষত শুই আছো, এনেতে ৰাতি আঢ়ৈ বজাত ৺ৰত্নেশ্বৰ শৰ্ম্মাই জগালেহি। তেওঁৰ মুখত আতঙ্কৰ ভাব। ফুচফুচাই কলে—"দাদা, সৰ্ব্বনাশ হ'ল।"

—"কি হল ?"

—"এৰালৰ পৰা ছাগলীবিলাক ওলাই গ'ল। পুৱাতে কেনেকৈ গাখীৰ দিওঁ ?"

—"ছাগলী ক'লৈ গ'ল?"

—"সৌৱা কছাৰী ঘৰৰ সমুখৰ পথাৰত।"

জোনাক নিশা—ছাগলী কেইজনী খেদি খেদি ধৰিবলগীয়া হ'ল। কিন্তু পোৱালিৰে সৈতে উদং হোবাত প্ৰয়োজনীয় গাখীৰ পোৱাত সন্দেহ হ'ল। সেইবাবে শ্ৰীহৰিনাৰায়ণ বৰুৱা আৰু গড়মূৰ গোঁসাইলৈ খবৰ দিবলৈ কোৱা হ'ল। গড়মূৰৰ গোঁসাই কেন্দুগুৰিৰ ওচৰত মালাসত্ৰত আছিলহি।

পুৱা ছাগলীৰ গাখীৰ লৈ ৰাতি হোৱা সমস্যা কুমাৰী মীৰাবেনক জনালত তেওঁৰ চকু থিয় হ'ল। আৰু গাখীৰ পোৱা নহলে বাপুৰ আহাৰৰ কি ব্যৱস্থা কৰা হব তাকে ভাবি চিন্তিত হ'ল। মীৰাবেনে মহাত্মাক বাপু বুলি মাতিছিল। যি হওক, এনেতে এজন সেৱকে আৰু এটা জাগত ছাগলী-গাখীৰ লৈ উপস্থিত হ'ল। মহাত্মাৰ বাবে লাওৰ আঞ্জাৰ কি ব্যৱস্থা কৰিব পাৰি তাৰো সমস্যা হ'ল। যি হওক, যোৰহাট ছোৱালী স্কুলৰ শিক্ষয়িত্ৰী কেইগৰাকীমানে—শ্ৰীমতী নীলিমা চলিহা, শ্ৰীমতী হেমপ্ৰভা দাস প্ৰভৃতি—আহি উপস্থিত হ'ল। তেওঁলোকৰ লগত কথা পাতি মীৰাবেনে এই দায়িত্ব লবলৈ মান্তি হ'ল।

১৭ তাৰিখ। যোৰহাটত মহাত্মাই এই দিনটো আজৰি লৈ আন কাম কৰাৰ ব্যৱস্থা আগতে কৰি থৈছিল। সেইবাবে দেখা কৰা সিদিনাৰ কাৰ্য্য-ক্ৰমত নাছিল। পুৱা সাত বজাত মুকলি খেল-পথাৰত খোজকাঢ়ি ফুৰি আহিল। লগত অকল ঠক্কৰ বাপাহে গৈছিল। দুপৰীয়া ৺চলিহা আৰু শ্ৰীদেবেশ্বৰ শৰ্ম্মাই জনালেহি যে ডেপুটি কমিচনাৰ ৰাকাৰ চাহাবে মহাত্মাৰ লগত দেখা হবলৈ বিচাৰে। গভৰ্ণমেণ্টে হাক দিয়া স্বত্বেও তেওঁ দেখা কৰিব বিচাৰে। কথাটো মহাত্মাক জনোৱা হল৷ তিনি বজাত সময় দিলে। মহাত্মাই মজিয়াত শোৱা বিচনাত বহি সূতা কাটি আছিল আৰু সমুখত এখন চকীত বহি ৰাকাৰ চাহাবে কথা পাতি গুচি গ'ল। কাৰ্য্যক্ৰমত ১৭ তাৰিখে ৰাজহুৱা সভাৰ ব্যৱস্থা নাছিল। চন্দ্ৰকান্ত হলৰ টোলৰ বাহিৰত দৰ্শনপ্ৰাৰ্থী জনতা ভৰি আছিল। সেইবাবে গধূলিৰ প্ৰাৰ্থনা বাহিৰত পতাৰ ব্যৱস্থা কৰিব লগীয়া হ'ল। সকলোকে প্ৰাৰ্থনা সভাত যোগ দিবলৈ কোৱা হ'ল।

* * * *

এপ্ৰিলৰ ১৮ তাৰিখ। সিদিনাৰ কাৰ্য্যক্ৰম আছিল পুৱা ৮ বজাত ৺কৃষ্ণনাথ শৰ্ম্মাৰ ঘৰুৱা নামঘৰটো সকলোৰে কাৰণে মুকলি কৰি দিয়া।

৺কৃষ্ণ শৰ্ম্মাক সকলোৱে মামা বুলি মাতিছিল। ৺কৃষ্ণ মামাৰ বৃদ্ধা মাতৃদেবীয়ে পূৰ্ব্বৰে পৰা চলি অহা ৰক্ষণশীলতাৰ সংস্কাৰ এৰি এনে এটা আদৰ্শ দেখুৱাটো ডাঙৰ কথা হৈছিল। তাৰ পাছত মাছৰহাট বোলা নামঘৰত সোমাই যোৰহাট মিউনিচিপ্যালিটিৰ স্বাস্থ্য-বিভাগৰ কৰ্ম্মীসকলৰ থকা-মেলাৰ ব্যৱস্থা চায়। উভতি আহি এঘণ্টা দেখা কৰিবলৈ অহা সকলোৰে লগত সাময়িক সমস্যা সম্পৰ্কে আলোচনা চলে। শিৱসাগৰলৈ ৰাওনা হোৱাৰ আগতে ছুই বজাত ৰাজহুৱা সভাত টকাৰ মোনা এটা দিয়া হয়। এই ছুদিন ৺চলিহা, ৺কৃষ্ণ মামা, শ্ৰীগুণগোবিন্দ দত্ত, শ্ৰীদেবেশ্বৰ শৰ্ম্মা প্ৰভৃতি কৰ্ম্মীয়ে এটা মোনা দিবলৈ যত্ন কৰিব লগীয়া হৈছিল।

যোৰহাটৰ কাৰ্য্যক্ৰমৰ পাছত মহাত্মাই শিৱসাগৰলৈ ৰাওনা হ'ল আৰু আমি কিছুমান বস্তু-বাহানি লৈ আগবাঢ়িব লগা হ'ল। শিৱসাগৰলৈ যোৱাৰ বাটত কেৱল জাজাত কাৰ্য্যক্ৰম থাকিলেও মাজতে কেইবা ঠাইতো গঞা ৰাইজে বাটত জুম পাতি ৰৈ আছিল। আমাৰ মনত প্ৰশ্ন হৈছিল— মহাত্মা এইবিলাকত ৰব জানো? গধূলি পাঁচ বজাত শিৱসাগৰত সভা।

যি হওক, নিৰ্দ্দিষ্ট সময়ত মহাত্মা শিৱসাগৰ পালেহি আৰু হাইস্কুলৰ সমুখৰ খেল-পথাৰত বহা ৰাজহুৱা সভালৈকে আহিল। ইয়াতো কৰ্ম্মীসকলে টকাৰ মোনা এটাৰ দিহা কৰি থৈছিল। ৺তাৰাপ্ৰসাদ চলিহাৰ বঙলাতেই মহাত্মাৰ থকা ঠাইৰ ব্যৱস্থা আছিল।

তেজপুৰত মহাত্মাই চাহ-বাগিছাৰ পৰা ওলোৱা বনুৱা সম্পৰ্কে যিবোৰ সমস্যা আলোচনা কৰিছিল সেই সমস্যা যোৰহাটত আৰু শিৱসাগৰতো কৰ্ম্মীসকলৰ লগত আলোচনা কৰিছিল। ৺সোণাৰাম দত্তই এই ক্ষেত্ৰত কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত মহাত্মাই কলে—"এইসকল লোক থকা গাৱঁত থিতাপি লগাই বহা—তেওঁলোকৰ মনলৈ এটা বিশ্বাসৰ ভাব আনা। আজি কৰ্ম্মীসকলৰ মনলৈ এটা সংশয়ৰ ভাব আহিছে—তেওঁলোকৰ ভৰণ-পোষণৰ দিহা কোনে কৰিব? এই সংশয় হোৱাৰ গুৰিত নগৰৰ মানসিকতা— এই মানসিকতা এৰি গাওঁত বহি ললে এই সংশয়ৰ কোনো কাৰণ নাই।"

এপ্ৰিলৰ ১৯ তাৰিখৰ পুৱা সাৰে সাত বজাত আমি শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ ৰাওনা হলো। প্ৰায় সাতমান বজাত ৺খানবাহাদুৰ খিজনুৰ আলি ( মৌলানা তৈয়বুল্লাৰ শহুৰেক ) নিজৰ গাড়ী লৈ আহি উপস্থিত হ'ল। ডিব্ৰুগড়লৈ যোৱা এই বাটছোৱা তেখেতৰ গাড়ীত যাব লাগে। আমি

সেইখন গাড়ীকেই ললো। আন এখনত মালবস্তু আৰু আনসকল উঠিল। মোক ঠক্কৰ বাপাই কলে—"আজি তুমি এইখন গাড়ীত থাকিব লাগিব।" কাৰ্য্যক্ৰম ডিমৌ, ছেপন মৰাণ, খোৱাং, বৰবৰুৱা গাওঁ, প্ৰত্যেক ঠাইত দহ মিনিট। গাড়ীত উঠিবৰ আগতে প্ৰত্যেক ঠাইৰ দূৰত্ব মহাত্মাই সুধি ললে আৰু পাছৰ ছিটত শুই পৰিল। ঠক্কৰ বাপা আৰু মই আগৰ ছিটত বহিব লগীয়া হ'ল। এটা কথাত আচৰিত হলো। ডিমৌ পাওঁ পাওঁ হৈছো। গাড়ী নৌৰওঁতেই মহাত্মা উঠি বহিল। মনতে ভাবিলো, মহাত্মাই শুই থাকি দূৰত্বৰ হিচাব কেনেকৈ ৰাখিছে? প্ৰত্যেক ঠাইতে এইদৰে লক্ষ্য কৰি আচৰিত হৈছিলো। ডিমৌ, খোৱাং আৰু বৰবৰুৱাৰ বাহিৰে আন ঠাইত জনতা নিচেই তাকৰ হৈছিল। ড্ৰাইভাৰে শিৱসাগৰলৈ উভতিবলৈ বিদায় লওঁতে তেওঁক মহাত্মাই অলপ মিছিৰি দি ভালকৈ গাড়ী চলোৱাৰ শলাগ ললে।

প্ৰায় চাৰে দহমান বাজিব ধৰোঁতে আমি ডিব্ৰুগড় পালোহি। থকা ঠাই ৺ৰজনীনাথ বৰদলৈৰ ঘৰ। গোশালাৰ সমুখত। সেই ঘৰটো ৺প্ৰসন্নকুমাৰ বৰুৱাই কিনি লৈছিল। সেই সময়ত সেই ঘৰটো খালি পৰি আছিল। যি হওক, থকা খোটালীত সোমায়েই কলে, "যোৱা, গা-ধোৱা ঘৰটো চোৱাগৈ।" যোৰহাটৰ দৰে ইয়াতো কিবা ত্ৰুটি হৈছে নেকি ভাবি চালোগৈ। সোমাই দেখো—বন্দবস্ত সকলো আছে, কেৱল তুৱাৰখন জপোৱাৰ ব্যৱস্থাত ত্ৰুটি আছিল। মহাত্মাই হাঁহি হাঁহি কলে—"কৌতূহলী জনতাই মোক গা-ধোৱা ঘৰতো আজৰি দিবলৈ মন নকৰে।"

—"আমাৰ ইয়াত বোধ কৰো তেনে আচৰণ নকৰিব।" যি হওক, ততালিকে মিস্ত্ৰি মতাই ব্যৱস্থা শুধৰাব লগা হ'ল।

* * * *

অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে প্ৰকাশ কৰা কানি তদন্ত কমিটিৰ ৰিপোৰ্টখনৰ সম্পৰ্কে কেইবা ঠাইতো মহাত্মাই আলোচনা কৰিছিল---গুৱাহাটি, যোৰহাটৰ পিছত ডিব্ৰুগড়ত আকৌ এই সম্পৰ্কে আলোচনা হ'ল। কাৰণ লক্ষীমপুৰ জিলাখনতেই কানিৰ প্ৰচলন আটাইতকৈ সৰহ আছিল। চাহবাগিছাৰ বনুৱাৰ মাজতো এই অভ্যাস থকাত এই সমস্যাটো জটিল হৈছিল। মহামতি এণ্ড্ৰুজে মহাত্মাৰ পৰামৰ্শতে অসমলৈ আহি ডিব্ৰুগড়ত ৺ৰজনীনাথ বৰুৱাৰ ঘৰত থাকি অসম কংগ্ৰেছে পাতি দিয়া কমিটিৰ লগত কাম কৰিছিল। শ্ৰীনীলমণি ফুকনে এই সম্পৰ্কে আলোচনা কৰিবলৈ মহাত্মাৰ লগত দেখা

কৰিলেহি। তেওঁৰ বাহিৰেও অনুসূচীত জাতিৰ অনুষ্ঠানৰ ফালৰ পৰা শ্ৰীচিদানন্দ দাস আহিছিল।

ডুপৰায়া মৌলবী ফিজনুৰ আলিয়ে আহি এটা সমস্যাৰ কথা জনালে। লক্ষীমপুৰ জিলাৰ ডেপুটি কমিচনাৰ ফ্লেচাৰ চাহাবে মহাত্মাৰ লগত দেখা কৰিবলৈ গভৰ্ণমেণ্টৰ অনুমতি বিচাৰিছিল। কিন্তু গভৰ্ণমেণ্টৰ অনুমতি নোপোৱাত বিমোৰত পৰিছে। তেওঁৰ সহধৰ্ম্মিণী মিছেচ ফ্লেচাৰে এটা প্ৰস্তাব দিছে—"মই আজি আবেলি এখন চাহমেল পাতি মহাত্মাক নিমন্ত্ৰণ কৰিবলৈ বিচাৰো— তেওঁ আহিবনে?" কথাষাৰ মহাত্মাক জনাব লগীয়া হ'ল। মহাত্মাই কি কৰে আমাৰ সকলোৰে কৌতূহলী মন। পাছে মহাত্মাই হাঁহি কলে—"বাৰু যাম, পাছে মই চাহ নাইবা আন একো নাখাওঁ। মহিলাৰ নিমন্ত্ৰণ—এৰাব নোৱাৰি।" মহাত্মাৰ লগত কেৱল ঠক্কৰ বাপা আৰু মীৰাবেন যোৱাটো স্থিৰ হ'ল।

ডিব্ৰুগড়ত এখন ডাঙৰ সভা হ'ল। ৺লক্ষেশ্বৰ বৰুৱা, ৺যোগেশচন্দ্ৰ গোহাঁই, ৰজনীনাথ বৰদলৈকে আদি কৰি সকলো কৰ্ম্মীৰ যত্নত টকাৰ মোনা এটা দিয়াৰ ব্যৱস্থা হ'ল। সভাৰ পাছত গধূলি মহাত্মাক ফ্লেচাৰ চাহাবৰ বঙলালৈ নিয়া হ'ল। আমি বাহৰলৈ উভতি আহিলো। মহাত্মাৰ লগৰ এজনে কলে— "আমি চাহৰ দাজ্যলৈ আহিছো—চাহৰ নমুনা নিব পাৰিমনে?" শ্ৰীধীৰেন্দ্ৰনাথ আগৰৱালাক জনোৱাত তৎক্ষণাতে ৬টা ভাল এফ, ও, পি, চাহৰ পেকেট পঠালে।

২০ তাৰিখে ৰাতিপুৱা চাৰে সাত বজাত আমি তিনিচুকীয়ালৈ ওলালো। ব'হাগ মাহ হলেও পুৱা অলপ কুৱলী আছিল আৰু ৰদ ওলোৱাত মহাত্মাই গাড়ীৰ গুডখন ডাঙিবলৈ কলে। সিদিনাও আগৰ দিনাৰ দৰে একে ব্যৱস্থা হ'ল—অৰ্থাৎ মই মহাত্মাৰ গাড়ীখনত যাব লগীয়া হ'ল।

বাগানবিলাকৰ মাজেদি গৈ আছো। বাগানৰ বনুৱাবিলাক কামলৈ ওলাইছে। মহাত্মাই দীঘলদি নোশোৱাকৈ বহি গৈছে। বোধ কৰো বনুৱাসকলৰ কথাই তেওঁৰ মনলৈ আহি আছিল। এনেতে এটা কপৌ চৰাই আহি মহাত্মাৰ কোঁচত সোমাল ভয়ত লেতুসেতু হৈ আছিল। মহাত্মাই লাহেকৈ ধৰি এৰি দিলে। শান্তিৰ নিদৰ্শন কপৌৱে যেন বিশ্বশান্তিৰ দূতৰ ওচৰত নিজেই ধৰা দিছিলহি।

নও বজাত আমি তিনিচুকীয়া পালোহি। তিনিচুকীয়াত থকাৰ ব্যৱস্থা হৈছিল ৺ ডাক্তৰ কমলচন্দ্ৰ দত্তৰ ঘৰত। দেখো, সেই কথাষাৰৰ লৈ দুটা দল

হৈছে। ৺সোমেশ্বৰ বৰুৱাৰ ঘৰলৈ অহাত কেইবাজনো কংগ্ৰেছৰ লগত সহযোগিতা কৰা সদাগৰ বন্ধুৱে আহি তেওঁলোকৰ সমস্যা জনালেহি। ৰাজহুৱা সভাতো কিবা গোলমাল হ'ব আশঙ্কা হ'ল। যি হওক, সভা বৰ ডাঙৰ হৈছিল, বোধকৰো অসমত মহাত্মাৰ ভ্ৰমণত হোৱা সভা বিলাকৰ ভিতৰত ডিব্ৰুগড় আৰু তিনিচুকীয়াতেই জনতা ডাঙৰ হৈছিল। মাৰ্ঘেৰিটা, ডিগবই, তালাপ, মাকুম—সকলো ঠাইৰে পৰা মানুহ ট্ৰেইনেৰে আহি ভৰি পাৰিছিল। চাহ-বনুৱাৰ সংখ্যাও সৰহ আছিল। যি হওক, আনটো দলৰ লগত কথা হৈ স্থিৰ হ'ল যে তেওঁলোকৰ নিৰ্দ্ধাৰিত ঠাইলৈকো মহাত্মা এইখন সভাৰ পাছত যাব আৰু তেওঁলোকেও মহাত্মাক এটা ধনৰ মোনা দিব আৰু মহাত্মাৰ বাবে গধূলিৰ আহাৰৰ ব্যৱস্থা তেওঁলোকে কৰিব দলৰ আন সকলোৰে সেই সন্ধ্যা খোৱাৰ ব্যৱস্থা তেওঁলোকেই ট্ৰেইনতে দিবহি। সভাৰ পিছত আমি বস্তু-বাহানি লৈ ষ্টেচনলৈ আহিলো আৰু মহাত্মাৰ বাবে নিৰ্দ্ধাৰিত তৃতীয় শ্ৰেণীৰ গাড়ীত উঠিলোহি। সভাৰ পাছত সময় বৰ কম আছিল—পাছলৈ ৰাওনা হোৱা ট্ৰেইনৰ সময় আছিল সাত বজাত। যি হওক, টকাৰ মোনা লৈ মহাত্মা যথাসময়ত আহি পালে আৰু ট্ৰেইনো এৰি দিলে।

২১ তাৰিখে পাণ্ডু ট্ৰেইনত। সেইদিনাই মোৰ বাবে শেষ দিন—মহাত্মাক ইমান ওচৰা-ওচৰিকৈ পোৱাৰ সৌভাগ্যৰ অন্ত পাবৰ। এটা চুকত বহি আছো। মহাত্মাৰ জীৱনৰ কথাবিলাকেই মনলৈ আহিছে। দক্ষিণ আফ্ৰিকাৰ কথা। অকল ইংৰাজেই নহয়, আমাৰ নিজা মানুহেও এই চুটি চাপৰ মানুহ জনৰ শৰীৰত কেনেকৈ আঘাত কৰিছে—অথচ কিদৰে অহিংসাৰ ভাবেৰে সকলো অত্যাচাৰ তেওঁ হাঁহিমুখে বৰণ কৰি লৈছে।

ষ্টেচনত গাড়ী ৰখালে জনতা আৰু মহাত্মাৰ হৰিজনৰ বাবে ভিক্ষা। কি ঐকান্তিকতা! গুৱাহাটী ষ্টেচন পালোহি।

—"ইয়াতেই তোমাৰ দায়িত্ব শেষ হোৱা নাই—এতিয়াও পাণ্ডু পোৱা নাই।"

এইদৰে পাণ্ডু পালোহি। পাণ্ডুত মহাত্মাৰ পৰা বিদায় লবলগীয়া হ'ল। ধন তোলাৰ হিচাপ পোৱা হ'ল—কুৰি হেজাৰ টকা এই কেইদিনত মহাত্মাই অসমত সংগ্ৰহ কৰিলে।

৺ডাক্তৰ দাস, ৺ডাক্তৰ বৰুৱাইতৰ লগত উভটিলো—জীৱনৰ এটা পৱিত্ৰ স্মৃতি লৈ। সেই স্মৃতি আজিও মোৰ সজীৱ হৈ আছে।

# সত্যাগ্ৰহৰ কাহিনী

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী

জৰ্ম্মান যুদ্ধ চলি থকা সময়তে ভাৰতবৰ্ষত দুটা প্ৰধান ঘটনা ঘটিছিল। প্ৰথমটোৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে। সেইটো হ'ল মণ্টেগু-চেমচ্‌ফোৰ্ড শাসন সংস্কাৰ। দ্বিতীয়টো হ'ল ৰাওলাট কমিচন নিযুক্তি। এই কমিচন নিযুক্তিৰ উদ্দেশ্য আছিল তদন্তক্ৰমে দেশত কেনেকৈ সন্ত্ৰাসমূলক কাম বন্ধ কৰিব পাৰি তাৰে অনুমোদন বিচৰা। এই কমিচনে প্ৰতিবেদনত ভাৰতবৰ্ষৰ সন্ত্ৰাসমূলক অনুষ্ঠানসমূহে ভাৰতত আৰু ভাৰতৰ বাহিৰত ক'ত কেনেদৰে প্ৰচলিত শাসন ব্যৱস্থা উচ্ছেদ কৰিবলৈ চেষ্টা চলাইছিল তাৰে সমু বিৱৰণ লিপিবদ্ধ কৰিছিল। আৰু কমিচনে ভাবিছিল যে যদি তেওঁলোকৰ অনুমোদন সমূহ চৰকাৰে গ্ৰহণ কৰে তেনেহলে সন্ত্ৰাসমূলক কামবিলাকৰ পৰিসমাপ্তি ঘটিব।

সকলোদেশতে জাতীয় চৰকাৰে যুদ্ধ লাগলে দেশত ষড়যন্ত্ৰমূলক কাম-কাজ বিলাক বন্ধ কৰিবৰ বাবে নাইবা গুপ্তচৰৰ কাৰ্য্যকলাপৰ প্ৰতিবন্ধক সৃষ্টি কৰিবলৈ বিশেষ প্ৰতিৰক্ষা আইন প্ৰণয়ন কৰে আৰু সেই আইনৰ বলত সন্দেহক্ৰমে বিচাৰৰ বাবে হাজিৰ নকৰাকৈয়ে বিনাবিচাৰে মানুহক আটক কৰি ৰাখিব পাৰে। সেই সময়ত ভাৰতবৰ্ষতো চৰকাৰে তেনে আইন প্ৰয়োগ কৰিছিল। কিন্তু যিহেতুকে ভাৰতবৰ্ষত সেইসময়ত জাতীয় চৰকাৰ নাছিল সেই কাৰণে সেই সময়ৰ চৰকাৰে সেই আইনৰ অবাধ প্ৰয়োগৰ দ্বাৰা যেই সেই মানুহৰ ওপৰত অত্যাচাৰ অনাচাৰ চলাইছিল আৰু মানুহক যুদ্ধৰ বাবে আৰ্থিক সাহায্য দিবলৈ আৰু সৈন্যদলত ভুক্ত হবলৈ বাধ্য কৰিছিল। ফলত দেশত বিক্ষোভৰ সৃষ্টি হৈছিল। পঞ্জাবত সেইসময়ত মাইকেল অ'ডায়াৰ নামে এগৰাকী ক্ষমতাশালী জঙ্গী লেঃ গৱৰ্ণৰ আছিল। তেওঁৰ শাসনত পঞ্জাবত এই আইন ব্যাপকভাৱে কাৰ্য্যকৰী কৰা হৈছিল আৰু সেই কাৰণেই তাত বিক্ষোভৰ মাত্ৰাও বাঢ়িছিল।

ৰাওলাট কমিচন যুদ্ধকালীন সময়তে নিয়োগ কৰা হলেও যুদ্ধ শেষ

হোৱাৰ পিছতহে প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনত ভাৰত ৰক্ষা আইনৰ কিছুমান গুৰুতৰ আপত্তিজনক ধাৰা চিৰস্থায়ী কৰাৰ বাবে অনুমোদন কৰা হৈছিল। সেই অনুসৰি চৰকাৰে এখন বিল ইম্পিৰিয়েল কাউন্সিলত ডাঙ্গি ধৰিলে। সেই সময়ত চৰকাৰে দুটা উদ্দেশ্য লৈ কামত আগ বাঢ়িছিল। এফালে যিসকলে স্বৰাজৰ দাবী কৰিছিল সেই সকলক শাসন সংস্কাৰৰ আশা দি হাত কৰিবলৈ আৰু যিসকলে গোলমাল কৰিব সম্ভাৱনা আছিল সেই সকলক কঠোৰ ভাবে দমন কৰিবলৈ দুমুখীয়া নীতি লৈছিল। এই নীতি অনুসৰণ ক্ৰমেই মণ্টেগু-চেমচ্‌ফোৰ্ড শাসন সংস্কাৰ আৰু ৰাওলাট বিল একেলগে উত্থাপন কৰা হৈছিল। শাসন সংস্কাৰ সম্পৰ্কত মতদ্বৈধ থাকিলেও ৰাওলাট আইনৰ অনুমোদন ক্ৰমে যি বিল ডাঙি ধৰা হৈছিল তাত সকলোৱে একবাক্যে ঘোৰ আপত্তি জনালে। এই বিলখন ‘ক’লা বিল’ ( Black Bill ) নামে অভিহিত হৈছিল। পণ্ডিত জৱাহৰলাল নেহৰুৱে এই বিলখনক “না দলিল, না ভকিল, না আপীল” নামে বৰ্ণনা কৰিছিল। ধাৰপন্থী, উগ্ৰপন্থী আৰু সন্ত্ৰাসবাদী সকলোৱে এই বিলৰ তীব্ৰ বিৰোধিতা কৰিছিল।

তেতিয়া ইম্পিৰিয়েল কাউন্সিলত নিৰ্ব্বাচিত প্ৰতিনিধিৰ সংখ্যা তেনেই তাকৰ আছিল। কাউন্সিলৰ সৰহভাগ সদস্যই চৰকাৰী চাকৰিয়াল নাইবা চৰকাৰৰ মনোনীত লোক আছিল। নিৰ্ব্বাচিত প্ৰতিনিধি আটাইবিলাকেই এই বিলৰ বিৰোধিতা কৰিছিল। গোটেই ভাৰতবৰ্ষৰ মানুহে ধৰি ধৰিলে যে ইংৰাজক যুদ্ধত ধনে প্ৰাণে সহায় কৰাৰ এয়ে পুৰস্কাৰ। কোনো প্ৰতিবাদলৈ চৰকাৰে ভ্ৰূক্ষেপ নকৰিলে আৰু সকলোৱে বুজিব পাৰিলে যে চৰকাৰে সেই বিল পাচ কৰিবলৈ কৃতসংকল্প। মহাত্মা গান্ধী তেতিয়া নৰিয়াৰ পৰা উপশম পাইছিল। তেওঁ চৰকাৰৰ এই কাৰ্য্যত মৰ্ম্মান্তিক বেজাৰ পালে আৰু এই বিলৰ তীব্ৰ প্ৰতিবাদ কৰিলে। আইনত প্ৰতিবাদ প্ৰতিবাদতেই শেষ হৈছিল, কিন্তু গান্ধীজীৰ প্ৰতিবাদ কেৱল প্ৰতিবাদতেই শেষ নহৈ তাক ফলপ্ৰদ কৰিবলৈ কেনেকৈ কাৰ্য্যকৰী পন্থা গ্ৰহণ কৰি সেই আইন নাকচ কৰিব পাৰি সেই বিষয়ে আগ বাঢ়িছিল। গান্ধীজীয়ে বহুতো ৰাজহুৱা সভা পাতি ৰাওলাট বিলৰ তাৎপৰ্য্য বুজাই দি যাতে সেই বিল আইনত পৰিণত হব নোৱাৰে তাৰ বাবে কি কাৰ্য্যকৰী পন্থা গ্ৰহণ কৰিব পাৰি সেই বিষয়ে পৰামৰ্শ আগ বঢ়াইছিল। গান্ধীজীৰ সেই কাৰ্য্যৰ দ্বাৰা গোটেই দেশতে এটা অভূতপূৰ্ব্ব বিৰাট জাগৰণৰ সৃষ্টি হৈছিল।

কিন্তু চৰকাৰ অচল অটল হৈয়ে থাকিল। তেতিয়া গান্ধীজীয়ে নিৰ্দ্দেশ দিলে যে চৰকাৰে তেনে আইন পাছ কৰিলেও সেই আইন ভাৰতবৰ্ষৰ সকলো লোকে স্বেচ্ছায় অমান্য কৰিব আৰু যিসকলে এই নিৰ্দ্দেশ মানি কাম কৰিবলৈ ৰাজী আছিল তেওঁলোকে সেই মৰ্ম্মে এখন প্ৰতিজ্ঞা-পত্ৰত চহী কৰি সম্মতি দিব লাগিব। দলে দলে মানুহে প্ৰতিজ্ঞা-পত্ৰত চহী দি মহাত্মাৰ নিৰ্দ্দেশ মানিবলৈ সম্মতি জনালে।

গান্ধীজী ভাৰতবৰ্ষলৈ উভতি অহাৰ পিছত প্ৰথমবাৰৰ কাৰণে তেওঁ আইন অমান্য কৰিবলৈ কাৰ্য্যকৰী পন্থাৰ দ্বাৰা আহ্বান দিলে। ৰাওলাট আইন অমান্য কৰা সহজসাধ্য নাছিল। তাৰ ধাৰাবিলাক সহজে নাকচ কৰিব পৰা বিধৰ নাছিল। গতিকে গান্ধীজীয়ে প্ৰতিজ্ঞা-পত্ৰখন ৰচনা কৰোঁতে এইটোও উল্লেখ কৰিছিল যে ৰাওলাট আইন অমান্য কৰাৰ লগে লগে সত্যাগ্ৰহ কমিটিৰ নিৰ্দ্দেশক্ৰমে অইন অইন আইনো প্ৰয়োজন হলে অমান্য কৰিব লাগিব। সেই উদ্দেশ্যে গান্ধীজীয়ে এখন সত্যাগ্ৰহ সভা গঠন কৰি দিলে।

দেশত নব যুগৰ সূচনা হ'ল, কিন্তু যিসকলে ৰাওলাট আইনৰ ঘোৰ প্ৰতিবাদ জনাইছিল তাৰ ভিতৰতো বহুতে গান্ধীজীৰ আইন অমান্য কাৰ্য্যক্ৰমত সমৰ্থন নজনালে। ইয়াকে সূত্ৰ কৰি যিসকলে ভাৰতৰ ৰাজনীতিত গঢ় দিছিল সেই নেতাসকলৰ আৰু গান্ধীজীৰ মাজত মতভেদ হ'লত কংগ্ৰেছত অনৈক্যই দেখা দিলে। মণ্টেগু-চেমচ্‌ফোৰ্ড শাসন সংস্কাৰক কেন্দ্ৰ কৰি কংগ্ৰেছত যি মতভেদৰ সৃষ্টি হৈছিল, গান্ধীজীৰ সত্যাগ্ৰহৰ কাৰ্য্যক্ৰমত সেইটোৱে স্পষ্ট আৰু দৃঢ় হৈ উঠিল। গান্ধীজীয়ে দেশবাসীৰ প্ৰতি এটা দিন নিৰ্দ্দিষ্ট কৰি দিলে। সেইদিনত সকলোৱে উপবাসে থাকিব লাগিছিল, সাধাৰণ দৈনন্দিন কাজ-কাম বন্ধ কৰিব লাগিছিল ৰাজহুৱা সভা পাতি শোভাযাত্ৰা আদিৰ যোগেদি ৰাওলাট আইনৰ প্ৰতিবাদ জনাইছিল। তেওঁৰ সেই কাৰ্য্যক্ৰম আত্মশুদ্ধিৰ বাবে ধাৰ্য্য কৰা হৈছিল। গান্ধীজীয়ে সেই কাৰ্য্যক্ৰম সম্পূৰ্ণ অহিংসভাৱে কাৰ্য্যকৰী কৰাৰ ওপৰত গুৰুত্ব দিছিল। নিজ নিজ ধৰ্ম্ম-বিশ্বাস অনুযায়ী সকলোকে নিজ নিজ ধৰ্ম্ম-মন্দিৰত উপাসনা কৰিবলৈ কোৱা হৈছিল। কিন্তু ঘটনাক্ৰমে বাতৰি কাকতৰ গোলমালৰ কাৰণে সেই দিনটো দুদিন পালন কৰা হৈছিল, কোনো কোনো ঠাইত এসপ্তাহ আগত আৰু কোনো কোনো ঠাইত এসপ্তাহ পিছত।

সেইকালত সত্যাগ্ৰহৰ বাণী ভাৰতৰ কাৰণে নতুন আছিল। তেতিয়ালৈকে স্বৰাজৰ দাবী কেৱল প্ৰস্তাৱত আৰু বাতৰি কাকতৰ বিবৃতিতে আবদ্ধ

আছিল। বঙ্গভঙ্গ ৰদ কৰিবৰ বাবে কৰা আন্দোলনত বৃটিছ পণ্য বৰ্জ্জন আৰু স্বদেশী গ্ৰহণৰ আন্দোলন হৈছিল। কিন্তু সেই আন্দোলন কেৱল সেই উদ্দেশ্য সাধনৰ ক্ষেত্ৰতহে ব্যৱহৃত হৈছিল। আৰু বঙ্গভঙ্গ আন্দোলনৰ পৰিসমাপ্তিৰ লগে লগে সেই আন্দোলনৰো পৰিসমাপ্তি ঘটিছিল। বিপ্লৱীসকলৰ ভিতৰত উগ্ৰপন্থীসকলে সন্ত্ৰাসবাদী আন্দোলনত যোগ দিলে আৰু যিবিলাক ইংৰাজ আৰু ভাৰতীয় কৰ্ম্মচাৰীয়ে সেই আন্দোলন দমন কৰিবলৈ কঠোৰতাৰ আশ্ৰয় লৈছিল সেইসকলক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰাত লাগিছিল। সেই উদ্দেশ্যে তেওঁলোক 'বোমা' তৈয়াৰ কৰাত লাগিল, পিস্তল সংগ্ৰহ কৰিলে আৰু য'তে যেনেকৈ পাৰে মাৰণাত্মক অস্ত্ৰশস্ত্ৰ সংগ্ৰহ কৰিবলৈ ধৰিলে। কিছুমান লোকে গোপনে তেওঁলোকক আৰ্থিক সাহায্যও দিছিল। বিপ্লৱীসকলে ব্যাপকভাৱে ডকাইতি আৰম্ভ কৰি তাৰ পৰা অৰ্থ সংগ্ৰহৰ চেষ্টা চলাইছিল। কেৱল যুৱকসকলেহে সেই দলত ভুক্ত হব পাৰিছিল। এই দলে অতি গুপ্তভাৱে কাম কৰিব লগীয়া হৈছিল। গতিকে দলৰ সংখ্যা বৃদ্ধি কৰিবলৈ নাইবা জনসাধাৰণৰ সহায় সমৰ্থন লাভ কৰিবৰ বাবে কোনো কাম এই দলে মুকলিভাৱে কৰিব নোৱাৰিছিল। কিন্তু যিসকলে তাত যোগ দিছিল তেওঁলোকে অতি কঠোৰ আৰু দৃঢ়ভাৱে দলৰ কামত মনোনিবেশ কৰিছিল আৰু সদায় তেওঁলোকে মৃত্যুৰ সন্মুখীন হৈ কাম কৰিব লাগিছিল। বহুতকে গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়া হৈছিল। বহুতেই ফাচীৰ মঞ্চত আত্মাহুতি দিব লাগিছিল আৰু বহুতেই যাবজ্জীৱন দ্বীপান্তৰ আৰু দীঘ কাৰাবাস ভোগ কৰিব লগীয়া হৈছিল।

এই দলৰ দুৰ্ব্বলতা আছিল এইটো যে যেতিয়াই কোনো ঘটনা সংক্ৰান্ত কিছুলোকক গ্ৰেপ্তাৰ কৰি বিচাৰৰ বাবে হাজিৰ কৰা হৈছিল তেতিয়াই তাৰে কেইজনমানে স্বীকাৰোক্তি কৰি বাকীবিলাকৰ বিৰুদ্ধে মোকৰ্দ্দমাত পুলিচক সহায় কৰিছিল। সেইবিলাক হোৱা স্বত্বেও আদালতত হোৱা মোকৰ্দ্দমাত আচামী-পক্ষক সমৰ্থন কৰি মোকৰ্দ্দমাবিলাকৰ জোৰেৰে তদবিৰ কৰা হৈছিল।

গান্ধীজীয়ে যি কৰ্ম্মপন্থা ৰাইজৰ আগত ডাঙ্গি ধৰিলে সেই পথ উপৰোক্ত পথৰ সম্পূৰ্ণ বিপৰীত আছিল। স্বাধীনতা সংগ্ৰামত প্ৰথমবাৰৰ বাবে পৰিলক্ষিত হ'ল যে সেই সংগ্ৰামত কাৰো প্ৰতি কাৰো অন্যায় ভাৱ থাকিব নোৱাৰে। বিৰুদ্ধ পক্ষৰ প্ৰতি অন্যায় কৰাতো দূৰৰ কথা, তেওঁলোকৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱহে পোষণ কৰিব লাগে। কোনো কাম গোপনে কৰিব নোৱাৰে। সকলো কাম মুকলি ভাৱে কৰিব লাগে আৰু তাৰ বাবে দণ্ড দিলে হাঁহি মুখে সানন্দে তাক

গ্ৰহণ কৰিব লাগে। ৰাওলাট আইনৰ প্ৰতিবাদকল্পে হোৱা ৰাজহুৱা সভা-সমিতিত অভূতপূৰ্ব্ব বিৰাট জনসমাগম হৈছিল। তেনে জনসমাগম তাৰ আগতে ৰাজনৈতিক বিষয়লৈ পতা সভাত বিৰল আছিল। জনসাধাৰণৰ অন্তৰত অভুত-পূৰ্ব্ব আশা উদ্দীপনা মানুহে কল্পনাও কৰিব নোৱাৰিছিল। যিসকল লোকে আগৰ নেতাসকলৰ সক্ৰিয় ৰাজনীতিত অসন্তুষ্ট হৈ বহি থাকিব লগীয়া হৈছিল আৰু যিসকল লোকে সন্ত্ৰাসবাদী সকলৰ কাৰ্য্যকলাপো গ্ৰহণ কৰিবলৈ দ্বিধা বোধ কৰি বহি আছিল সেই গোটাইবিলাক লোকেই গান্ধীজীৰ এই কাৰ্য্যক্ৰমত নতুন মাৰ্গ দৰ্শন লাভ কৰিলে—জানিবা গান্ধীজীয়ে সন্মোহনী শক্তিৰে আৱিষ্কাৰ কৰি ভাৰতৰ জনগণৰ হাতত নতুন শক্তিশালী হাতিয়াৰহে দিলে।

৬ এপ্ৰিলত হৰতাল হ'ল। তাৰ পিছত হ'ল শোভাযাত্ৰা আৰু সেই দিনৰ কাৰ্য্যক্ৰমৰ অন্ত পৰিছিল ৰাজহুৱা সভাৰে। গাওঁ-ভূঁই ভাঙি আহি মানুহে তাত যোগ দিছিল। চাৰিওফালে এটা নতুন জীৱন লাভৰ চিন দেখা গৈছিল। কোনো এখন দোকানো ক'তো খোলা নাছিল। কোনো গাড়ী-ঘোৰা ভাবালৈ পোৱা নগৈছিল। খেতিয়কসকলেও হালখতি কৰিছিল। হিন্দুৱে মন্দিৰত ষোড়শোপচাৰে প্ৰাৰ্থনা জনালে, মুছলমানে মছজিদত বিশেষ প্ৰাৰ্থনাৰ আয়োজন কৰিছিল। সকলোৱে শোভাযাত্ৰাত যোগ দিছিল। গোটেই ভাৰতবৰ্ষৰ মানুহে সামূহিক ভাৱে উপবাস ব্ৰত লৈছিল। কিন্তু ঘটনা-ক্ৰমে দিল্লীত এটা ঘটনা ঘটিছিল। গান্ধীজী আহমেদাবাদৰ পৰা দিল্লীলৈ আহিছিল। দিল্লী পাওঁ পাওঁ হওঁতেই তেখেতক চৰকাৰৰ হুকুমতে গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তাৰ পৰা তেখেতক কলৈ লৈ যোৱা হ'ল সেই কথাৰ সম্ভেদ তেখেতৰ লগৰ সঙ্গীসকলকো পুলিচে জানিব নিদিলে। মহাদেৱ দেছাইও তেখেতৰ লগতে আছিল। তেখেতকো একো জানিব দিয়া নহল। মহাদেৱ দেছাই দিল্লীৰ পৰা বোম্বাইলৈ উভতি গ'ল। আৰু তাৰ পৰা ভাৰতৰ বিভিন্ন ঠাইৰ বিশিষ্ট নেতাসকলক ভৱিষ্যৎ কাৰ্য্যসূচী নিৰ্দ্ধাৰণ সম্পৰ্কে আলোচনা কৰিবলৈ বোম্বাইলৈ টেলিগ্ৰামেৰে নিমন্ত্ৰণ জনাইছিল।

তাৰ পিছত কেইবাঠাইতো সজ্ঘৰ্ষ হোৱাৰ বাতৰি পোৱা গৈছিল। কিন্তু ইতিমধ্যে গান্ধীজীক বোম্বাইলৈ ঘূৰাই নি তাতে এৰি দিয়া হৈছিল। বোম্বাইতো সজ্ঘৰ্ষ হৈছিল। কিন্তু গান্ধীজী অহাৰ লগে লগে তাত শান্তি প্ৰৱৰ্ত্তন কৰা হৈছিল।

বোম্বাইৰ পৰা গান্ধীজী ততাতয়াকৈ আহমেদাবাদলৈ গ'ল।

আহমেদাবাদত সজ্ঘৰ্ষই ব্যাপক আকাৰ ধাৰণ কৰিছিল। গান্ধীজী গৈ পোৱাৰ লগে লগে তাতো মৰামৰিৰ উপশম ঘটিছিল, কিন্তু চৰকাৰৰ ফালৰ পৰা তাৰ পিচতো বহুত দিনলৈকে জোৰ-জুলুম চলিল। পৰিস্থিতি কিছু উন্নত হ'লত গান্ধীজী পুনৰ বোম্বাইলৈ উভটি গ'ল। গান্ধীজী বোম্বাইলৈ যোৱাৰ বাটতে ৰেলতে সত্যাগ্ৰহ স্থগিত হৈছে বুলি ঘোষণা কৰিবৰ বাবে এটা বিবৃতি প্ৰস্তুত কৰিছিল। তেখেতে দিল্লী, বোম্বাই, আহমেদাবাদ, পঞ্জাব আৰু আন আন ঠাইত যি ঘটনা ঘটিছিল তাৰ বাবে মৰ্ম্মান্তিক বেদনা পাইছিল। গতিকে ৰেলত সিদ্ধান্ত ললে যে যিহেতুকে দেশবাসীয়ে তেখেতৰ আন্দোলনৰ তাৎপৰ্য্য উপলব্ধি কৰিব পৰা নাই সেইকাৰণে আন্দোলন স্থগিত ৰখাটো উচিত হব।

যিসকলে অহিংস আন্দোলনৰ তাৎপৰ্য্য ভালদৰে বুজিছিল আৰু তাৰ বাবে নিজকে সৰ্ব্বতোভাৱে প্ৰস্তুত কৰি থৈছিল সেইসকলে গান্ধীজীৰ সত্যাগ্ৰহ স্থগিতৰ সিদ্ধান্তত অসন্তুষ্টি প্ৰকাশ কৰিছিল। প্ৰকৃততে সত্যাগ্ৰহ তেতিয়ালৈকে আৰম্ভই কৰা হোৱা নাছিল, আনকি কেনে ৰূপত সত্যাগ্ৰহ আন্দোলন ব্যক্ত হব তাৰো কোনো স্পষ্ট আৰু পৰিষ্কাৰ ইঙ্গিত কোনোৱে পোৱা নাছিল। যিসকলে সত্যাগ্ৰহৰ প্ৰতিজ্ঞা-পত্ৰত চহী কৰিছিল তেওঁলোকে কি কৰিব লাগিব তাৰো বিশেষ ভু ভা পোৱা নাছিল। কেৱল যিসময়ত যি কৰিবৰ বাবে আহ্বান বা নিৰ্দ্দেশ আহিব তাক সৰ্ব্বতোভাৱে পালন কৰিবলৈ নিজকে প্ৰস্তুত কৰি ৰাখিছিল আৰু আদেশ বা নিৰ্দ্দেশলৈ প্ৰতীক্ষা কৰি আছিল। গতিকে গান্ধীজীৰ ঘোষণাৰ লগে লগে সত্যাগ্ৰহৰ বাস্-বতাহ বন্ধ হৈ গ'ল।

তাৰ পিচত এটা বৰ শোকাবহ ঘটনা ঘটিছিল। পঞ্জাবত মানুহৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা হৈছিল আৰু জেনেৰেল ডায়াৰ নামৰ এগৰাকী সামৰিক সেনাপতিৰ হুকুমতে জালিয়ানৱালাবাগত লৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী নিৰ্ব্বিশেষে বহুসংখ্যক মানুহক নিৰ্ম্মমভাৱে গুলিয়াই হত্যা কৰা হৈছিল। এই বাতৰি ভাৰতবৰ্ষৰ অইন ঠাইৰ মানুহে কেইবা-দিনলৈকে পোৱা নাছিল। যেতিয়াই এই অমানুষিক হত্যাকাণ্ডৰ সবিশেষ বাতৰি মানুহৰ কাণত পৰিল মানুহৰ মন উতলা হৈ উঠিল আৰু বৃটিছ শাসনৰ প্ৰতি প্ৰায় ভাগ মানুহৰেই ক্ৰোধ, বিদ্বেষ, ঘৃণা আৰু অশ্ৰদ্ধাই অন্তৰ উপচি পেলালে। এই ঘটনাই স্বৰাজ লাভৰ বাবে ব্যাপক আন্দোলনৰ ভেটি প্ৰতিষ্ঠা কৰিলে।

ঠিক সেই সময়তে বৃটিছ চৰকাৰৰ খিলাফত সম্পৰ্কীয় নীতি আৰু

তেওঁলোকে যিবিলাক প্ৰতিশ্ৰুতি দিছিল সেইবিলাক নমনাৰ বাবে মুছলমান সকলৰ মাজতো বিশেষ জাগৰণৰ সৃষ্টি হৈছিল। পঞ্জাবত ঘটা ঘটনা তদন্ত কৰিবৰ বাবে চৰকাৰে হাণ্টাৰ কমিচন নামে এটি আয়োগ নিযুক্ত কৰিছিল। সেই আয়োগৰ মহাত্মা গান্ধীও এগৰাকী সদস্য আছিল।

খিলাফত কমিটিয়ে গান্ধীজীৰ উপদেশ মানি চৰকাৰৰ লগত অসহযোগৰ প্ৰস্তাৱ ললে। হাণ্টাৰ কমিচন আৰু কংগ্ৰেছে পাতি দিয়া কমিটিৰ প্ৰতিবেদন দাখিল কৰা স্বত্বেও গৱৰ্ণমেণ্টে সেইবিষয়ে ৰাইজৰ অসন্তোষ দূৰ কৰিবৰ কাৰণে কোনো কাৰ্য্যকৰী ব্যৱস্থা নললে। গতিকে এতিয়া কংগ্ৰেছে কি কৰে সেয়ে হ'ল প্ৰশ্ন। পঞ্জাবৰ অমানুষিক ঘটনাৱলীৰ প্ৰতিবাদ কৰিবৰ বাবে কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে ক্ষুব্ধ হৈ উঠিল। খিলাফত সম্পৰ্কে বৃটিছ চৰকাৰে দিয়া প্ৰতিশ্ৰুতিৰ মৰ্য্যাদা নৰখাৰ কাৰণে মুছলমানসকলো চৰকাৰৰ বিৰোধী হৈ উঠিল। গতিকে উভয়ে একলগে লগ লাগি চৰকাৰৰ বিৰুদ্ধে অসহযোগ কৰিব বুলি সিদ্ধান্ত ললে। বাৰাণসীত এই দুয়ো অনুষ্ঠানৰ এখন সভা বহিল। সেই সভাত ১৯২০ চনৰ চেপ্তেম্বৰ মাহত কলিকতাত কংগ্ৰেছৰ এখন বিশেষ অধিবেশন পতাৰ সিদ্ধান্ত লোৱা হ'ল। লালা লাজপৎ ৰায় ঠিক সেই সময়ত বিলাতৰ পৰা ঘূৰি আহি পাইছিল আৰু তেওঁৱেই কলিকতাত বহিবলগীয়া কংগ্ৰেছৰ বিশেষ অধিবেশনৰ সভাপতি নিৰ্ব্বাচিত হ'ল।

মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ যি কাৰ্য্যপন্থা ঠিক কৰিছিল সি এনেধৰণে আছিল:—

(১) কোনো সন্মান বা উপাধি চৰকাৰৰ পৰা গ্ৰহণ কৰিব নালাগে, সকলো উপাধি আৰু সন্মান প্ৰত্যাখ্যান কৰিব লাগে। আগতে এনেবিলাক সন্মান বা উপাধি লাভ কৰা সকলে সেইবিলাক ঘূৰাই দিব লাগে।

(২) বিধান পৰিষদ সমূহ বৰ্জ্জন কৰিব লাগে। নিৰ্ব্বাচনত কোনোৱে প্ৰাৰ্থী হব নালাগে আৰু নিৰ্ব্বাচন সমূহত কোনোৱে অংশ গ্ৰহণ কৰিব নালাগে।

(৩) চৰকাৰী বা যি কোনো চৰকাৰী সাহায্যপ্ৰাপ্ত বা চৰকাৰী স্বীকৃতি-প্ৰাপ্ত শিক্ষানুষ্ঠান সমূহ বৰ্জন কৰিব লাগে আৰু তেনে শিক্ষানুষ্ঠান সমূহত কোনোৱে শিক্ষালাভ কৰিব নালাগে নাইবা তাত কাৰো লৰা-ছোৱালী ভৰ্ত্তি কৰিব নালাগে।

(৪) আইন আদালত সমূহ সম্পূৰ্ণভাৱে বৰ্জন কৰিব লাগে অৰ্থাৎ কোনোৱে কাছাৰীত গৈ মোকৰ্দ্দমা কৰিব নালাগে আৰু সকলো আইন-

ব্যৱসায়ীয়ে ওকালতি কৰাৰ পৰা বিৰত থাকিব লাগে। তাৰ লগত সংযোগ কৰি দিয়া হ'ল গঠনমূলক কাৰ্য্য-পদ্ধতি, যেনে, বিদেশী কাপোৰ বৰ্জ্জন, যঁতৰত সূতাকটাৰ পুনৰ প্ৰচলন, হাতেকটা সূতাৰ আৰু হাতেবোৱা কাপোৰ পৰিধান, জাতীয় শিক্ষাৰ প্ৰচলন আৰু গাৱেঁ গাৱেঁ পঞ্চায়তী আদালত সংগঠন। এনে কাৰ্য্যক্ৰমে গোটেই ভাৰতবৰ্ষ বিয়পি সমালোচনাৰ তৰঙ্গ তুলিলে।

প্ৰায় এনে সময়তে গান্ধীজীয়ে 'ইয়ং ইণ্ডিয়া' কাকতৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰিলে আৰু তাৰ জৰিয়তে প্ৰতি সপ্তাহে তেখেতৰ প্ৰস্তাৱিত কাৰ্যক্ৰমৰ তৎপৰ্য্য বিশ্লেষণ কৰিব ধৰিলে।

বিহাৰ প্ৰদেশ কংগ্ৰেছ কমিটি আৰু গুজৰাট সত্যাগ্ৰহ সভাই কংগ্ৰেছৰ কলিকতা অধিবেশনৰ আগেয়েই গান্ধীজীৰ কাৰ্য্যক্ৰম গ্ৰহণ ক্ৰমে প্ৰস্তাব গ্ৰহণ কৰিলে। পিছত এইবিষয়ে কংগ্ৰেছ অধিবেশনত তুমুল বিতৰ্কৰ সৃষ্টি হৈছিল যে তলতীয়া কমিটি এটাই ওপৰৰ কমিটিৰ নিৰ্দ্দেশ নোপোৱাকৈয়ে তেনেকুৱা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে নে নোৱাৰে। আলোচনাৰ অন্তত সিদ্ধান্ত হৈছিল যে অনুমোদন বিচৰা তেনে প্ৰস্তাৱ শাখা কমিটিয়ে মূলসভাৰ গ্ৰহণৰ বাবে ডাঙি ধৰাত কোনো বাধা থাকিব নোৱাৰে। কংগ্ৰেছৰ কলিকতা অধিবেশনে গান্ধীজীৰ অসহযোগ কাৰ্য্যক্ৰম গ্ৰহণ কৰিলে। তাৰ পিছত অক্টোবৰ মাহৰ আৰম্ভনিতে অখিল ভাৰত কংগ্ৰেছ কমিটিৰ এখন অধিবেশন বোম্বাইত বহিল। তাত কংগ্ৰেছৰ কলিকতা অধিবেশনৰ গৃহীত প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।

( আগলৈ )

# অথ জনপদোধ্বংসনীয়-কথা

**শ্ৰীথানেশ্বৰ শৰ্ম্মা, ভিষগৰত্ন**

একোখন দেশ, নগৰ অঞ্চল, গাওঁ বা একোঘৰ গিৰি যে একে সময়তে ধ্বংস হৈ যায়,—তাৰে কাৰণ, লক্ষণ, আৰু ধ্বংসৰ মুখৰ পৰা পৰিত্ৰাণ পোৱাৰ নো দিহা কি তাকে জীৱৰ প্ৰতি পৰমকাৰুণিক মহৰ্ষি আত্ৰেয়ই কৈ গৈছে—সম্প্ৰতি তাৰে আলোচনালৈ আহোঁ।

ব্ৰাহ্মণ-প্ৰধান পাঞ্চাল দেশৰ ৰাজধানীত শিষ্য সকলৰ দ্বাৰা পৰিবৃত অত্ৰিনন্দন ভগবান পুনৰ্ব্বসুয়ে অগ্নিবেশক কলে,—"বাছা অগ্নিবেশ, বৰ্ত্তমানে গ্ৰহ-নক্ষত্ৰৰ স্থিতিবোৰ নিতান্ত অশুভ স্থানলৈ গত্যান্তৰ কৰিছে। গ্ৰহ, নক্ষত্ৰ, চন্দ্ৰ, সূৰ্য্য, বায়ু, অগ্নি আৰু পাৰিপাৰ্শ্বিক দিক সকল বিকৃত ভাৱাপন্ন যেন লাগি আহিছে। এইবোৰ ঋতুবৈকাৰিক ভাৱ। ঋতু বিপন্ন হ'লে ঔষধি সকলেও যথোপযুক্ত ৰস গুণ বীৰ্য্যবিপাক আৰু প্ৰভাৱ হেৰুৱাব। এই কদৰ্য্য লক্ষণবোৰৰ পৰা ধ'ব লাগিব যে, এই দেশবাসী সকলৰ অচিৰতে ৰোগ প্ৰৱল হৈ মৃত্যুমুখত পৰিব; জনপদ ধ্বংস হৈ যাব। এই ভাবী ৰোগগ্ৰস্ত সকলক, যি সকলে আমাক বিচাৰে—সেই সকলক ৰোগমুক্ত কৰি দিয়াৰ গুৰুদায়িত্ব আমালোকৰ গাতে। এতেকে ৰোগ অহা মাত্ৰে যাতে দেশবাসীক মৃত্যুৰ কবলৰ পৰা বচাব পাৰোঁ তাৰ বাবে,—ভূমিবিৰসী ভাৱাপন্ন হোৱাৰ পূৰ্ব্বতে, ঔষধি সমূহ এতিয়াই এনেভাৱে সংগ্ৰহ কৰি আনা যাতে দেশবাসীক চিকিৎসা আৰু শুশ্ৰূষাৰ দ্বাৰা যথাসম্ভব মৃত্যুকবলৰ পৰা পৰিত্ৰাণ কৰি আমি ধৰ্ম্ম, অৰ্থ আৰু যশস্যা লাভ কৰিব পাৰোঁ।"

গুৰুৰ আদেশ শিৰোধাৰ্য্য কৰি অগ্নিবেশ গুৰুভাই সকলৰ লগত ওলাল আৰু যথাযোগ্য ঔষধি সকল সংগ্ৰহ কৰি আনি যথাযোগ্য ভাবে ৰাখি গুৰুক সাক্ষাৎ কৰিলে। মহৰ্ষিয়ে ঔষধ সংগ্ৰহ কৰাৰ কাৰণে আদেশ কৰাৰ লগতে অগ্নিবেশৰ মনত এটা প্ৰশ্নই খুন্দিয়াই আছিল যে,—দেশবাসী একে সময়তে ৰোগ প্ৰৱল হৈ পৰিব আৰু বহুতো মানুহ একে কালতে ধ্বংস হৈ যাব বুলি যে

গুৰুদেৱে কলে,—ই কেনেকৈ সম্ভৱ হব পাৰে ? প্ৰতিজন মানুহ ওপজে বিভিন্ন কালত, প্ৰতিজন মানুহৰে শৰীৰ, বল, বৰ্ণ, গঠন, প্ৰকৃতি, আহাৰ, আচাৰ, পাৰিপাৰ্শ্বিকতা, সংস্কাৰ, কৰ্ম্ম, জাতি, ধৰ্ম্ম, পিন্ধন, উৰণ, মাত, কথা, সাত্ম্য, সত্ত্ব, বয়স প্ৰতিজনৰে ভিন ভিন। ইমানবোৰ অসামান্য ভাৱ থকা সত্বেও এককালীন একজাতীয় ৰোগত মৃত্যু-সামান্য আহিব কিয় ? এই প্ৰশ্নটোৰ উত্তৰ পাবলৈ উদ্‌গ্ৰীব হৈ থকা অগ্নিবেশে ঔষধি সমূহ সংগ্ৰহ কৰি যথাযোগ্যভাৱে ৰখা বুলি জনোৱাৰ লগতে প্ৰশ্নটোৰ মীমাংসানো কি তাকে শুনিবলৈ গুৰুৰ চৰণত প্ৰাৰ্থনা জনালে।

উত্তৰত মহৰ্ষিয়ে কলে,—"অগ্নিবেশ, তুমি উচিত কালত উচিত প্ৰশ্নয়েই কৰিছা, তাকে কওঁ শুনা,—প্ৰতিজন মানুহৰে আহাৰ, সাত্ম্য, সত্ত্ব, প্ৰকৃতি, বল, বৰ্ণ, বয়স প্ৰভৃতি এজনৰ লগত আনজনৰ বিবিধ বিভিন্নতা থকা সত্বেও এনে কিছুমান ভাৱ বা কাৰণ আছে যি সকল ভাৱৰ বৈগুণ্য হেতু একে কালতে একেজাতীয় ৰোগ আহি জনপদ ধ্বংস কৰে। দেশত বায়ু, জল, দেশ আৰু কাল এই চাৰিটা সাধাৰণ ভাৱ। দেশৰ এই সাধাৰণ ভাৱ ( Common Cause ) চাৰিটা বিকৃত ভাৱাপন্ন হলে সমান জাতীয় ৰোগ আহি একে সময়তে বহুতো মানুহক বিনষ্ট কৰে।"

ইয়াকে শুনি ভগবান আত্ৰেয়ক অগ্নিবেশে পুনৰায় সুধিলে—"হে ভগবান, বায়ু, জল, দেশ, কাল যে বিকৃত ভাৱাপন্ন হৈ জনপদ ধ্বংস কৰিব পাৰে সি সঁচা ; কিন্তু বায়ু প্ৰভৃতিৰ বৈগুণ্য হোৱাৰ মূলত কি ?"

আত্ৰেয়ই কলে *—"বায়ু, জল, দেশ আৰু কাল যে বিকৃত ভাৱাপন্ন হয় তাৰ মূলত অধৰ্ম্ম। সেই অধৰ্ম্ম হয় আকৌ পূৰ্ব্বকৃত অসৎ কৰ্ম্মৰ দ্বাৰা। অসৎ কৰ্ম্ম যে মানুহে কৰে তাৰ মূলত প্ৰজ্ঞাপৰাধ ( প্ৰ=প্ৰকৰ্ষ, জ্ঞা=জ্ঞান, তাৰে অপৰাধ )।

ধীধৃতিস্মৃতি বিভ্ৰষ্টঃ কৰ্ম্মযৎকুৰুতেঽশুভম্
প্ৰজ্ঞাপৰাধং ত্বং বিদ্যাৎ সৰ্ব্বদোষ প্ৰকোপনম্॥

বুদ্ধিভ্ৰষ্ট হৈ, ধৈৰ্য্য হেৰুৱাই নাইবা অনুভূত শাশ্বত জ্ঞান ( স্মৃতি ) ত্যাগ কৰি যি অশুভ কৰ্ম্ম কৰে তাকে বোলা হয় প্ৰজ্ঞাপৰাধ। প্ৰজ্ঞাপৰাধৰ পৰা সৰ্ব্ব দোষ ( বায়ু, পিত্ত, কফ, ৰজোগুণ আৰু তমোগুণ ) প্ৰকোপিত হয়।"

* সৰ্ব্বেষামপ্যগ্নিবেশ, বায়্বাদিনাং যদ্বৈগুণ্যমুৎপদ্যতে তস্য মূলমধৰ্ম্মঃ তন্মূলং বাসৎকৰ্ম্মপূৰ্ব্বকৃতম্ তয়োৰ্যোনিঃ প্ৰজ্ঞাপৰাধ এব।

অগ্নিবেশে সুধিলে, "বাৰু, এজন মানুহে প্ৰজ্ঞাপৰাধ কৰিলে—তাৰ শাস্তি হওক—সি মৰক ; কিন্তু সামূহিক মৃত্যু তাৰ পৰা আহিব কিয় ?"

—"শুনা অগ্নিবেশ,—যদাদেশনগৰনিগমজনপদপ্ৰধানা ধৰ্ম্মমুৎক্ৰম্য অধৰ্ম্মেন প্ৰজাং বৰ্ত্তয়ন্তি, তদাশ্ৰিতোপাশ্ৰিতাঃ পৌৰজনপদা ব্যৱহাৰোপজীবিনশ্চ তমধৰ্ম্মমভিবৰ্দ্ধয়ন্তি। ততঃ সোঽধৰ্ম্মঃ প্ৰসভং ধৰ্ম্মমন্তৰ্দ্ধত্তে। ততস্তেঽন্তৰ্হিতধৰ্ম্মানো দেবতাভিৰপি ত্যজ্যন্তে। তেষাং তথান্তৰ্হিতধৰ্ম্মণামধৰ্ম্মপ্ৰধানানামপক্ৰান্তদেবতানামৃতবো ব্যপদ্যন্তে। তেন নাপো যথাকালং দেবো বৰ্ষতি ন বা বৰ্ষতি, বিকৃতা বা বৰ্ষতি বাতান সম্যগভিবান্তি, ক্ষিতিৰ্ব্যাপদ্যতে সলিলান্যুপশুষ্যন্তি,

ওষধয়ঃ স্বভাবং পৰিহায়াপদ্যন্তে বিকৃতিম্।

ততঃ উদ্ধংসন্তে জনপদাঃ স্পৰ্শাভ্যৱহাৰ্য্য দোষাৎ॥"

( বিমান ৩।২১ শ্লোক )

যেতিয়া কোনো এখন দেশ, নগৰ, অঞ্চল বা গাওঁৰ মানুহৰ মুৰব্বী সকলে ধৰ্ম্মপন্থ পৰিহৰি অধৰ্ম্মৰ দ্বাৰা তলতীয়া সকলক পালন কৰে তেতিয়া তেনে মুৰব্বী লোকসকলৰ আশ্ৰিত আৰু উপাশ্ৰিত লোকসকল আৰু উকীল মোক্তাৰ সকলে সেই অধৰ্ম্মটো ক্ৰমে বৃদ্ধি কৰি থাকে। বৰ্দ্ধিত অধৰ্ম্মই দেশৰ পৰা ধৰ্ম্মক ঠেলি পঠায়। ধৰ্ম্ম দেশৰ পৰা অন্তৰ্হিত হয়। ধৰ্ম্ম অন্তৰ্হিত হোৱা দেশ দেৱতা সকলেও ত্যাগ কৰে। অন্তৰ্হিত ধৰ্ম্ম আৰু দেৱতা সকলৰ দ্বাৰা পৰিত্যক্ত দেশৰ সম্পূৰ্ণ শাসন অধৰ্ম্মৰ জৰিয়তে হৈ উঠে। ফলত সকলোৰে পক্ষে সমান কাৰণ জল-বায়ু-দেশ আৰু কাল কুপিত হৈ ঋতু সকল বিপন্ন হয়। ফলত—অতিবৃষ্টি, অনাবৃষ্টি, অকালবৃষ্টি, প্লাবন আদি দুৰ্যোগ, শস্যাদিৰ নাশ, অভাৱ, অনাটনাদি মৃত্যুবৈকাৰিক ভাৱবোৰ পৰিদৃষ্ট হয়। অবশেষত একে-জাতীয় ৰোগ একে কালতে আহি বহুতো মানুহ বিনষ্ট কৰি দেশ উজাৰ কৰে।

যুদ্ধ বিগ্ৰহ হৈ যে অস্ত্ৰপ্ৰভৱ মৃত্যু-সামান্য আহি বহুতো মানুহে একেকালতে বিনষ্ট হয়, তাৰো মূলত অধৰ্ম্ম। যেতিয়া একোখন দেশ বা একোটা জাতি অতি লোভী, অতি ঈৰ্ষাপৰায়ণ, অতীব অহঙ্কাৰী আৰু মোহগ্ৰস্ত ( মোহ=অবিদ্যা ; দেহত আত্মবুদ্ধি, বুদ্ধিভ্ৰংশ ) হৈ উঠে, তেতিয়া সিহঁতৰ দুষ্প্ৰবৃত্তিবোৰ প্ৰবল হৈ উঠাৰ ফলত তেনে দেশ বা তেনেকুৱা জাতিয়ে অইন জাতিৰ উপৰত অস্ত্ৰেৰে আক্ৰমণ চলায় নাইবা অইন জাতি বা দেশৰ দ্বাৰা নিজেই আক্ৰান্ত হৈ নিজেও মৰে, আত্মীয়-স্বজনকো মাৰে আৰু অইনকো বিনষ্ট কৰে।

মহৰ্ষি আত্ৰেয়ই কৈ যোৱা জনপদোধ্বংসনীয় কোনটো লক্ষণেই নো বৰ্ত্তমান যুগটোত মিলি যোৱা নাই। অষ্টগ্ৰহ সমাবেশাদি অশুভ গ্ৰহ-নক্ষত্ৰ চৰিত, ঘন ঘন ভূমিকম্প, জলপ্লাবনাদিত ধ্বংস কাৰ্য্য।

চীন এটা জাতি—ঈশ্বৰ নাই, ধৰ্ম্ম নাই। "আঢ্যোঽভিজনবানস্মি কোঽন্যোঽস্তি সদৃশো ময়া।"* এবংবিধ অজ্ঞান বিমূঢ় ভাবযুক্ত, মদগৰ্ব্বিত বলীয়ান জাতি চীন। বিশ্বখনৰে অধিকাৰ সিহঁতক লাগে! পাকিস্তান এটা জাতি তদ্ৰূপ মোহগ্ৰস্ত, চীনৰ পৰম মিত্ৰ। মুছলমানৰ বাহিৰে আন জাতিৰ মুখ দেখিলেও সিহঁতৰ গুণাহ্ (পাপ)। নগাহঁতৰ কেইটামান মানুহ, সিহঁতৰ পাকিস্তানৰ লগত কেনে হলি-গলি? কেনে ঔদ্ধত্য।

মহৰ্ষিৰ বাক্যমতে চীন নিজে মৰিব আনকো মাৰিব; পাকিস্তান পৃথিবীৰ অশান্তিৰ কাৰণ হব। নগা কেইটাৰতো কথাযেই নাই। আপ্ত বাক্যবোৰ নিভুল।

"ৰজস্তমোভ্যাং নিৰ্ম্মুক্তাস্তপোজ্ঞান বলেন যে
যেষাং ত্ৰিকালমমলং জ্ঞানমব্যাহতং সদা।
আপ্তা শিষ্টা বিবুদ্ধাস্তে তেষাং বাক্যমসংশয়ম্
সত্যং বক্ষ্যন্তি তে কস্মাদসত্যংনিৰজস্তমঃ॥"

(যিসকল লোকে তপস্যা আৰু জ্ঞানবলৰ দ্বাৰা ৰজোগুণ আৰু তমোগুণৰ পৰা মুক্ত হৈ গৈছে, যিসকল লোকৰ ভূত-ভবিষ্যৎ আৰু বৰ্ত্তমানৰ বিষয়ে নিৰ্ম্মল জ্ঞান আছে, যি সকল পুৰুষৰ জ্ঞানৰ এটা পৰিধি নাই, তেওঁলোককেই বোলা হয় আপ্ত, শিষ্ট আৰু বিবুদ্ধ। তেৰা সকলে সদায় সচা কথাকে কয়। ৰজোগুণ আৰু তমোগুণ ৰহিত যি সকল পুৰুষ, সি সকলৰ অসত্য প্ৰচাৰ কৰাৰ কোনো প্ৰয়োজনেই নাই। গতিকে চীন, পাকিস্তান আৰু নগাসকলৰ সামূহিক ধ্বংস প্ৰকাশ যে পাইছে সি নিৰ্ভুল।

এতিয়া ভাৰতীয় ইতিহাস পৰম্পৰা আজিৰ যুগটোৰ পিনে আহো আৰু কি আছিলো -কি হলো তাৰে এটা সমীক্ষা কৰোহক ঃ--চীনদেশীয় পৰিব্ৰাজক হিওৱেন চাং ভাৰতলৈ আহি নালন্দাত বৌদ্ধধৰ্ম্মত দীক্ষিত হৈছিল। তেখেতে নানাপ্ৰকাৰৰ জ্ঞান-বিজ্ঞান মূলক বহুতো গ্ৰন্থ চীন দেশলৈ লৈ গৈছিল আৰু ভাৰতীয় সংস্কৃতিত মুগ্ধ হৈ লিখি গৈছিল যে, সেই কালৰ ভাৰতীয়ই এৰত বাৰ্ত্তালি সচাৰ নামাৰিছিল, সকলো মানুহ শান্তিপ্ৰিয়,

* গীতা।

জিতেন্দ্ৰিয়, সত্যবাদী, নিৰাময়, দীৰ্ঘজীৱী আৰু ধৰ্ম্মপ্ৰাণ আছিল। গাখীৰ, মাখন, ঘিউ প্ৰভৃতি সমূহ সাত্ত্বিক ভোজন সামগ্ৰী ঘৰে ঘৰে আছিল। আয়ুৰ্ব্বেদ ভাৰতৰ ৰাষ্ট্ৰীয় চিকিৎসা আছিল। সেই হিওয়েন চাঙৰে গুৰুৰ দেশখনত আজি কি ঘটিছে ক্ৰমে তালৈ আহক :—

বিশিষ্টপুণ্য ভাৰতবৰ্ষাখ্য দেশ দুৰ্ভাগ্যক্ৰমে বিদেশীৰ অধীনলৈ আহিল। জাতিৰ পিতা মহাত্মা গান্ধীৰ সত্য আৰু অহিংসা নীতিৰ যোগেদি দেশবাসীৰ অকাতৰে কৰা অশেষ ত্যাগ স্বীকাৰ, নিৰ্য্যাতন বৰণ আনকি বহুতো অমূল্য জীৱনৰ বিনিময়ত ভাৰতৰ অস্তমিত স্বাধীনতা ৰবি পুনঃ উদিত হ'ল। লগতে ভাৰত-মাতৃকাৰ গাত অস্ত্ৰোপচাৰ হৈ দ্বিখণ্ডিত হ'ল—ভাৰত আৰু পাকিস্তান। বহুকালাবধি পৰাধীনতাৰ আবৰ্জ্জনাৰ ধ্বংসস্তূপৰ পৰা বিষবাষ্প উত্থিত হৈ সত্য আৰু অহিংসা ভাৰতৰ পৰা অন্তৰ্হিত হ'ল। বৰ্ত্তমানে ভাৰতৰ পৰা বিদেশে শিকিব লগীয়া, জানিব লগীয়া বা ইয়াৰ পৰা নিব লগীয়া জ্ঞান বিজ্ঞান একো নাই। ভাৰত প্ৰতিপদে পৰমুখাপেক্ষী ( ভাতৰো, কাপোৰৰো )। ভাৰত ঋণগ্ৰস্ত। "ঋণকৰ্ত্তা পিতা শত্ৰুঃ" এই ন্যায় মতে এই পীড়াটো ভবিষ্যৎ বংশধৰ সকলৰ শত্ৰুস্বৰূপ হৈয়ে থাকিব লাগিব। ভাৰতীয় সামাজিক, আৰ্থিক, ধাৰ্ম্মিক আৰু ব্যক্তিগত শান্তিপূৰ্ণ দীৰ্ঘ জীৱনদাতা আয়ুৰ্ব্বেদ আজিৰ ভাৰতত ৰাৱণে হৰি-নিয়া অশোক-বনস্থা সীতাৰদৰে ক্ষীয়মান, ম্ৰিয়মান আৰু লাঞ্ছিত। চাওকচোন অৱস্থা, বৰ্ত্তমানে ভাৰতৰ বিদ্বান বুলি প্ৰসিদ্ধ নগৰ নিগম আৰু জনপদৰ অধ্যক্ষসকলৰ কিমানেই নো দুৰ্নীতিৰ অপৰাধত ন্যায়ালয়ৰ অধীনত—আৰু সেইসকলৰ আশ্ৰিত, উপাশ্ৰিত পুৰজনপদবাসী সকলৰ সৈতে কিমানেইনো সামূহিক ভাবে দুৰ্নীতিৰ যোগেদি দেশৰ ৰাজ-সিংহাসন কঁপাই নু তুলিছে ? চাওকচোন দেশখনৰ পিনে! নিজৰ নিজৰ ন্যায্য দাবী পূৰণৰ বাবে কিমাননো বিক্ষোভ প্ৰদৰ্শন, ধৰ্ম্মঘট, অনশন, কিমাননো ভাষা সমস্যা, সাম্প্ৰদায়িকতা। যেন উতলি অহা ভাতহে, কাৰো ক'তো ৰাখ ৰক্ষা নাই! বৰ্ত্তমানে বাটে ঘাটে শুনিব গুৰু ভেজাল, শিষ্য ভেজাল, শিক্ষক ভেজাল, ছাত্ৰ ভেজাল, ব্ৰাহ্মণ-ক্ষত্ৰিয়-বৈশ্য ভেজাল। হাকিম-উকীল-মোক্কেল ভেজাল, মোকৰ্দ্দমা ভেজাল, বায় বিষয়া ভেজাল, ডাক্তৰ কবিৰাজ ভেজাল, গাখীৰৰ পৰিবৰ্ত্তে চলিছে পাউদাৰ, ঘিউৰ পৰিবৰ্ত্তে ডালডা। বিদ্যা —অধ্যাত্মবিদ্যা বিদ্যানাম্—ভাৰতৰ পৰা বৰ্ত্তমান অন্তৰ্হিত হৈছে। খাই বৈ থকাৰ বাবে কলাবিদ্যা আৰু কাৰিকৰী বিদ্যা অৱশ্যে কিছু চলিছে।

কেবছৰমান আগতে হিওয়েন চাঙৰ পূতাস্থি আনি দলৈ লামাই নালন্দাত ৺নেহেৰুজীৰ হাতত দি গ'ল। হিওয়েন চাং আহিছিল কামৰূপৰ (এতিয়াৰ অসম) মাজেদি খোজ-কাঢ়ি, চিতাভস্ম আহিল এৰোপ্লেনেদি। অস্থি নহৈ যদি হিওয়েন চাঙে সশৰীৰে আহি স্বচক্ষে তেওঁৰ গুৰুৰ দেশ ভাৰত আৰু তেওঁৰ নিজৰ দেশ চীনখনৰ অবাঞ্ছনীয় অধঃপতনটো দেখা পালে হয়—নিশ্চয়ই মুৰ্চ্ছিত হ'ল হয়।

আজিৰ যুগটোৰ বিষয়ে মহাকবি কালিদাসে কৈছে :—

"যদীচ্ছসি বশীকৰ্ত্তুং জগদেকেন কৰ্ম্মণা
উপাস্যতাং কলৌ কল্পলতাদেবী প্ৰতাৰণা।"

এই কলিৰ কালটোত যদি একমাত্ৰ একেটা কৰ্ম্মৰ যোগেদি জগৎখন বশ কৰিব খোজা তেনেহলে কল্পলতা স্বৰূপা প্ৰতাৰণা দেবীৰ উপাসনা কৰা। কথাটো একেবাৰে সত্য বুলি আমালোকৰ গাতে পুৰাইছে। এই কালটোত যেয়ে প্ৰতাৰণা কৰা নাই সেয়ে ন যযৌ ন তস্থৌ অৱস্থাত জীয়াতু ভুঞ্জিছে। তঞ্চক, বঞ্চক, প্ৰতাৰক, প্ৰবঞ্চক, ভেজালকাৰী, জুবাচুৰী সকলৰে আজি ধনে মানে যশস্যাই উটি বুৰি যোৱা। অহিংসা আৰু সত্যৰ উপাসনাত বিভোৰ সকলৰ মাৰ্ঘাত। ভাৰতৰ পক্ষে এইবোৰ সম্পূৰ্ণ জনপদোধ্বংসনীয় লক্ষণ।

হিংসা কাক বোলে, অহিংসায়েই বা কি, তাক বাপুজীয়ে যিখিনি বুজিছিল বৰ্ত্তমানে আমি কিম্বা আমাৰ চৰকাৰেও সিখিনি বুজা নাই বুলিয়ে ভবাৰ যথেষ্ট অৱকাশ আছে। ৰাজ্যৰ স্বাধীনতা বিপ্লবকাৰী লোক এজনক বা জাতি এটাক ধ্বংস কৰি পেলোৱা বুলিয়ে যে হিংসা কৰা হ'ল, তেনে কথা কেতিয়াও হব নোৱাৰে। হিংসা অহিংসাৰ এটা অবধি আছে। বৰ্ত্তমান আমোলত হিংসাকাৰী সকলে উপযুক্ত শাস্তিৰ পৰা প্ৰায়ে ৰেহায়েই পাই আহিছে।

"হিংসা চৈব নকৰ্ত্তব্যা বৈধ হিংসা তু ৰাজসা।"

—কেতিয়াও কাকো হিংসা নকৰিবা; কিন্তু ৰাজ্যৰক্ষাৰ্থে বৈধ হিংসা কৰিবা। এয়ে হিংসাৰ শাস্ত্ৰসম্মত সিদ্ধান্ত। এই নীতিমতে ৬২ চনৰ চীন আক্ৰমণ আৰু অনবৰতে পাকিস্তানে কৰি থকা সীমালঙ্ঘন, লুটপাত, অন্যায় আৰু অত্যাচাৰ পূৰ্ব্বক দেশৰ ক্ষতিসাধন আনকি দেশৰ একখণ্ড ভূভাগ দখল কৰি থকা সত্বেও অহিংস ৰূপ ধৰি বহি থকাতো ভাৰতৰ পক্ষে শাস্ত্ৰবিৰুদ্ধ আচৰণ কৰা হৈছে। গীতাৰ মতে ভাৰতৰ পক্ষে এইটো ক্লৈব্য ভাব হে,—অহিংসা ভাব নহয়। সিহঁতক তন্মুহূৰ্ত্তে নিশ্চিহ্ন কৰি দিয়াটোৱে শাস্ত্ৰোক্ত বিধান

আছিল। সিহঁত আমাৰ আততায়ী*। "আততায়ীনমায়ান্তং হন্যাদেবা বিচাৰয়ন" (আততায়ীক অহা মাত্রে হত্যা কৰিবা। বিচাৰ পৰৰ একো আৱশ্যক নকৰে।) এয়ে শাস্ত্রোক্ত বিধান।

যি কোনো ক্ষেত্ৰতেই নহওক, মকাবিলা বুজাপৰা কৰি যি কোনো বিবাদকেই নিষ্পত্তি কৰি পেলাব পাৰি আৰু মানুহৰ কাৰণে সেইটোৱেই একমাত্র ব্যৱস্থা; কিন্তু ইয়াৰ ভিতৰত উভয় পক্ষৰে হিংসা ভাব একেবাৰে নাথাকিব লাগিব। শঠ মিত্রৰ লগত নতুবা মোহগ্রস্ত সকলৰ মাজত মকাবিলাৰ প্রশ্নয়ে নাই। মকাবিলা কৰি নিষ্পত্তি কৰিবলৈ গৈ কুৰুক্ষেত্র যুদ্ধৰ পূৰ্ব্বে স্বয়ং ভগবান শ্রীকৃষ্ণই বিফলমনোৰথ হৈ ফিৰি আহি কৌৰবৰ লগত ধৰ্ম্মযুদ্ধখন চলালে আৰু কৌৰবৰূপী হিংসাত্মক অসুৰক ধ্বংস কৰি পুনঃ ধৰ্ম্মৰাজ যুধিষ্ঠিৰক সিংহাসনত বহুৱালে।

চীনৰ আক্রমণৰ কালত আমাৰ দেশখন এখন যুদ্ধ চলোৱাৰ বাবে প্রস্তুতেই নাছিল; সেয়েহে দুৰ্জ্জন চীনে বিৰাট অঞ্চল এটাৰ ধ্বংস সাধন কৰিবলৈ সুচল পালে। যুদ্ধৰ বাবে অপ্রস্তুত থকাটো স্বয়ং পণ্ডিতজীয়ে স্বীকাৰ কৰি যোৱাৰ পাচতো আনবিক বোমাৰ প্রত্যুত্তৰ দিবলৈ ভাৰত চৰকাৰ সাজু হব নোখোজা কথাটোত আমি অত্যন্ত উদ্বেগ বোধ কৰিছো। ৰাজ্য ৰক্ষা প্রবন্ধত আমি আৱশ্যক হলে বৈধ হিংসা কৰিবই লাগিব। ভগবানত অচলা ভক্তি ৰাখি অক্ষয় তূণসহ গাণ্ডীবধাৰী হব লাগিব। শ্রীভগবানক সাৰথী কৰি ধৰ্ম্মযুদ্ধত শত্ৰুক দমাবলৈ উপযুক্ত সমূহ অস্ত্রৰ যোগান ৰাখিব লাগিব।

"যত্র যোগেশ্বৰঃ কৃষ্ণো যত্র পাৰ্থো ধনুৰ্দ্ধৰঃ।
তত্র শ্রীৰ্বিজয়োভূতিৰ্ধ্রুবা নীতিৰ্মতিৰ্ম্মম॥" গীতা।

ক্ষমা আৰু অহিংসা ব্রাহ্মণৰ হে, ৰাজ্যৰক্ষাৰ বাবে ক্ষমা নাই, বৈধ হিংসাও কৰিবই লাগিব। নকৰিলে কৰ্ত্তব্যহীনতা পাপ হব।

আমাৰ সংস্কৃতিয়ে কি কয় শুনক—

১। "যত জীৱগণ স্থাবৰ জঙ্গম অগ নগ তেৰি কায়া"—স্থাবৰ জঙ্গমাত্মক সমূহ জীৱ—পৰ্ব্বত পাহাৰ সমুদয় তোমাৰেই (পৰমেশ্বৰৰ) শৰীৰ। ইয়াত গোটেই বিশ্বব্রহ্মাণ্ডৰ ভূমাৰূপটোকে এটা শৰীৰ বুলি ধৰি লোৱা হৈছে। এয়ে বেদান্তৰ "সৰ্ব্বং খলু ইদং ব্রহ্ম" সিদ্ধান্ত।

* "অগ্নিদো গৰদশ্চৈৱ শস্ত্রপাণিৰ্ধনাপহঃ।
ক্ষেত্ৰদাৰাপহাৰী চ ষড়েতে আততায়ীনঃ॥"

২। আমাৰ সংস্কৃতিয়ে আৰু কয়—

"মাতা চ পাৰ্ব্বতী দেবী পিতা দেবো মহেশ্বৰঃ।
বান্ধবাঃ শিবভক্তাশ্চ স্বদেশোভুবনত্রয়ম্॥"

—এই বিশ্বৰ পিতা এজন, মাতৃ একেজনী, বিশ্বস্রষ্টাৰ ভক্ত মাত্রেই মোৰ বান্ধব, স্বৰ্গ-মৰ্ত্ত-পাতাল এই ত্রিভুবনেই মোৰ স্বদেশ। আজি ত্রিভুবনেই মোৰ স্বদেশ বুলি ভাবিব পৰা বা কব পৰা ক্ষমতা কোনোবা জাতিৰ আছেনে? ইটো জাতিৰ লগত সিটো জাতিয়ে ফেৰপতা হিংস্র পশু ৰূপতেই বিশ্বমানব প্রকাশ পাইছে।

৩। আমাৰ সংস্কৃতিয়ে কয়ঃ—

"আকাশাৎ পতিতং তোয়ং যথা গচ্ছতি সাগৰম্।
সৰ্ব্বদেব নমস্কাৰঃ কেশবং প্রতিগচ্ছতি॥"

—আকাশৰ পৰা পানীবোৰ যিদৰে সমুদ্ৰৰ পিনে গতি কৰে, যি কোনো দেৱতাকে নমস্কাৰ নকৰা কিয় (আল্লা কালী কৃষ্ণ গড) একমাত্র কেশবকে নমস্কাৰ কৰা হয়।

৪। আমাৰ সংস্কৃতিয়ে আৰু কয়ঃ—

"কৃৎস্নোহি লোকো বুদ্ধিমতাম্ আচাৰ্য্যাঃ শত্রুশ্চ অবুদ্ধিমতামেব।"

—বুদ্ধিমানৰ বাবে সমগ্র মানব জাতিযেই গুৰুস্বৰূপ; প্রত্যেকৰে পৰা শিকিব লগীয়া জানিব লগীয়া বিষয় আছে। মূৰ্খৰ বাবেহে—ই মোৰ শত্রু, সি মোৰ শত্রু। এই সংস্কৃতিটোৰ প্রকৃতি অনুসৰণ কৰোহঁক:—

নিৰ্ব্বুদ্ধি হৈ থাকিবলৈ কোনেও বাঞ্ছা নকৰে। বিশ্বমানব মাত্রে মোৰ গুৰু এই বিচাৰ-বুদ্ধিত তন্ময় হৈ থকাৰ ভিতৰতে যেতিয়া দস্যুগুৰু আহি গলত টিপি ধৰিব,—নাইবা কোনো দুৰ্ব্বৃত্তই তিৰোতা এজনীৰ সতীত্ব নাশ কৰাৰ চেষ্টা চলাব,—তেতিয়া গুৰুৰ ওচৰত আত্ম-সমৰ্পণ কৰা কথাটো কেতিয়াও অহিংস নীতি হব নোৱাৰে। এনে প্রকৰণত আমাৰ বাপুজীয়ে আনকি নখ আৰু দাঁতকো অস্ত্ৰৰূপে ব্যৱহাৰ কৰি আত্মৰক্ষা কৰিবলৈ কৈ গৈছে। হিংসাৰ প্রত্যুত্তৰ প্রতিহিংসাৰ দ্বাৰা দিয়াটোয়ে সৰ্ব্বজনমান্য গীতা শাস্ত্ৰৰ মত। জীৱন ধাৰণ বিষয়তো জীব-হিংসাৰ অপৰিহাৰ্য্যতাও আছে।

হিংসা শব্দটো বৰ ব্যাপকাৰ্থক। অমৰকোষ অভিধানে হিংসা শব্দটোৰ অৰ্থ কৰিছে—"চৌৰ্য্যাদি কৰ্ম্ম" (চোৰ কৰা আদি কৰ্ম্ম)। আদি শব্দৰ দ্বাৰা চোৰ কৰা, মিছা কোৱা, প্রবঞ্চনা কৰা, ভেটি খোৱা মিছা সাক্ষী, মিছা

ওকালতি, জীবহত্যা প্ৰভৃতি যাবতীয় দুৰ্নীতিকে অন্তৰ্ভুক্ত কৰা হৈছে। সেইমতে বাপুজীৰ সত্য আৰু অহিংস নীতিৰ দেশখন আজি হিংসা-পৰিপূৰ্ণ, মহৰ্ষি আত্ৰেয়ৰ কথামতে জনপদোধ্বংসনীয় লক্ষণাক্ৰান্ত।

ধৰ্ম্ম অধৰ্ম্মৰ পিনে আজিৰ যুগটোত কাৰো লক্ষ্য নাই। যি উপায়ে নহওক লাগে ধন আৰু প্ৰতিপত্তি। ধৰ্ম্মৰ অবিৰোধী কৰ্ম্মৰ দ্বাৰাই জীবিকা নিৰ্ব্বাহ কৰাটোহে শাস্ত্ৰোক্ত বিধান। ভগবান্ মনুৰ মতে—

"অধৰ্ম্মোপাৰ্জ্জিতং বিত্তং দশবৰ্ষঞ্চ তিষ্ঠতি।
প্ৰাপ্তেচৈকাদশে বৰ্ষে সমূলঞ্চ বিনশ্যতি॥"
"নোচেদাত্মানি পুত্ৰেষু নোচেৎ পুত্ৰেষু পৌত্ৰেষু"—ইত্যাদি।

—অধৰ্ম্মৰ যোগেদি উপাৰ্জ্জন কৰা ধন মুঠে ১০ বছৰহে থাকে। একাদশ বছৰৰ লগতে তেনে ধন সমূলে বিনষ্ট হয়। এই ধ্বংস নিজৰ জীৱন কালত নহলে পুত্ৰ নাইবা পৌত্ৰ সকলৰ দিনত সমূলে ধ্বংস হৈ যায়। ভাৰতীয় সকলে বৰ্ত্তমানত যি-দৰে অন্যায় উপাৰ্জ্জনত লাগি গৈছে মনুৰ মতে ইও এটা জনপদোধ্বংসনীয় লক্ষণ।

এতিয়া আমাৰ উপায়? দেশৰ সামূহিক মৰণোন্মুখী লক্ষণটোৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে ঔষধ আৰু পথ্যৰো ব্যৱস্থা মহৰ্ষি আত্ৰেয়ই দি গৈছে, যথাঃ—সত্যপৰায়ণতা, সৰ্ব্বজীবত দয়া, দান, পূজা, উপহাৰ, দেৱতাৰ্চ্চন, চৰকোক্ত* সদ্বৃত্ত সকলৰ অনুপালন, দেশান্তৰ গমনৰ দ্বাৰা আত্মৰক্ষা, আত্মগুপ্তি, মঙ্গলকৰ বিষয় সমূহৰ উপসেৱন আদি জনপদোধ্বংস নিবাৰক বিষয়। ব্ৰহ্মচৰ্য্য ধাৰণ, ব্ৰহ্মচাৰী সকলৰ সেৱা জিতেন্দ্ৰিয় মহৰ্ষি সকলৰ লগত ধৰ্ম্মশাস্ত্ৰৰ সম্যক্ আলাপ, বৃদ্ধ-সম্মত সাত্বিক ধৰ্ম্মপ্ৰাণ লোক সকলৰ লগত বসবাস আদি জনপদোধ্বংসনীয় লক্ষণ সমূহ উপস্থিত হোৱা কালত আয়ুঃ পৰিপালনাৰ্থে মহৌষধ। এতিয়া বিশ্ববাসী আয়ুৰ্ব্বেদৰ অনু-শাসনলৈ আহক—আমি সামূহিক মৃত্যুমুখৰ পৰা পৰিত্ৰাণ পাম। সত্য আৰু অহিংসা ( চোৰ নকৰা, মিছা নোকোৱা, প্ৰবঞ্চনা আদি নকৰা ) বাপুজীৰ মূল মন্ত্ৰ আছিল। সেই মন্ত্ৰ সাধনৰ যোগেদি আমি স্বাধীন হলোঁ। তাক ত্যাগ কৰা মানে আমাৰ নবলব্ধ স্বাধীনতায়ে বিপন্ন। দেশ পুনঃ আয়ুৰ্ব্বেদীয় অনুশাসনলৈ ঘূৰি আহক। জাতিৰ সঙ্কটৰ বেলা তাৰেহে প্ৰয়োজন। জয় আত্ৰেয়! জয় হিন্দ!

* চৰক। সূত্ৰস্থান। ৮ম ইন্দ্ৰিয়োপক্ৰমণীয় অধ্যায়॥

[ বি: । মূল সংস্কৃত পাঠ— চৰক, বিমান— ৩য় অধ্যায় চাই লব। ]

# সাৰ্ব্বজনীন পুৰুষ—মহাত্মাজী

দাদা ধৰ্ম্মাধিকাৰী

গান্ধীজী কি আছিল? এই প্ৰশ্নৰ উত্তৰ দিয়া সহজ নহয়। গান্ধীজী অৱতাৰ নাছিল, দাৰ্শনিক নাছিল আৰু ধৰ্ম্মযাজকো নাছিল। তেওঁ বাওনা-লোকৰ মাজত সাধাৰণ মানবৰ ওপৰত দৈত্যও নাছিল। তেওঁ পৃথিবীৰ মানব-সন্তানসকলৰ লগত লীলাখেলা কৰিবলৈ নামি অহা দেৱতাও নাছিল। গান্ধীজী আছিল এজন স্বাভাবিক মানুহ, তেওঁৰ কোনো বিশিষ্ট মাৰ্কা নাছিল আৰু তেওঁ অনাড়ম্বৰ লোক এজন আছিল। আশ্চৰ্য্যৰ বিষয় আজি মনুষ্য সমাজত স্বাভাবিক লোক এজন বিচাৰি পোৱাটো টান হৈ পৰিছে।

জৰ্জ্জ বাৰ্নাড্ শ্ব সম্পৰ্কে এটা আমোদজনক গল্প আছে। যাঠি বছৰ বয়সত তেওঁৰ লগৰীয়া সকলোকে চশমা লোৱা দেখি অথচ তেওঁ বিতচকু নোহোৱাকৈয়ে সুন্দৰকৈ পঢ়িব আৰু লিখিব পৰা হৈ থকাত তেওঁ অলপ অস্বস্তি অনুভৱ কৰিছিল। তেওঁ ভাবিলে যে তেওঁৰ দৃষ্টিশক্তিত কিবা এটা আছে। সেইকাৰণে তেওঁ এজন বিশেষজ্ঞ চকু-চিকিৎসকৰ ওচৰ চাপিল বিশেষজ্ঞজনে পৰীক্ষা কৰি তেওঁক কলে—যে তেওঁৰ চকুৰ দৃষ্টিশক্তি স্বাভাৱিক অৱস্থাতে আছে। শ্ব বৰ বিমোৰত পৰিল। তেওঁ কলে—"মোৰ যদি চকুৰ দৃষ্টিশক্তি স্বাভাবিক তেন্তে মোৰ বয়সৰ লোকৰ শতকৰা পঁয়সত্তৰ জনৰ দৃষ্টিশক্তি যেনে মোৰো নিশ্চয় তেনে হব লাগিব।" তেতিয়া বিশেষজ্ঞজনে কলে—"তাৰ পৰিবৰ্ত্তে মাত্ৰ শতকৰা পাঁচজনৰেহে চকু বিজ্ঞানসম্মত ভাবে স্বাভাবিক—বাকী শতকৰা পঁচানব্বৈজনৰে চকু অস্বাভাবিক বা ৰোগাক্ৰান্ত।"

গান্ধীজী আছিল অতি স্বাভাবিক লোক। সেই কাৰণেহে তেওঁক মনুষ্যজাতিৰ ভিতৰতে এজন অতি অসাধাৰণ পুৰুষ বুলি গণ্য কৰা হয়। গান্ধীজী আছিল সাৰ্ব্বজনীন। তেওঁ কোনো বিশেষ অঞ্চলৰ নাছিল, কাৰণ তেওঁ সকলো ঠাইৰে আছিল। এনে এজন পুৰুষক জুখি”ও নোৱাৰি, বিচাৰ কৰিবও নোৱাৰি। তেৱেঁই আছিল সকলোৰে তুলাচনি।

গান্ধীজী দাৰ্শনিক নাছিল। দাৰ্শনিক হব পৰাকৈ তেওঁৰ স্ৰজনো হোৱা নাছিল। তেওঁ এজন ৰাজনৈতিক পুৰুষো নাছিল। স্বৰ্গীয় জৰ্জ্জ আৰুণ্ডেলে যেতিয়া তেওঁক ৰাজনীতিত বিচৰণ কৰা বুলি মৃদুভাৱে ভৎৰ্সনা কৰিছিল তেতিয়া গান্ধীজীয়ে তেওঁৰ স্বাভাৱিক নম্ৰতাৰে উত্তৰ দিছিল—"মোৰ মন ধৰ্ম্মৰ ফালেহে।" কিন্তু গতানুগতিক যি অৰ্থত ব্যৱহাৰ কৰা হয় সেই অৰ্থত তেওঁ ধৰ্ম্মপৰায়ণ নাছিল, কাৰণ তেওঁ আছিল এজন সত্যান্বেষী পুৰুষ। সত্যান্বেষী লোক কোনো দৰ্শন প্ৰতিষ্ঠা কৰিব নোৱাৰে নাইবা এটা মতবাদ প্ৰচাৰ কৰিব নোৱাৰে। এজন লোকে যথাৰ্থভাৱেই বৰ্ণনা কৰিছিল যে দৰ্শন প্ৰতিপাদন কৰা এজন অন্ধ মানুহে আন্ধাৰ ৰাতি অন্ধকাৰ কোঠালী এটাত কলা মেকুৰী এটা খেপিয়াই ফুৰাৰ দৰে একে। সত্যান্বেষী লোকে কোনো এটা বিশেষ ধৰ্ম্মত আস্থা স্থাপন কৰিব নোৱাৰে। দৰ্শনেই সত্য নহয়। ই এজনৰ সত্য সম্পৰ্কে এটা স্বাভাৱিক প্ৰত্যয়।

আমি সকলো ক্ষীণ দৃষ্টিৰ লোক। আমি সাধাৰণতে বস্তু এটাৰ এটা দিশ, বা দুটা দিশ বা অতিবেচি তিনিটা ফাল চাব পাৰো। সেই কাৰণে আমাৰ দৃষ্টি যদি এফলীয়া নহয় তেন্তে আপেক্ষিক। এই কথাটো যাতে বুজাব পাৰো তাৰ বাবে এটা সাধুকথাকে কওঁ।

কোনো এটা কলা-চিত্ৰশালাত এজন প্ৰখ্যাত শিল্পীয়ে ৰূপায়িত কৰা এখন অসাধাৰণ চিত্ৰ আছিল। এফালৰ পৰা চালে ইয়াক এটা ধুনীয়া ঘোৰা যেন দেখি আৰু আন এফালৰ পৰা চালে ইয়াক এটা প্ৰকাণ্ড সিংহ যেন দেখি। গাৰ্ৰৰ পৰা অহা দুজন মানুহে পৰস্পৰ বিপৰীত ফালে থকা দুই দুৱাৰ-মুখেদি সেই কক্ষত সোমাল। এজনে ডাঙৰকৈ কৈ উঠিল—কি সুন্দৰ অশ্বৰাজ! আন মানুহজনৰ স্বাভাৱিকতে বিৰক্তি জাগিল। তেওঁ ভাবিলে, মানুহজন হয় নিচাৰ জালত নাইবা অপৰিপক্ক মস্তিষ্কৰ। তেওঁ গহীনাই মাত লগালে—বন্ধু, আপুনি নিশ্চয় মনৰ ভাল অৱস্থাত নাই। নহলেনো গম্ভীৰ এই বনৰজাক আপুনি সামান্য আস্তাবলত থকা পোহনীয়া জন্তু এটা বুলি ভুলত পৰিব লাগেনে? বাক-বিতণ্ডা কাজিয়াত পৰিণত হ'ল আৰু কাজিয়া গৈ হতাহতিত পৰিণত হ'ল। সেই যুজ-বাগৰত দুয়ো গৈ প্ৰত্যেকে বিপৰীত ফালত আচাৰ খাই পৰিলগৈ। তেতিয়া দুয়ো ইজনে সিজনৰ দৃষ্টিকোণৰ পৰা চাই দেখে যে সিজনৰ কথাটোহে সঁচা।

সত্যান্বেষণৰ কাৰণে আন মানুহৰো উদ্দেশ্য আৰু মতামত বুজিবলৈ আৰু সমাদৰ কৰিবলৈকো মানসিক প্ৰস্তুতিৰ অতি আৱশ্যক। এইটো সহিষ্ণুতা নহয়,

কাৰণ সহিষ্ণুতা হ'ল আমি ভাল নোপোৱা কথাটো সহ্য কৰাটোহে। ই বিচাৰৰ বদান্যতাও নহয়। এইটো বিনয় আৰু নম্ৰতা—আৰু অন্বেষণৰ ক্ষেত্ৰত এই মনোবৃত্তি অতি প্ৰয়োজনীয়।

গান্ধীজী আছিল প্ৰকৃততে এজন ঈশ্বৰৰ পুৰুষ, কিন্তু ই অৱশ্যে সাধাৰণ গতানুগতিক অৰ্থত নহয়। মূলতঃ সত্যান্বেষণত ব্ৰতী হিচাবে তেওঁ বিশ্বাস কৰিছিল ভগবানেই সত্য আৰু সত্যই ভগবান। কিন্তু তেওঁ মানিবলৈ টান নাপাইছিল যে জাগতিক আৰু ব্যৱহাৰিক দৃষ্টিত ঈশ্বৰক বহুতো প্ৰকাৰে বিশ্বাস কৰা হয়। হিন্দুসকলৰো এজন ঈশ্বৰ, মুছলমান সকলৰো ঈশ্বৰ, খৃষ্টিয়ান সকলৰো ঈশ্বৰ, পাৰ্চীসকলৰো ঈশ্বৰ—এইদৰে বহুতৰে বেলেগ বেলেগ ঈশ্বৰ আছে। প্ৰত্যেক সম্প্ৰদায়ৰে একো একোজন ঈশ্বৰ আছে আৰু এই ঈশ্বৰ বিলাক যেন ইটো সিটোৰ প্ৰতি বিৰুদ্ধ ভাবাপন্ন। প্ৰত্যেক সম্প্ৰদায়ে ঈশ্বৰক নিজৰ সাঁচত গঢ়ে আৰু সেই ধৰ্মাৱলম্বী ঈশ্বৰক নিজৰ সাঁচত গঢ়ি লৈ সেইমতে বিশ্বাস কৰে।

এইখিনিতে মই সৰুকালত শুনা আমোদজনক গল্প এটাৰ কথা মনত পৰিছে। এসময়ত এজন বেৰিষ্টাৰে ধোবা এটাৰ ঘৰৰ কাষত ঘৰ লৈ আছিল আৰু সেই ধোবাজনৰ এটা শকত আৱত গাধ আছিল। গাধটোৰ চিঞৰত বেচেৰা বেৰিষ্টাৰজনৰ ৰাতি মুঠেই টোপনি নাহে। তেওঁ এই কথা লৈ ধোবাক কেইবাদিনো আপত্তি জনালে। তাৰ উত্তৰত ধোবাটোৱে কলে—"মহাশয়, আপুনি এজন বেৰিষ্টাৰ। আপুনিও জানে যে গাধ এটা অতি মূৰ্খ জন্তু, সি কোনো যুক্তি তৰ্ক নামানে।" এইকাৰণে বিৰক্তি আৰু খঙত বেৰিষ্টাৰজনে ধোবাজনৰ বিৰুদ্ধে আদালতত ক্ষতিপূৰণৰ গোচৰ উত্থাপন কৰিলে। ধোবা-জনৰ উকীলে গোচৰীয় বেৰিষ্টাৰক জেৰা কৰোঁতে সুধিলে—"গাধটোৱে ৰাতি কেইবাৰ চিঞৰে ?"

গোচৰীয়াই উত্তৰ দিলে "প্ৰত্যেক ৰাতি চাৰিবাৰ পাঁচবাৰ মান চিঞৰে।'

—"প্ৰত্যেকবাৰ চিঞৰোতে একেৰাহে কেইমিনিটমান সময় চিঞঁৰি থাকে ?"

- "ধৰক, দুই মিনিট, তিনি মিনিটমানকৈ।"

পদকীয়াৰ উকীলে তেতিয়া কলে—"চাওক, আপোনাৰ কথামতে ৰাতিটোৰ ভিতৰত মাত্ৰ অতিবেচি মুঠতে কুৰি মিনিটমান সময় আপোনাৰ

ক্ষতি হয়। গতিকে আপোনাৰ গোচৰ যে আপুনি সমস্ত ৰাতিটোত মুঠেই চকু মুদিব নোৱাৰে আৰু গোটেই ৰাতি উজাগৰে কটাব লাগে সি সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন। আপোনাৰ গোচৰৰ কোনো যুক্তি নাই।"

তেতিয়া বেৰিষ্টাৰজনে কলে—"কিন্তু গাধটোই চিঞৰিব বুলি আৰু তাৰ চিঞৰৰ বাবে অপেক্ষা কৰি থাকিব লগা সময়খিনিতো আপুনি হিচাবত ধৰা নাই। সেই সময়খিনি কলৈ যাব?"

বিচাৰকে তেতিয়া মোকৰ্দ্দমাটো খাৰিজ কৰিলে আৰু লগতে এই গোচৰ অতিশয় সংবেদন্-অসহিষ্ণুতা জড়িত বুলি মন্তব্যও কৰিলে। বেচেৰা বেৰিষ্টাৰজন হতবুদ্ধি হ'ল। শেষ উপায় হিচাবে তেওঁ উচ্চতম ন্যায়ালয় ভগবানৰ দৰবাৰত আপীল কৰিলে। তেওঁ তেওঁৰ ভগবানক ধোবাৰ এই গাধটো মাৰি নিবলৈ কাতৰ প্ৰাৰ্থনা জনালে আৰু পুৰোহিতসকলক এটা ভাল ভোজ দিবলৈকে গভীৰ ভাবে বিধিপূৰ্ব্বক মানস কৰিলে। কিন্তু অন্তৰ্য্যামী ভগবানে কি কৰিব লাগে জানে। সেই বেৰিষ্টাৰজনৰ অতি মৰমৰ পোহনীয়া কুকুৰটো এদিন পুৱা ঢুকাই থাকিল। শোকে দুখে খঙে অপমানে হতবুদ্ধি হৈ বেৰিষ্টাৰজনে ভগবানৰ বিৰুদ্ধে শাও-শপনি কাঢ়ি নালিশ জনালে - "হে ভগবান, তুমি এই বিশ্বব্ৰহ্মাণ্ড কৌটি কৌটি বছৰ ধৰি শাসন কৰি আহিছা—আৰু তথাপি তোমাৰ কাণ্ডজ্ঞান নাই—তুমি গাধ আৰু কুকুৰৰ প্ৰভেদ বুজিব নোৱাৰিলা।"

এইদৰে আমাৰ ভগবানত বিশ্বাসৰ মাত্ৰা নুনীছালৰ সমানো গাঢ় নহয়। ভগবানৰ ইচ্ছাত সমৰ্পণ নকৰি আমাৰ ইচ্ছাৰ অনুকূলে কাম কৰিবলৈকে ভগবানক অস্ত্ৰ হিচাবে আমি কাম কৰাব বিচাৰো। তাৰোপৰি, যেতিয়া দুই বা ততোধিক ঈশ্বৰৰ কথা উঠে, এজনৰ ঈশ্বৰ আন জনৰ শয়তান বুলি পৰিগণিত হোৱাও দেখা যায়। ইয়াতেই নামাকৰণ, সংজ্ঞা, ব্যপদেশ, সম্প্ৰদায় আহি পৰে। সত্য সাম্প্ৰদায়িক বা অভিধায়িক নহয়। সত্য সাম্প্ৰদায়িক হলে ই নতুন পৰম্পৰানিষ্ঠ বা পৰম্পৰা অনুসৰণ কৰা অৱস্থালৈ ভ্ৰষ্ট হয়। সেইকাৰণে মহাত্মাই দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে সত্যই ভগবান আৰু ভগবানেই সত্য বোলাতকৈ সত্যই ভগবান বোলাতহে তেওঁ সম্পূৰ্ণ জোৰ দিছিল।

সত্যই ঐক্য আনে, ই বিভেদ বা বিভাজনৰ সৃষ্টি নকৰে। যি ঐক্য আনয়ন কৰে সি ঐশ্বৰিক, আৰু যিহে বিভেদৰ সৃষ্টি কৰে সি পৈশাচিক। সত্যান্বেষণত কোনো বাধ্যবাধকতা, কোনো জোৰ-জুলুম থাকিব নোৱাৰে। ইয়াত প্ৰত্যেকে আনৰ মত যথাৰ্থভাৱে বুজিবলৈ আৰু সমাদৰেৰে বিবেচনা

কৰিবলৈ সদায় আগ্ৰহান্বিত। ৰোমান কেথলিক গীৰ্জ্জাৰ এজন বিশিষ্ট পদাধিকাৰী আছে, তেওঁক 'এডভোকেটাচ ডায়েবলি' বা পিশাচৰ হৈ কওঁতা বোলা হয়; কাৰণ পিশাচৰ বক্তব্যও শুনিব লাগে। যদি তাৰ বাকৰুদ্ধ কৰা হয় তেন্তে যি বৰ্ত্তিব সি ভগবানৰ বাণী নাইবা শক্তিশালী শয়তানৰ কথাহে হব পাৰে। যদি বেলেগ বা ভিন্নভাবে চিন্তা কৰিবৰ স্বাধীনতা নাথাকে তেন্তে চিন্তাৰ স্বাধীনতা অৰ্থহীন হৈ পৰে। তৰ্ক কৰি এজনৰ মুখটোও নোহোৱা কৰি দিব পাৰা কিন্তু তুমি তেওঁক পতিয়ন নিয়াব নোৱাৰা। তুমি তৰ্কত জয়লাভ কৰিব পাৰা কিন্তু এজন বন্ধু হেৰুৱাব লগাত পৰিব পাৰা। তুমি এজনৰ শিৰচ্ছেদ কৰিবও পাৰা কিন্তু সত্য বাণী নিমাত কৰিব নোৱাৰা। এইদৰেই গান্ধীজী সত্যান্বেষণত অহিংসা মন্ত্ৰ পালে। সেইকাৰণেই তেওঁ কৈছিল, সত্য আৰু অহিংসা একেটা মুদ্ৰাৰে দুটা পিঠি।

এনে লোক নম্ৰ আৰু বিনীত। এনে লোকেই বিশ্বৰ উত্তৰাধিকাৰী হয়। আলেকজেণ্ডাৰ আৰু চীজাৰে যি ভাৱত পৃথিবীৰ উত্তৰাধিকাৰী হব খুজাইছিল সেই অৰ্থত নহয়, কিন্তু নিৰীহ যীশুৱে যি অৰ্থত বিশ্বৰ উত্তৰাধিকাৰী হব বিচাৰিছিল সেই অৰ্থতহে প্ৰযোজ্য। আলেকজেণ্ডাৰ আৰু চীজাৰে বিশ্বক নিজৰ স্ফীত আয়ত্বত সোমাই ৰাখিব খুজিছিল। সিংহ আৰু ভেড়াপোৱালি দুয়ো এটা হৈ যাব যেতিয়া ভেড়াপোৱালি সিংহৰ উদৰস্থ হব। কিন্তু যীশুৱে সমাজৰ নিকৃষ্টতম আৰু পতিত সকলৰ মাজত নিজক বিলীন কৰি দিব বিচাৰিছিল। ই যেন সিংহই ভেড়াপোৱালিৰ হৃদয়ত নিজক সোমাই ৰাখিবৰ প্ৰচেষ্টা। এই তাদাত্ম্যনিৰূপণ হব পাৰে প্ৰেমৰ দ্বাৰা, অহিংসাৰ দ্বাৰা। ই এটা ধাৰণা বা প্ৰত্যয় নহয়, ই এটা মতবাদ নহয় নাইবা বিমূৰ্ত্ত নীতিও নহয়। ই জীৱনৰ অন্তৰ্বস্তু, জীৱনৰ কৃতাৰ্থতা। এই অৰ্থতে গান্ধীজী অভিনব পন্থা উদ্ভাবন কৰিছিল যে অহিংস আৰু শঙ্কাহীন ভেড়াপোৱালিও সিংহৰ মুখত জপিয়াই পৰিব, ব্যতিব্যস্ত কৰিবলৈ নহয়, জয় কৰিবলৈহে।

সত্য তোমাৰো নহয়, মোৰো নহয়। ই প্ৰাচ্যৰো নহয়, প্ৰতীচ্যৰো নহয়। ই সীমা নাজানে। সেয়েহে গান্ধীজী 'ছাৰমন অন্ দি মাউণ্ট' আৰু ভাগবদ্গীতাৰ পৰা প্ৰেৰণা লব পাৰিছিল। ভাগবদ্গীতাৰ চতুৰ্থ অধ্যায়ৰ একাদশ শ্লোকৰ ভাষ্যত গান্ধীজী কৈছে—"মোৰ নিজৰ কৃত অপৰাধ আৰু অনাচাৰৰ বাবে মই ন্যায়বিচাৰ আৰু প্ৰায়শ্চিত্তৰ প্ৰাৰ্থনা কৰা উচিত কিন্তু আনৰ তেনে কৰ্ম্মৰ বাবে দয়া আৰু ক্ষমাৰ বাবে প্ৰাৰ্থনা কৰিব লাগে।" নম্ৰতা আৰু বিনয়ৰ এয়ে প্ৰকৃত

বৃত্তি আৰু বিকাশ। গান্ধীজী আনৰ দোষ দৈন্য তেওঁৰ নিজৰ দোষ দৈন্য হিচাবে মান কৰিছিল। ইও আন এটা অতি বেলেগ অৰ্থত তাদাত্ম্যনিৰূপণ পন্থা।

গৰ্ব্বিত আৰু কুটিল লোকেও মানুহৰ মৌলিক ঐক্যৰ ওপৰত ন্যায়বিচাৰ পাবৰ দাবী জনায়। নিৰ্ম্মম সুদখোৰ চাইলকেও গোচৰত ন্যায়বিচাৰৰ প্ৰাৰ্থনা জনাইছিল আৰু খৃষ্টিয়ান জনৰ লগত থকা মানবীয় ঐক্যৰ ওপৰত তেওঁৰ দাবী জনাইছিল। তেওঁ সুধিছিল—"ইহুদী এজনক খুচিলে তেওঁ নাকান্দিবনে? নাইবা তেওঁক কুটকুটালে নাহাঁহিবনে? যেতিয়ালৈকে তেওঁৰ মাংস পাউণ্ড পোৱাৰ নিশ্চয়তা আছিল তেতিয়ালৈকেহে চাইলকে কেৱল ন্যায় বিচাৰৰ প্ৰাৰ্থনা জনাই আছিল—তেওঁৰ একমাত্ৰ বক্তব্য আছিল ন্যায়বিচাৰ। কিন্তু যেতিয়াই দেখিলে যে ৰায় তেওঁৰ বিৰুদ্ধে যোৱাৰহে সম্ভাবনা হ'ল, তেতিয়া চাইলকে দয়া আৰু ক্ষমা কৰিবলৈ প্ৰাৰ্থনা জনালে। মানুহে আনৰ বাবে ন্যায়বিচাৰ বিচাৰে, কিন্তু নিজৰ বেলিকা বিচাৰে ক্ষমা। আনহাতে গান্ধীজী আনৰ বাবে প্ৰাৰ্থনা জনাইছিল আৰু বিচাৰিছিল ক্ষমা আৰু নিজৰ বাবে ন্যায়বিচাৰ। যিসকলে যীশুক ক্ৰুচবিদ্ধ কৰিছিল তেওঁ সিবিলাকৰ বাবে ক্ষমা ভিক্ষা কৰা নাছিলনে?

গান্ধীজীৰ সত্যাগ্ৰহ তেওঁৰ তাদাত্ম্যবাদৰ এটা প্ৰকৃষ্ট নিদৰ্শন। ই ধৈৰ্য্যশীল আৰু নিৰ্ভীক লোকৰ অহিংস ৰূপত প্ৰকট হ'ল। সত্যাগ্ৰহ অপ্ৰতিৰোধ নহয়, অন্যায়ৰ বিৰুদ্ধে কৰা ই সদাৰ্থক আৰু সক্ৰিয় প্ৰতিৰোধ। ইয়াৰ প্ৰেৰণা প্ৰেম। ই অতি উন্নত আৰু উদ্গত ধৰণৰ সহযোগ। ই আনৰ দোষ-দৈন্য নিজৰ কৰি লব আৰু চাব শিকায়। ই অন্যায়-কাৰীক মৰম কৰি তেওঁৰ কৃত অন্যায়ৰ প্ৰতিৰোধ কৰে। চিকিৎসকে পীড়িতজনৰ প্ৰতি সহানুভূতিৰ বাবে তেওঁ আক্ৰান্ত হোৱা ৰোগৰ চিকিৎসা কৰে আৰু সেই ৰোগৰ বিৰুদ্ধে সংগ্ৰাম কৰে। তেওঁ ৰোগৰ পৰা মুক্ত হবলৈ পীড়িতজনক হত্যা নকৰে বা তেওঁৰ জীৱন শেষ কৰি নিদিয়ে। এই ভাৱত চিকিৎসকজনৰ কোনো শত্ৰু থাকিব নোৱাৰে। গান্ধীজীৰ অভিধানত শত্ৰু শব্দৰ স্থান নাই। তাত আছিল অকল ভুলপথে যোৱা ভাই, বা অপথে পৰিচালিত বন্ধু। এই একত্ববোধেই যীশুক মানুহৰ সকলো পাপৰ বাবে প্ৰায়শ্চিত্ত কৰিবলৈ উদগণি দিছিল। গান্ধীজীয়ে ভুল পথে যোৱা ভাই এজনে কৰা দোষৰ বাবে অতি বিনাত ভাবে নিজে কষ্টবৰণ কৰিছিল আৰু ত্যাগ স্বীকাৰ কৰিছিল; আনৰ ওপৰত কষ্ট জাপি দিয়া

নাছিল আৰু আনৰ পৰা ত্যাগৰ দাবীও কৰা নাছিল। গান্ধীজী এই ভাব লৈয়ে সত্যাগ্ৰহৰ পথ প্ৰদৰ্শন কৰিছিল।

গান্ধীজীৰ স্বদেশী শব্দৰ অবতাৰণা আৰু অৰ্থ অভূতপূৰ্ব্ব আৰু মৌলিক। তেওঁৰ মতে স্বদেশী শব্দৰ অৰ্থ প্ৰতিবৈশিত্ব—একে ঠাইতে বসবাস কৰি সকলোৱে সুখেৰে থকাৰ মনোবৃত্তি। বাইবেলত আছে—"তোমাৰ প্ৰতিবেশীক নিজৰ দৰে ভাল পাবা।" মোৰ প্ৰতিবেশী কোন বুলি সোধাত যীশুৱে সৎ ছেমেৰিটানজনৰ আখ্যানটো বৰ্ণনা কৰিলে। কিন্তু আজি যীশু আমাৰ মাজত ওলাই আহি যদি প্ৰতিবেশী বুজাবলৈ প্ৰতিবেশী শব্দটোৰ ঠাইত শ্বেতবৰ্ণ সকলক 'নিগ্ৰো' শব্দটো ব্যৱহাৰ কৰিলে কয়, নাইবা বৰ্ণ-থকা লোকক (coloured man) বুজিব কয়, যদি ভাৰতবাসীক 'চীনদেশীয় লোক' বা পাকিস্তানী লোক' বহুৱাবলৈ কয়, নাইবা যদি ইহুদী এজনক তাৰ ঠাইত 'আৰব' শব্দটো বহুৱাবলৈ কয়, আৰু আন নালাগে যদি মহাৰাষ্ট্ৰীয় এজনক প্ৰতিবেশীৰ ঠাইত 'গুজৰাটী' বা 'কানাড়ী' বহুৱাবলৈ কয়, তেন্তে বোধহয় আমাৰ বহুতেই প্ৰথম কুকুৰাই ডাক দিয়াৰ আগতেই অন্ততঃ তিনিবাৰ তেওঁক নামানো বুলি নোকোৱাকৈ নাথাকিলহেঁতেন।

আমি আমাৰ বন্ধু বাচি লওঁ, আমি শত্ৰুও বাচি লওঁ। কিন্তু ঘটনাচক্ৰই আমাৰ ওচৰ-চুবুৰীয়া বা মোৰ ঘৰৰ নিকটতমবৰ্ত্তী লোক কোন হব তাক ঠাৱৰ কৰে। এজন বন্ধুৱে এবাৰ কৈছিল, আৰু কথাটো বৰ মনত লাগিছিল—ঈশ্বৰে যেতিয়া নিজে স্বাক্ষৰ কৰিব নোখোজে তেতিয়া তেওঁ 'ঘটনাক্ৰমে' নামত ছদ্মবেশ লৈ কাম কৰায়। ওচৰ-চুবুৰীয়াৰ কাৰণে মনোনিবেশ, উৎকণ্ঠা, প্ৰদৰ্শিত স্বাৰ্থ আদিয়ে আমাৰ ভাতৃত্বভাব আৰু সহানুভূতিৰ পৰিমাপক। আমাৰ শত্ৰুও আমাৰ প্ৰতিবেশী বা ওচৰ-চুবুৰীয়া হব পাৰে, বহুত সময়ত হয়েই। সেই কাৰণে আমাৰ ওপৰত উপৰিৱালাৰ আদেশ—'শত্ৰুকো ভাল পাবা'। সকলো লোকৰ মাজত থকা এই ঐক্যভাব, এই তাদাত্ম্য-মনোবৃত্তিয়ে মনুষ্য সমাজৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ, আদান-প্ৰদান আদিৰ ভেটি আৰু আধাৰশিলা। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক—যি কোনো সম্বন্ধই হওক লাগে—এই ঐক্যৰ ভেটি প্ৰতিষ্ঠিত নহলে তাৰ অৱস্থান সম্ভৱপৰ নহয়।

কোনো কোনো আদৰ্শবাদত প্ৰতিজ্ঞাবদ্ধ বহু লোকেই তেওঁৰ আসনত আন কাকো বহুৱাব নোখোজে, আনকি ঈশ্বৰকো তাত প্ৰবেশ কৰিব নিদিয়ে।

তেওঁলোকে তুজনাৰ সাৰ্ব্বভৌমত্ব সহ্য কৰিব নোৱাৰে। 'হোৱাইট মেনচ্ বাৰ্দেন'ৰ কবিয়ে গাইছিল—

"প্ৰাচ্য প্ৰাচ্যই আৰু প্ৰতীচ্য প্ৰতীচ্যই
আৰু এই যুগ্মসত্ত্বাৰ মিলন কোনোকালেই নহয়।"

তেওঁ এই প্ৰাথমিক কথাটোও মন নকৰিলে যে আমাৰ এই নভোশ্বৰ পৃথিবীখন এটা গ্লোব হে, আৰু সেই কাৰণে ইয়াৰ পূবো নাই, পশ্চিমো নাই।

গান্ধীজী সমগ্ৰ বিশ্বখনকে নিজৰ ওচৰ-চুবুৰীয়া হিচাবে জ্ঞান কৰিছিল। সেই কাৰণে তেওঁ কোনো এক বিশেষ দেশৰ বা কোনো এক বিশেষ জল-বায়ুৰ লোক নাছিল। সেই উন্নীত ভাৰত তেওঁৰ কোনো বিশেষ পৰিচয় বা নামো নাছিল-- কাৰণ তেওঁ আছিল সাৰ্ব্বজনীন।

মোৰ মনত পৰে—মই স্কুলত পঢ়া সময়ত আমাৰ এজন ভূগোলৰ শিক্ষকে এই সত্যটো আমাক বুজাবৰ কাৰণে এটা বিশিষ্ট উপায় অবলম্বন কৰিছিল। ডাঠ কাগজৰ কেইবা খণ্ডৰে নিৰ্ম্মিত তেওঁৰ এখন পৃথিবীৰ মানচিত্ৰ আছিল। এই অংশবোৰ লগ লগাই পৃথিবীৰ মানচিত্ৰ এখন সজাই আমাৰ আগত দিছিল আৰু আমাক এই মানচিত্ৰখন মনোযোগেৰে চাব দিছিল। তেওঁ তেতিয়া এই মানচিত্ৰখনৰ অংশবোৰ খহাই পেলাইছিল আৰু আমি তাচখেলাৰ পাতবোৰ সানমিহলি কৰাৰ দৰে মানচিত্ৰখন সানমিহলিকৈ ভাচিছিল আৰু আমাক পুনৰ এই অংশবোৰ লৈ সজাই পৰাই পৃথিবীৰ মানচিত্ৰখন তৈয়াৰ কৰিব দিছিল। আমি ছাত্ৰসকলে এই কামটো সম্পাদন কৰাত অসম্ভব টান পাইছিলো আৰু নোৱাৰিছিলো। আমাৰ মাজত এজন অতি মেধাবী আৰু চোকা বুদ্ধিসম্পন্ন ছাত্ৰ আছিল। তেওঁ এডোখৰ ডাঠ কাগজৰ ওলোটা ফালটোলৈ মন কৰিলে। তাত মানুহৰ শৰীৰৰ অংশ এটাৰ ছবি আঁকা আছিল। তেওঁ তৎক্ষণাৎ কৈ পেলালে যে পৃথিবীৰ মানচিত্ৰখনৰ বিপৰীত ফালে এজন বিৰাট আকাৰ মানুহৰ ছবি আঁকা আছে। তেওঁ প্ৰথমতে মানুহজনৰ চিত্ৰটো সজালে আৰু তাকে কৰোতে আন পিনে পৃথিবীৰ মানচিত্ৰখনো সজোৱা হৈ পৰিল। মহাত্মা গান্ধীও এই চেষ্টাই কৰিছিল। তেওঁৰ জীৱন তেওঁ দিয়া শিক্ষাতকৈ বহুত বেচি মহৎ আছিল। আহক, আমি কবিৰ সৈতে গাওঁ—হে ভগবান, তেওঁৰ জাতি ডাঙৰ কৰা—অৰ্থাৎ গান্ধীজীৰ দৰে পুৰুষ পুনৰ আমাৰ মাজলৈ আহক।

# গান্ধী আৰু বিবেকানন্দ

টি, এচ, অবিনাশিলিঙ্গম

শ্ৰীৰামকৃষ্ণ আৰু বিবেকানন্দ ১৯ শতিকাৰ কেৱল ভাৰতীয় আকাশৰেই নহয় সমগ্ৰ বিশ্বৰে দুটি অতি উজ্জ্বল নক্ষত্ৰ স্বৰূপ আছিল। এই দুজনাৰ মহা-মিলনে এক পূৰ্ণ ব্যক্তিত্বৰ ৰূপ পাইছিল। এজনক যদি কৰ্ম্ম বুলি কওঁ অন্য-জনক প্ৰেৰণা বুলি অভিহিত কৰিব লাগিব। তেওঁলোকে ভাৰতীয় শ্ৰেষ্ঠ আধ্যাত্মিক তত্ত্বসমূহৰ প্ৰতিনিধিত্ব কৰিছিল। লগে লগে খৃষ্ট আৰু ইছলামৰ মণি-কাঞ্চন সংযোগো তেওঁলোকৰ মাজত দেখা গৈছিল। সৰ্ব্বধৰ্ম্ম সম্মিলনত বিবেকানন্দৰ যোগদানক এটা অতি মহত্বপূৰ্ণ ঘটনা বুলি ক'ব পাৰি। হঠাতেই সভামঞ্চত এজন লোকৰ ব্যক্তিত্বৰ জ্যোতি প্ৰতিভাত হ'ল আৰু লগে লগে মানুহৰ প্ৰাণ তেওঁৰ বাণীৰে জাগ্ৰত কৰি তুলিলে! মানুহৰ মনত এক আলোড়নৰ সৃষ্টি হ'ল। এই সভাখন আহ্বান কৰা হৈছিল পাশ্চাত্যৰ ধৰ্ম্ম আৰু দৰ্শনৰ উচ্চতা প্ৰতিপন্ন কৰিবৰ উদ্দেশ্যে। কিন্তু ঘটনাই কিবা ৰূপ ললে। তেওঁ সভালৈ আহিল—সভামঞ্চত উঠি তেওঁৰ দৃষ্টি মঞ্চৰ চাৰিওফালে থকা-বোৰলৈ এবাৰ নিক্ষেপ কৰিলে আৰু লগে লগে বিজয়ৰ মুকুটো তেওঁৰ শিৰতে শোভা পালে। সেই সময়ত ভাৰতবৰ্ষৰ লোক-মানস নিৰাশাৰ গভীৰ গহ্বৰত লীন হৈ আছিল। হঠাতেই আহি তেওঁলোকৰ কাণত পৰিলহি এটৈৰ অমোঘ বাণী। সেই বাণীয়ে নিজৰ সাংস্কৃতিক উত্তৰাধিকাৰৰ প্ৰতি এইসকলক সচেতন কৰি তুলিলে।

এই শতাব্দীৰ পূৰ্ব্বাৰ্দ্ধত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতীয় সাংস্কৃতিক জীৱনে যি গতিশীলতাৰ পিনে ধাবিত হৈছিল—তাৰেই ই যেন আছিল আৰম্ভনি। স্বামীজীৰ জন্মৰ সময়ত ভাৰতীয় সমাজে পশ্চিমীয়া ধৰণৰ চাল-চলন, সাজ-পাৰ আদিক বেছিকৈ অনুকৰণ কৰিব পৰা বেছিকৈ সভ্যতা আৰু সাংস্কৃতিক দৃষ্টিৰে উন্নত বুলি জ্ঞান কৰিছিল। কেইবা শ বছৰৰ পিছত এই প্ৰথমবাৰ স্বামীজীয়ে আমাৰ প্ৰাচীন জ্ঞান-গৰিমা আৰু আধ্যাত্মিক

পৰম্পৰাক সৰ্ব্বশ্ৰেষ্ঠ বুলি জগতৰ আগত ডাঙি ধৰিলে। তেওঁৰ উদ্দীপ্ত বক্তৃতা আৰু উৎসাহ উদ্দীপনিয়ে সমগ্ৰ দেশৰ হাজাৰ হাজাৰ ডেকা-গাভৰুৰ প্ৰাণত নতুন প্ৰেৰণা আৰু উৎসাহ যোগালে। এই সকল ডেকা-গাভৰুৱেই আগলৈ গৈ আমাৰ ৰাষ্ট্ৰীয় স্বতন্ত্ৰতা সংগ্ৰামতো সকলোতকৈ আগ ভাগ ল'লে।

ভাৰত তথা বিশ্বৰ কাৰণে বিবেকানন্দই এক মহান বাণী বহন কৰি আনিছিল। আমাৰ কাৰণে তেওঁৰ বাণীৰ অৰ্থ আছিল ভাৰতীয় মৃতপ্ৰায় আত্মাত সঞ্জীৱনী প্ৰদান কৰা, ভাৰতৰ ৰাষ্ট্ৰীয় জীৱনলৈ নৱ-চেতনা আনি দিয়া, ভাৰতীয় জনতাক শতিকাজোৰা টোপনি জালৰ পৰা জগাই তোলা আৰু দেশৰ জনসাধাৰণক নিজ দেশৰ মহান ভৱিষ্যতৰ বিষয়ে সজাগ হবলৈ শক্তি দিয়া। তেওঁ আছিল আমাৰ উজ্জ্বল ভৱিষ্যতৰ স্ৰষ্টা। সেয়েহে শ শ লোকক নিজৰ সৰ্ব্বস্ব ত্যাগ কৰি জনসেৱাৰ প্ৰতি আগবাঢ়ি যাবলৈ তেওঁ শক্তি প্ৰদান কৰিব পাৰিছিল। স্বামীজীৰ জীৱন কালতে কিমানবোৰ লোকে তেওঁক অনুসৰণ কৰি সন্ন্যাস গ্ৰহণ কৰিছিল আৰু স্বামীজীৰ আদৰ্শ প্ৰাপ্তিৰ কাৰণে সুকঠিন বাটৰে তেওঁৰ লগে লগে খোজ দিছিল। এওঁলোকৰ সহায়তেই এক সুসংগঠিত অনুষ্ঠানৰ ভেটি স্থাপন কৰিবলৈ তেওঁ সক্ষম হৈছিল। এই অনুষ্ঠানটোৱেই বিশ্বত আজি ৰামকৃষ্ণ মঠ আৰু আশ্ৰম নামে প্ৰসিদ্ধ। ই ভাৰতৰ অন্যতম এক বৃহৎ সেৱা অনুষ্ঠান। দেশ-বিদেশত ইয়াৰ প্ৰায় ১২৫টা কেন্দ্ৰ আছে। এই কেন্দ্ৰত প্ৰশিক্ষণ ব্যৱস্থাকে লৈ বানপানী মহামাৰী আদিৰ সময়ত উদ্ধাৰ কাৰ্য্য আৰু ঔষধ-পাতিৰ দ্বাৰা জনসাধাৰণক সেৱা কৰাৰ ব্যৱস্থা আছে।

স্বামী বিবেকানন্দৰ সম্মুখত স্পষ্ট হৈ পৰিছিল যে আজি ধৰ্ম্মৰ নামত কেৱল কৰ্ম্মকাণ্ড আৰু পূজা-পাতলহে মাথোন ৰৈ গ'ল। ধৰ্ম্মশাস্ত্ৰ আওৰোৱা, কেইটামান জাতীয় চিহ্ন ধাৰণ কৰা আৰু অতীতৰ সামাজিক বিধি-বিধানবোৰৰ মাজত পৰি থকাটোকেই ধৰ্ম্ম বুলি জ্ঞান কৰা দেখা গ'ল। নুবুজাকৈ তৰ্ক-বিতৰ্ক কৰা, কামৰ প্ৰতি বিমুখ হৈ কেৱল কথাতহে মন দিয়া আৰু জীৱন-যুদ্ধত নমনাকৈ কথাই কথাই ধৰ্ম্মগ্ৰন্থৰ আশ্ৰয় লোৱাটো জীৱনৰ এক অঙ্গ স্বৰূপ হৈ পৰিল। এইদৰে এই কালৰ মানুহখিনিয়ে মুখেৰে বৰকৈ আধ্যাত্মিকতাৰ কথা কৈছিল যদিও তেওঁলোকৰ মাজত অন্ধ বিশ্বাস, নানা প্ৰকাৰৰ ভয় আৰু স্বাৰ্থপৰায়ণতাই বৰঘৰ পাতি বহিছিল। স্বামীজীয়ে নিঃসঙ্কোচে ঘোষণা কৰিলে যে এইবোৰ ধৰ্ম্ম নহয়। বৰ বৰ কথা কোৱাটোৱে কেতিয়াও ধৰ্ম্ম হব নোৱাৰে। ধৰ্ম্ম হ'ল নিৰন্তৰ বিশ্বাস আৰু আত্ম-প্ৰতীতি। আমি যিবোৰক

কৰ্ত্তব্য আৰু কৰণীয় বুলি কওঁ সেইবোৰক জীৱনত প্ৰত্যক্ষ কৰিব লাগে। তেওঁ কৈছিল—যিয়ে ঈশ্বৰত বিশ্বাস নাৰাখে প্ৰাচীন ধৰ্ম্মই তাক নাস্তিক বুলি কয়। কিন্তু আজিৰ নতুন ধৰ্ম্মই সিজনকহে নাস্তিক বুলি কয় যিজনৰ নিজৰ ওপৰতে বিশ্বাস নাই। এইটো ধৰ্ম্মৰ এটা বৈপ্লৱিক পৰিভাষা আছিল। তেওঁ মুক্তকণ্ঠে কৈছিল যি পৰম্পৰাগত অন্ধ বিশ্বাসে আমাক অসমৰ্থ আৰু পতিত কৰিছে; যি সামাজিক ৰীতি-নীতি আৰু জাতিগত বন্ধনে আমাক শক্তিহীন আৰু সংকীৰ্ণ কৰি তুলিছে তাক যি নামেৰেই লাগে নামাতক, সি পূৰ্ণ ৰূপে ত্যাজ্য। মানুহক পৱিত্ৰ কৰিব পৰা, প্ৰেৰণা দিব পৰা আৰু শক্তি সংগ্ৰহ কৰাব পৰাটোহে প্ৰকৃত ধৰ্ম্ম।

তেওঁ ইয়াকে বুজিছিল যে যেতিয়ালৈকে আমাৰ আৰ্থিক অৱস্থা দুৰ্ব্বল হৈ থাকিব তেতিয়ালৈকে কোনো প্ৰকাৰৰ উন্নতিয়ে আমাৰ বাবে সম্ভৱ নহয়। ভোকাতুৰ আৰু নিচলা লোকৰ সম্মুখত বক্তৃতা দিয়াৰ পৰা কোনো ফল পোৱা নাযায়। তেওঁ কৈছিল—ভাৰতৰ আধ্যাত্মিক উন্নতিৰ কাৰণেও দেশৰপৰা এই ভয়াবহ দৰিদ্ৰতাক নিৰ্ম্মূল কৰিবই লাগিব। যি ধৰ্ম্মই জীৱন-কালত আহাৰ দিব নোৱাৰে আৰু স্বৰ্গত সুখভোগৰ কথা কয় সি তেওঁৰ মতে ধৰ্ম্ম নহয়। ভাৰতৰ সৰ্ব্বপ্ৰকাৰ প্ৰগতি হবলৈ হ'লে প্ৰতিজনৰ বাবে পেট পূৰাই আহাৰ, শিক্ষাৰ প্ৰসাৰ আৰু ধাৰ্ম্মিক কৰ্ম্মকাণ্ড মানি চলাৰো আৱশ্যক বুলি তেওঁ মানিছিল। তেওঁ বুজিছিল যে ভাৰতৰ আত্মাই ভোকৰ সৰ্ব্বগ্ৰাসী শোষণৰ পৰা মুক্তি পাবলৈ চট্‌ফটাই আছে। তেওঁ আধুনিক বিজ্ঞানৰ মৌলিক কৌশল আৰু ব্যৱহাৰিক কুশলতাক গ্ৰহণ কৰাৰ ওপৰত জোৰ দিছিল। ইয়াৰ জৰিয়তেই ভাৰতৰ কাৰণে এক সুস্থ আৰু প্ৰগতিশীল শাসন প্ৰণালী নিৰ্ম্মাণৰ প্ৰয়োজনীয়তা তেওঁ উপলব্ধি কৰিছিল। তেওঁ কৈছিল যে আমাৰ শিক্ষা-নীতিত বেদান্ত আৰু অৰ্ব্বাচীন বিজ্ঞানৰ সমাবেশ হব লাগে। লগে লগে ইয়াকো কৈছিল যে ভাৰতীয় জীৱন-কেন্দ্ৰত আধ্যাত্মিকতাক প্ৰস্থাপিত কৰিব লাগিব। ভৌতিক সম্পন্নতাৰ আৰু আধ্যাত্মিক কল্যাণৰ মাজত তেওঁৰ মতে কোনো বিবাদ নাই আৰু সেইকাৰণেই পূৰ্ণ জীৱনৰ কল্পনাত এই দুয়োটাকে তেওঁ সমষ্টি কৰিছিল। বেদান্ত আৰু আধুনিক বিজ্ঞানৰ সমন্বয়ৰ দ্বাৰা তেওঁ আধ্যাত্মিক জীৱনৰ পৰিধি অধিক বিস্তৃত কৰিছিল। তেওঁ "প্ৰতিটো আত্মাই শেষ পৰ্য্যন্ত পৰমাত্মাহে" এই নৈষ্ঠিক প্ৰসিদ্ধ বচনষাৰকে সৰ্ব্ব-শক্তি আৰু পৰিপূৰ্ণতাৰ আধাৰ বুলি ঘোষণা কৰিলে।

"প্ৰত্যেক ব্যক্তিতেই দেৱত্ব বিদ্যমান"—তেওঁৰ এই বাণীৰ মাজতেই এইটো ভাব নিহিত আছিল যে 'পৰিশ্ৰমেই পূজা'। যি সময়ত আধ্যাত্মিকতাৰ ক্ষেত্ৰত পৰিশ্ৰম আৰু সমাজৰপৰা দূৰৈত থাকি ভগৱান-প্ৰাপ্তি প্ৰশস্ত বুলি মনা হৈছিল, আধ্যাত্মিক পুৰুষ সকলে গুহা-গহ্বৰৰ নিৰ্জ্জনতা বিচাৰি চলাথ কৰিছিল, সেই সময়ত সমাজত থাকি 'কৰ্ম্মৰ দ্বাৰা ঈশ্বৰ প্ৰাপ্তি' এটা সম্পূৰ্ণ মৌলিক চিন্তা আছিল। তেওঁ কৈছিল—"তুমি ভগৱত-প্ৰাপ্তিৰ কাৰণে যাবলৈ ওলাইছা? তোমাৰ চাৰিওকাষৰ জীৱিত প্ৰাণীবোৰৰ মাজত তেওঁ ক'তো নাই জানো? ভগৱানে দেখোন দীনহীন দুখী আৰু দলিত ৰূপে তোমাৰ চাৰিওফালে আবৰ্ত্তন কৰি আছে। সত্য আৰু নম্ৰতাৰে সৈতে সেই সকলৰ সেৱা কৰা, তেওঁলোকৰ বাবে চিন্তা কৰা—তাৰ দ্বাৰাহে প্ৰভুৰ বাস্তৱিক পূজা কৰা হ'ব।"

স্বামী বিবেকানন্দই মাতৃভূমিৰ পুনৰুত্থান আৰু পুনৰ্জীৱন দানৰ কাৰণে চেষ্টা কৰিছিল আৰু দেশৰ মহানতা আৰু স্বতন্ত্ৰতাৰ বীজ ৰোপণ কৰিছিল। এইটো তেওঁৰ এটা মহান কাৰ্য্য আছিল যদিও সংসাৰৰ প্ৰতি দিয়া তেওঁৰ আধ্যাত্মিকতাৰ বাণীহে চিৰস্থায়ী। সংসাৰৰ প্ৰতিটো ধৰ্ম্মৰ মাজত থকা সামঞ্জস্যবিলাক বুজিবলৈ তেওঁ উপদেশ দিছিল। তেওঁ ইযাকো বুজিছিল যে সংসাৰৰ প্ৰতিটো ধৰ্ম্ম নিজৰ নিজৰ ভূখণ্ডৰ লোকজীৱন, প্ৰাচীন ঐতিহাসিক পৰম্পৰা তথা পৰিস্থিতিলৈ লক্ষ্য কৰি সেই সকলৰ কল্যাণৰ কাৰণে সৃষ্ট হৈছিল। কিন্তু আজি দেশ-কাল-পৰিস্থিতি-ইতিহাস আৰু পৰম্পৰাৰ সেই অজেয় বন্ধন আৰু নাই। বিজ্ঞানৰ প্ৰগতিৰ লগে লগে সেই বাধা আৰু দূৰত্ববোধ শেষ হৈ গ'ল। এখন দেশক আনখনৰ পৰা ভাগ কৰি ৰখা সেই সীমা আজি নিশ্চিহ্ন হৈ যাবলৈ ধৰিছে। প্ৰতিখন দেশেই আনখনৰ সমীপলৈ দিনৌ আগবাঢি আহিব ধৰিছে। এনে অৱস্থাত ধৰ্ম্মৰ যিটো বাহ্যিক ৰূপে ইজনক আনজনৰপৰা দূৰে দূৰে ৰাখিছিল— সি বৰ্ত্তমানৰ পৰিস্থিতিত মিলনৰ সেতুহে হোৱা উচিত। সকলো ধৰ্ম্মৰ প্ৰতি শ্ৰদ্ধাৱান হবলৈ তেওঁ উপদেশ দিছিল আৰু কৈছিল যে এই সময়ত আমাৰ ধ্বনি হব লাগিব 'সাবটি লোৱা'—'বহিস্কাৰ কৰা' নহয়। কেৱল সহিষ্ণুতাৰে কাম নহ'ব— কাৰণ তথা-কথিত সহিষ্ণুতা কেৱল এটা বিড়ম্বনা; সেইটোত মোৰ তিলমানো বিশ্বাস নাই। মই কেৱল আপোন কৰি লোৱাটোকহে বিশ্বাস কৰো। সহিষ্ণুতাৰ অৰ্থ হ'ল "তুমি ভুল পথত আছা—তথাপি মই তাক যি কোনো ৰকমে সহ্য

কৰি যাম আৰু তোমাক জীয়াই থাকিবলৈ দিম।” কিন্তু ইয়াৰ মাজত সোমাই থকা গূঢ় ভাবটো কি হ’ল? ইয়াৰ অৰ্থ এইটোৱে হ’ল যে আমি নিজকে কাৰবাক জীয়াই থাকিবলৈ বা নাথাকিবলৈ দিবৰ যোগ্য বুলি ভাবোঁ।—মই সকলোবোৰ ধৰ্ম্মকে মানো আৰু তেওঁলোকৰ লগত বহি পূজা-সেৱা কৰিবলৈ বিচাৰোঁ। তেওঁলোকৰ পূজা-পদ্ধতিয়েই মোৰো পূজা-পদ্ধতি। মই মুছলমানৰ লগত মছজিদত গৈ নামাজ পঢ়িম আৰু গিৰ্জ্জালৈ গৈ খৃষ্টানৰ লগত ক্ৰুছৰ সম্মুখত আঠু ল’ম; বৌদ্ধ মন্দিৰলৈ গৈ বুদ্ধ আৰু সংঘৰ শৰণ ল’ম আৰু তপোবনলৈ গৈ হিন্দুৰ লগত ধ্যানত বহিম। ইয়াৰ দ্বাৰা নিজৰ আত্মাতে জ্যোতিষ্মান হৈ থকা প্ৰকাশৰ দৰ্শক হবলৈ সক্ষম হম।

তেওঁৰ মতে সমাজৰ সমস্তবোৰ দোষণীয় ব্যৱস্থা দূৰ কৰাৰ উপায় হ’ল শিক্ষা। তেওঁ কৈছিল যে সকলো আত্মাতে দেৱত্ব বিৰাজমান আৰু শিক্ষা হৈছে এই মানৱাত্মাত নিহিত থকা দেৱত্বক প্ৰকট কৰাৰ নাম। শিক্ষকৰ কাম হ’ল তেওঁ নিজৰ আৱৰণ, সহায় সাহায্য আৰু নিজৰ ব্যৱহাৰৰ দ্বাৰা শিষ্যৰ মাজত থকা এই দৈৱী শক্তিটোক জাগ্ৰত কৰিব। অধিকাংশ লোকৰ মাজতে এই দৈৱী শক্তিৰ প্ৰকাশ দেখা নাযায়। যেন লোহ আবেষ্টনীৰ মাজত কোনোবাই ‘জ্যোতি’ জগাবলৈ ধৰিছে আৰু ভিতৰৰ সেই ৰশ্মি তাক ভেদি বাহিৰলৈ ওলাবলৈ সক্ষম হোৱা নাই। পৱিত্ৰ আচৰণ আৰু স্বাৰ্থত্যাগৰ দ্বাৰা লাহে লাহে এই আবেষ্টনীৰ ‘অপাৰদৰ্শিতা’ ঢিলা হৈ যাব ধৰে আৰু শেষ পৰ্য্যন্ত ‘পাৰদৰ্শিতা’ লাভ কৰে। শিক্ষকৰ কৰ্ত্তব্য হ’ল ছাত্ৰক নিশ্চিত ভাবে নিজৰ ৰাষ্ট্ৰীয় আৰু আধ্যাত্মিক উত্তৰাধিকাৰৰ পিনে আগবাঢ়িবলৈ জাগ্ৰত কৰা আৰু প্ৰেৰণা যোগোৱা।

“শিক্ষাৰ অৰ্থ অসংখ্য অনাহক বস্তু মগজুত সোমাই দিয়াটোৱে নহয়—সিবোৰে কেৱল মগজুক ঘোলাহে কৰে। মানুহৰ জীৱন আৰু চৰিত্ৰ গঢ়িবৰ কাৰণে দিয়া শিক্ষা—যাক ছাত্ৰই সহজতে গ্ৰহণ কৰিব পাৰে সেইয়াহে বাস্তৱিক শিক্ষা। এজন লোকে দুই চাৰিটা বিষয় বা তত্ত্বকে যদি ভালদৰে আয়ত্ব কৰিব পাৰিলে আৰু তাকেই জীৱনৰ আধাৰ হিছাপে ল’ব পাৰিলে, তেন্তে সেইজন লোক সম্পূৰ্ণ পুথিভঁৰাল এটা মুখস্ত কৰি পেলোৱা লোক এজনতকৈ অধিক শিক্ষিত হ’ব। ‘শিক্ষা’ আৰু ‘জানোতা’ৰ মাজত যদি প্ৰভেদ নাথাকিল হয় তেন্তে পুস্তকালয়কে সাধু-সন্থ আৰু বিশ্ব-জ্ঞান-কোষকেই ডাঙৰ ঋষি বুলি বুজিলোঁহেঁতেন।”

তেওঁ দেশৰ শিশুসকলক চৰিত্ৰ গঠন কৰিব পৰা শিক্ষা দিয়াৰ পোষকতা কৰিছিল—যাৰ দ্বাৰা সিহঁতৰ মানসিক শক্তি বৃদ্ধি পাব, বুদ্ধি বিকশিত হ'ব আৰু আত্মনিৰ্ভৰশীল হৈ চলিব পাৰিব। আজি আমাৰ অতীব প্ৰয়োজন হৈছে পুৰণি জ্ঞান-পৰম্পৰাক বুজা, পশ্চিমীয়া বিজ্ঞান আৰু ভাষাৰ অধ্যয়ন কৰা। যন্ত্ৰৰ ব্যৱহাৰিক জ্ঞানো আমাক লাগে। তাৰ দ্বাৰা আমাৰ শিল্প-উদ্যোগৰ বিকাশ সাধন হ'ব আৰু আমি চাকৰি বিচাৰি ঘূৰি ফুৰাৰ সলনি উৎপাদনক্ষম হৈ দেশক সমৃদ্ধি সম্পন্ন কৰিবলৈ সক্ষম হ'ব পাৰিম।

উচ্চ উপলব্ধিৰ কাৰণে তিনিটা কথা অনিবাৰ্য্য বুলি তেওঁ কৈছিল। প্ৰথম হ'ল—'সহৃদয় হোৱা'। বুদ্ধি অথবা ধীত কি আছে? সি কিছুদূৰ আগবাঢ়ি আকৌ বস্তু হৈ যায়। কিন্তু হৃদয়ে সদায় প্ৰেৰণা যোগায়। প্ৰেমৰ দ্বাৰা সমস্তবোৰ অৱৰুদ্ধ দ্বাৰ উন্মুক্ত হৈ যায়। সেই কাৰণে "হে মোৰ দেশৰ ভৱিষ্যত দেশভক্ত সকল, সহৃদয় হোৱা। তুমি কেতিয়াবা ভাবানে, যে দেৱতা আৰু ঋষিৰ এই কোটি কোটি সন্তানে পশুবৎ আচৰণ কৰিব ধৰিছে? তুমি ভাবানে যে দেশৰ মানুহ ক্ষুধাৰ তাড়নাত মৰিব ধৰিছে আৰু বহুতো যুগৰে পৰা এনেকৈ মৰিয়ে আহিছে? তুমি কেতিয়াবা ভাবানেকি যে অজ্ঞান আন্ধাৰে দেশক এফালৰ পৰা ঢাকি আহিছে? তোমাক জানো এইবোৰে ব্যাকুল কৰে? ইয়াৰ কাৰণে জানো তুমি ৰাতিৰ পিছত ৰাতি বিনিদ্ৰ ৰজনী কটাইছা? এই চিন্তাবোৰ জানো তোমাৰ শিৰাই উপশিৰাই বিয়পি পৰিছে? তোমাৰ অন্তৰত জানো ইয়ে থৌকি-বাথৌ কৰি তুলিছে। এই চিন্তাবোৰৰ কাৰণে জানো তুমি বলিয়া হৈ গৈছা? এই সৰ্ব্বনাশবোৰৰ চিন্তাতে তুমি জানো অন্য সকলোবোৰ পাহৰি গৈছা? যশ, মান, কীৰ্ত্তি, ধন-ধৰণী, সকলোকে—আনকি তোমাৰ দেহটোকো ইয়াৰ আগত তুচ্ছ জ্ঞান কৰিছা? তুমি জানো এইবোৰ কৰিছা? এয়েই হ'ল প্ৰথম খোজ!"

"ইমানখিনি তন্ময়তা অহাৰ পিছত ৰব ৰব কথাতে তুমি তোমাৰ শক্তি ক্ষয় নকৰিবা। ইয়াৰ কোনো ব্যৱহাৰিক ফল বিচৰা। মানুহক জীৱনজোৰা এই কষ্ট আৰু জীৱন্মৃত অৱস্থাৰ বাহিৰলৈ আনিবলৈ যত্ন কৰা। ইয়াৰ কাৰণে নিজৰ সংকল্প শক্তিক তুমি সংগৃহীত কৰিব লাগিব। তুমি জানো সন্মুখৰ বাধাৰ প্ৰাচীৰবোৰ লঙ্ঘিবলৈ যত্নবান হৈছা? তোমাৰ মাজত জানো ইমানখিনি সাহস আছে—যে এপিনে সমস্ত সংসাৰ তোমাৰ বিৰুদ্ধে আৰু আনপিনে তুমি যাক সত্য বুলি জ্ঞান কৰিছা তাতেই দৃঢ়তা অৱলম্বন কৰি আছা? নিজৰ

স্ত্ৰী-পুত্ৰৰ বিৰোধ, সন্মান আৰু ধন-সম্পত্তিৰ বিঘিনিযেও জানো তোমাক তেনে অবস্থাত বিচলিত কৰিব নোবাৰিব? এনেকুৱা পৰিস্থিতিতো জানো তুমি তোমাৰ বাটত নিশ্চলভাৱে আগবাঢ়ি যাব পাৰিবা? ভৰ্তৃহৰিৰ কথা এষাৰ আছে—'নীতিনিপুণ সকলে আনে নিন্দাই কৰক অথবা বন্দনাই কৰক, লক্ষ্মী আহকেই বা যাওকেই, মৃত্যু আজিযেই আহক অথবা যুগ যুগৰ পিছতো আহক—সেই জনেই প্ৰকৃত পুৰুষ যিজন ন্যায়-পথৰ পৰা কাহানিও বিচলিত নহয়।'—তুমি জানো এই ধৰণৰ দৃঢ়তা লাভ কৰিছা? যদি এই তিনি বিধকেই তুমি লাভ কৰিছা, তেন্তে প্ৰতি বিধেই তুমি বিধাতা হ'লা বুলি জানিবা।"

"আমি প্ৰাৰ্থনা কৰোঁহক আহাঁ যাতে আমি পোহৰ লাভ কৰিব পাৰোঁ। আন্ধাৰৰ কুৰ্বলী ফালি পোহৰ আমালৈ আহিব আৰু কোনোবা এজনে আমাক হাতত ধৰি সেই পোহৰৰ বাটেৰে লৈ যাব। আমি দিন ৰাতি ভাৰতৰ সেই কোটি কোটি দীন-দুখীৰ কাৰণে প্ৰাৰ্থনা কৰোঁহক আহাঁ—যিসকল দৰিদ্ৰতা, পণ্ডিত পুৰোহিত আৰু অত্যাচাৰৰ কবলত পৰি আছে। মই উচ্চ পদবীধাৰী আৰু সম্পন্ন লোক সকলতকৈ এই সকলৰ মাজলৈহে বেছিকৈ অহাযোৱা কৰিবলৈ বিচাৰোঁ। সঁচা কথা, মই কোনো দাৰ্শনিক অথবা সাধু-সন্ত নহওঁ। মই এক দৰিদ্ৰ আৰু দৰিদ্ৰ সকলক মই মৰম কৰোঁ। দৰিদ্ৰতা আৰু অজ্ঞান অন্ধকাৰৰ মাজত পোত গৈ থকা মোৰ দেশৰ এই একুৰি কোটি মানুহৰ যেযে ভাবে মই তেওঁকেই মহাত্মা বুলি সন্মান দেখুৱাম। কিন্তু ক'তা সেইজন পুৰুষ, যিজনে এইসকলৰ কাৰণে ব্যাকুল হৈ ফুৰিছে? এওঁলোকৰ নাই শিক্ষা, পোৱা নাই জ্ঞানৰ পোহৰ এই সকল লোকে। কোনে এই সকল লোকক সেই জ্ঞানৰ পোহৰ দেখুৱাব? কোন সেইজন যিজনে এই দীন-দৰিদ্ৰৰ ঘৰৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিব? ভোক-পিয়াহ, অভাৱ-অনাটন আৰু অজ্ঞানতা-পীড়িত এই সকল জনতাই তোমাৰ ভগবান। সিহঁতৰ কাৰণে চিন্তা কৰা, সিহঁতৰ কাৰণে কাম কৰা, সদায় কেবল সিহঁতৰ কাৰণেই কাম কৰা। ভগৱানে তোমাক বাট দেখুৱাব।"

মানুহৰ চিন্তা শক্তিৰ বেগ অতি বেছি। সি অনায়াসেই দূৰদূৰণিলৈ ধাৱমান হয়। কোনো ব্যক্তিৰ মনৰ তলিৰপৰা নিৰ্গত হোৱা প্ৰতিটো চিন্তা-তৰঙ্গ ধাবিত হৈ গৈয়ে থাকিব যেতিয়ালৈ সি নিজৰ যোগ্য কোনো পাত্ৰ লাভ নকৰে। পয়গম্বৰ বা সাধু-সন্তসকলৰ দ্বাৰা যিবোৰ মহান আৰু গভীৰ চিন্তা উদ্‌গাৰিত হৈছিল সি অন্য আৰু কোনো মহান মনত গৈ থিতাপি লাভ

কৰিছিল আৰু সিয়ে সেই জনৰ ওপৰত নিজৰ ছাপ বহুৱাই দিছিল। স্বামী বিবেকানন্দৰ মনত ভাৰতীয় জনতাৰ প্ৰতি যি মমত্ব আৰু কৰুণা ভৰি আছিল সিয়ে কালত গৈ এজন মহাভাগ পুৰুষৰ মাধ্যমেৰে প্ৰতিফলিত হ'ল। স্বামীজীয়ে কৈছিল—"যিজনে দুখীয়া নিচলাৰ কাৰণে চিন্তা কৰে, তেওঁকে মই মহাত্মা বুলি কম।" আৰু সঁচাকৈয়ে এনেধৰণৰ মহাত্মা এজনকে দেশে লাভ কৰিলে।

বৰ্ত্তমান শতাব্দীৰ পূৰ্ব্বাৰ্দ্ধ-ভাগত গান্ধীজীতকৈ মহান ব্যক্তি দ্বিতীয়জন সংসাৰত ওপজা বুলি ক'ব নোৱাৰি। তেওঁ সংসাৰক কেৱল এক সনাতন বাণীয়েই দিয়া নাছিল—লগে লগে তেওঁ অসংখ্য লোকৰ মনৰ তলিত নিজৰ ভাৱনাকো প্ৰতিষ্ঠা কৰিছিল। অসংখ্য লোকক তেওঁৰ আদৰ্শ অনুসৰণ কৰিবলৈ প্ৰেৰণা যোগাইছিল আৰু সেই প্ৰেৰণাৰ বশীভূত হৈ এই লোকসকল কৰ্ম্মক্ষেত্ৰত নামি পৰিছিল। এনেধৰণৰ আদৰ্শদাতা পুৰুষৰ জন্ম সংসাৰত কাচিতহে হৈছে। য'লৈকেই তেওঁ গৈছিল ত'তেই লাখ লাখ লোক সন্মিলিত হৈছিল। সেই সকল লোকক তেওঁ শিকাইছিল এক সুন্দৰ জীৱন পদ্ধতিৰ কথা; আৰু শিকাইছিল ব্যক্তিগত আৰু সামাজিক জীৱনত স্বচ্ছতা, নিয়মানুবৰ্ত্তিতাৰ কথা। নিৰ্ভয় হৈ জীয়াই থকা আৰু নিজৰ শক্তিৰ ওপৰত বিশ্বাস ৰাখি জীৱনক আগবঢ়াই নিয়াৰ কথাও তেওঁ শিকাইছিল। সংসাৰত এনে ধৰণৰ শিক্ষক কেতিয়াও ওপজা নাছিল বুলিব লাগে। তেওঁ দেশৰ কোটি কোটি লোকৰ প্ৰতি সেৱা প্ৰদৰ্শন কৰিব লাগিছিল—সেই কাৰণে তেওঁৰ সেৱাৰ আধাৰ ব্যক্তিপ্ৰেম বা ব্যক্তিনিষ্ঠা নহৈ কিছুমান মূলীভূত সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত আছিল। আচৰিত কথা যে ইয়াৰ মাজেৰেও তেওঁ ৰাষ্ট্ৰীয় কাৰ্য্যত লাগি থকা হাজাৰ বিজাৰ কাৰ্য্যকৰ্ত্তাৰ সুখ-দুখ আৰু কল্যাণৰ বা-বাতৰি ব্যক্তিগত ভাবেও ৰাখিছিল। এই সকল সাধাৰণতে ভ্ৰমণকালত তেওঁৰ সম্পৰ্কলৈ অহা লোক আছিল। গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় কাৰ্য্যৰ মাজেৰেও এইসকলৰ ব্যক্তিগত সমস্যাৰ সমাধানৰ বাবে তেওঁ সময় উলিয়াই লৈছিল। এই কাৰণেই হাজাৰ হাজাৰ লোকক তেওঁ কেতিয়াও চিঙিব নোৱাৰা ডোলেৰে নিজৰ লগত নিবিড়ভাবে বান্ধি ৰাখিছিল। কেতিয়াবা কেতিয়াবা নিজে অত্যন্ত বিপদৰ সন্মুখীন হৈও এনে লোকৰ সেৱা-সৎকাৰ কৰিছিল। মহাৰোগত আক্ৰান্ত পৰচুৰে শাস্ত্ৰীয়েই এই ক্ষেত্ৰত এক জ্বলন্ত উদাহৰণ। দীন-হীনৰ প্ৰতি থকা তেওঁৰ প্ৰেম নিজৰ উশাহ-নিশাহৰ দৰেহে যেন আছিল। সমাজে যাক নীচ অথবা বহিষ্কৃত বুলি কৈছিল গান্ধীজীয়ে সেই সকলক কৈছিল 'হৰিজন' বুলি।

তেওঁলোকৰ উন্নতিৰ বাবে তেওঁ কঠোৰ শ্ৰম কৰিছিল। তেওঁলোকৰ লগত তেওঁ একত্ৰভাৱ প্ৰতিস্থাপিত কৰিছিল। তেওঁৰ আন্দোলনবোৰ আছিল ৰচনাত্মক। সেই ৰচনাত্মক কাৰ্য্যসূচীবোৰ তেওঁ জনতাৰ সন্মুখত ৰাখিছিল। খাদীৰ প্ৰচাৰ, অস্পৃশ্যতা বৰ্জ্জন, গ্ৰামোদ্যোগ আৰু প্ৰৌঢ়শিক্ষাৰ প্ৰচাৰ—এই সকলোবোৰৰ উদ্দেশ্য এটাই আছিল—অৰ্থাৎ গৰীবৰ সেৱা। গান্ধীজীয়ে প্ৰথমতে ভাৰতীয় জনসাধাৰণৰ মনৰপৰা ভয়ৰ ভূতটোক আঁতৰোৱাটো অতি আৱশ্যক বুলি অনুভৱ কৰিছিল। শতিকা জুৰি এইসকলৰ ওপৰত বিদেশী আক্ৰমণকাৰী আৰু দেশী ক্ষমতাশালী লোকসকলে কৰা অত্যাচাৰ আৰু শোষণৰ ফলত এওঁলোক দৰিদ্ৰ হৈ গ'ল, এই সকল অতি হীন অৱস্থালৈ নামি গ'ল। বিদেশী শাসনকৰ্ত্তা আৰু তেওঁলোকৰ সহায়ক আমোলাসকলৰ ভয়ে তেওঁলোকক ঢাকি ৰাখিছিল আৰু তেওঁলোকৰ নিজৰো যে কিবা এটা কতৃত্ব বা শক্তি আছে তাৰ ওপৰত কোনো ভৰসা নাছিল। গান্ধীজী কাৰ্য্যক্ষেত্ৰলৈ আহিয়ে এই ৰোগটো ভালকৈ ধৰিব পাৰিলে। সেই কাৰণে তেওঁ বুজিলে যে এই ভয়াৰ্ত্ত মনত সাহসৰ বীজ ৰোপণ কৰাই তেওঁৰ প্ৰথম কাম হব। তেওঁ গোটেই দেশ ভ্ৰমণ কৰিলে; দেশৰ কোনো চুক-কোণকে তেওঁ বাদ নিদিলে। জনসাধাৰণ তেওঁৰ নিঃস্বাৰ্থ সেৱাৰ দ্বাৰা ক্ষন্তেকতে প্ৰভাৱিত হৈ পৰিল। য'লৈকে তেওঁ গৈছিল তাতেই কৈছিল—"বোপাইহঁত, ভয় নকৰিবা।" তেওঁ সেইসকলৰ হৃদয়লৈ আত্মবিশ্বাস আনি দিলে আৰু ক'লে যে আত্মাভিমান ৰক্ষা হেতু ডাঙৰতকৈও ডাঙৰ ক্ষতিৰ কাৰণে আমি নিজকে সাজু ৰাখিব লাগিব। আচৰিত কথা যে বুদ্ধিবাদী পণ্ডিতসকলে তেওঁৰ আদৰ্শৰ জোখ-মাপ কৰিয়ে থাকিল—ইপিনে সৰ্ব্বসাধাৰণ জনতাই তাক শিৰৰ নিৰ্ম্মালি যেনকৈ তুলি ল'লে। তেওঁ ক'লে—"নিজৰ সিদ্ধান্ত ৰক্ষাৰ হেতু প্ৰয়োজন হ'লে আমি জেললৈও যাবলৈ প্ৰস্তুত থাকিব লাগিব।" হাজাৰ হাজাৰ ডেকা-শক্তি গান্ধীজীৰ এই বাণীৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁৰ পিছ ল'লে আৰু জেল খাটিলে। এইদৰেই 'অধিকাৰী'ৰ ভয়ৰ পৰা সৰ্ব্বসাধাৰণ জনতাৰ মুক্তি ঘটিল। লগে লগে আহিব ধৰা দুই শতাব্দীলৈ লাখ লাখ তৰুণ স্ত্ৰী-পুৰুষে অতি ভয়ানক কষ্টৰ কাৰণে—এনেকি দেশৰ স্বাধীনতাৰ কাৰণে বন্দুকৰ গুলীৰ সম্মুখীন হ'বলৈও শিকি ল'লে।

স্বামীজীয়ে কৈছিল - "সত্যক সাহসেৰে উৎঘোষিত কৰা। সমস্ত সত্যই শ্বাশ্বতী সত্য আত্মাৰ স্বভাৱ। সত্যনো বাৰু কি? যি কথাৰে তোমাৰ শৰীৰ, বুদ্ধি বা আত্মাক দুৰ্ব্বল কৰা যেন অনুভৱ হয় সিয়ে অসত্য। তাক বিষৱৎ

ত্যাগ কৰা। তাত জীৱনৰ নামমাত্ৰও নাই, সি কেতিয়াও সত্য হব নোৱাৰে। সত্য হল শক্তিদাতা, পৱিত্ৰ, আৰু ই হ'ল সম্পূৰ্ণ জ্ঞান। ই প্ৰকাশ দেখুৱাওঁতা আৰু উৎসাহদাতাও। এই কথাষাৰি মনত ৰাখিবা যে মহানতকৈও মহান সত্যটো সংসাৰৰ অতি নগণ্য তত্ব মাথোন। যেনেকৈ সংসাৰত তোমাৰ জন্ম আৰু মৃত্যু। ইয়াক বুজিবলৈ চেষ্টা কৰা, ইয়াক গ্ৰহণ কৰা, জীয়াই থকা, আৰু চোৱা যে ভাৰতৰ মুক্তি অনতিদূৰত থিয় হৈ আছে।"

গান্ধীজীয়ে নিজৰ জীৱনত এই সিদ্ধান্তবোৰক এনেকৈ সমাহিত কৰি ললে যে তেওঁ সত্যকেই ঈশ্বৰ বুলি মানিলে। তেওঁ যি সত্যৰ কথা কৈছিল আৰু যাৰ বিষয়ে তেওঁ লিখিছিল সি কেৱল বুদ্ধিগ্ৰাহ্য দাৰ্শনিক চিন্তা নাছিল— সি এনে এবিধ বস্তু আছিল যাক নিজৰ দৈনন্দিন কাম-কাজৰ মাজত সমাবিষ্ট কৰি ৰাখিছিল। তেওঁ ছাত্ৰ, শিক্ষক, শাসক, ৰাজনীতিবিদ, ব্যৱসায়ী, ডাক্তৰ আৰু অন্যান্য বৃত্তিধাৰীৰ নিজৰ নিজৰ দৃষ্টিৰে সত্যৰ ব্যাখ্যা কৰিছিল আৰু তাক সেই সেই ক্ষেত্ৰত প্ৰয়োগ কৰি তেওঁ আমাক কৈছিল যে যিমানখিনিলৈ আমি পাৰো সিমানখিনিলৈ আমাৰ দৈনিক জীৱনৰ লগত তাক প্ৰয়োগ কৰি তাৰ পিছে পিছে চলোহক। তেওঁ কৈছিল— "ইয়াৰ কাৰণে আমি যিযেই মূল্য দিব লগীয়া নহওঁ কিয়, এই সত্যক আমি নিজৰ জীৱনত প্ৰয়োগ কৰিবই লাগিব।" কোনো কোনোৱে কৈছিল যে যিহেতুকে আমাৰ উদ্দেশ্য ৰাজ্য প্ৰাপ্তিহে, গতিকে তাক যি কোনো প্ৰকাৰে লাভ কৰাটো দোষণীয় কথা নহয়। গান্ধীজীয়ে অতি দৃঢ়তাৰে ইয়াৰ বিৰোধিতা কৰিছিল আৰু কৈছিল যে সাধন সাধ্যতকৈ কম মহত্বপূৰ্ণ নহয়। সত্য, প্ৰেম আৰু অহিংসাই হৈছে ইয়াৰ একমাত্ৰ সাধন। বহুতৰে ধাৰণা আছিল যে সত্য আৰু অহিংসা কেজনমান বচা বচা মানুহৰহে সাধনাৰ বিষয় হ'ব পাৰে—গতিকে ইয়াক 'সাধন' হিচাপে গ্ৰহণ কৰিব নোৱাৰি। গান্ধীজীয়ে এটা অসাধাৰণ কাম কৰিছিল যে তেওঁ ইয়াক কেৱল নিজৰ জীৱনতে প্ৰয়োগ কৰি নেৰিলে, বৰং দেশৰ অজস্ৰ স্ত্ৰী-পুৰুষক নিজৰ এই সাঁচত ঢালি ল'লে।

সত্য আৰু প্ৰেম, ভ্ৰাতৃত্ব আৰু সেৱাৰ বাণী প্ৰচাৰ কৰোঁতা মহাপুৰুষৰ জন্ম আগতেও হৈছিল। তেওঁলোকে হাজাৰ হাজাৰ লোকক অনুপ্ৰাণিত কৰিছিল আৰু লগে লগে অনেক অনুষ্ঠানৰ জন্মও দিছিল। কিন্তু এই ক্ষেত্ৰত গান্ধীজীৰ এক বিশেষত্ব আছিল। তেওঁ কেবল ব্যক্তিগত ভাবে এই আদৰ্শৰ কাৰণে জীৱন উৎসৰ্গ কৰিবৰ বাবে প্ৰেৰণা যোগোৱা নাছিল, বৰং এই সিদ্ধান্ত-

বোৰৰ বিকশিত ৰূপ দিয়া এক জীৱন-পদ্ধতিও সমাজ আৰু শাসনৰ সম্মুখত ৰাখিছিল। যাক আমি সাধাৰণতে গান্ধীবাদী অৰ্থশাস্ত্ৰ বুলি কওঁ—সি এই সত্যবোৰৰেই মানৱ জীৱনত প্ৰয়োগ কেৱল; ই এনে এক প্ৰয়োগ যাৰ দ্বাৰা প্ৰতিজনে ব্যক্তিয়েই পাৰস্পৰিক মিত্ৰতাত আৱদ্ধ হ'ব পাৰে, লগে লগে ইয়াৰ দ্বাৰা সম্পূৰ্ণ ৰাষ্ট্ৰই পাৰস্পৰিক ভ্ৰাতৃত্বৰ ভাব বহন কৰিব পাৰে।

গান্ধীজীয়ে আমাৰ মাজত থকা আৰ্থিক অসমতা—যাৰ দ্বাৰা সমাজত ঘৃণা আৰু ঈৰ্ষা বিয়পি পৰিছিল—তাক উচ্ছেদ কৰিবলৈ বিচাৰিছিল। সেই কাৰণেই তেওঁ ধনীসকলৰ প্ৰতি কৈছিল যে তেওঁলোকৰ হাতত যি ধন গচ্ছিত আছে সেয়া তেওঁলোকৰ ব্যক্তিগত নহয়—দুখীয়া লোকসকলৰ হে আৰু তেওঁ-লোক সেই ধনৰ ভঁৰালীহে (ট্ৰাষ্টী) কেৱল। জনসাধাৰণৰ প্ৰতি তেওঁ কৈছিল যে যদিও খাদী আৰু গ্ৰামোদ্যোগৰ বস্তুবোৰ তুলনামূলক ভাবে অধিক দামী, তথাপি আমি সেইবোৰ বস্তুহে কিনা উচিত কাৰণ ইয়াৰ দ্বাৰা দেশৰ গৰীবসকলৰ প্ৰতি কাৰ্য্যকৰী সহানুভূতি দেখুওৱা হ'ব। তেওঁ উচ্চবৰ্ণ হিন্দুসকলক হৰিজনৰ মাজলৈ গৈ তেওঁলোকৰ সেৱা কৰিবলৈ আৰু দেশৰ ডেকা-গাভৰু সকলক দীন-দুখী ভাই-ভনী সকলৰ সেৱাত আত্মনিয়োগ কৰিবলৈ প্ৰেৰণা দিছিল। গান্ধীজীয়ে দেশৰ মুক্তি আৰু স্বতন্ত্ৰতাৰ কাৰণে যুদ্ধ কৰিছিল। গান্ধীজীৰ স্বতন্ত্ৰতাৰ অৰ্থ আছিল প্ৰতিজন লোকৰে বিকাশ আৰু সকলোৰে বাবে অভিব্যক্তিৰ সমান সুবিধা দান। সেই কাৰণে তেওঁ আৰ্থিক আৰু সামাজিক অসমতা দূৰ কৰিবলৈ বিচাৰিছিল। সেই কাৰণেই তেওঁ গোটেই জীৱন জুৰি অস্পৃশ্যতা আৰু জাতিভেদৰ বিৰুদ্ধে সংগ্ৰাম কৰিলে। তেওঁৰ মতে দেশৰ সৰুতকৈও সৰুজন মানুহে ৰাষ্ট্ৰৰ ডাঙৰতকৈও ডাঙৰ দায়িত্ব পালন কৰাৰ সুবিধা পাব লাগে। তেওঁৰ এই উদ্দেশ্য পূৰণৰ অৰ্থে এখন কাৰ্য্যসূচী হাতত দিছিল আৰু তাৰ নামো দিছিল ৰচনাত্মক কাৰ্য্যসূচী। তেওঁৰ এই কাৰ্য্যসূচীখনকে ভাৰতীয় স্বতন্ত্ৰতা ভৱনৰ গৌৰৱপূৰ্ণ নিৰ্ম্মাণৰ ভেটী বুলি মনা হয়।

গান্ধীজীয়ে নিজৰ জীৱন-পদ্ধতিৰ দ্বাৰা শ্ৰমৰ মৰ্যাদা উন্নত কৰিলে। শ্ৰম আৰু সদ্‌ভাবনাৰ দ্বাৰা সৃষ্ট বস্তুৰে কাম কৰাতকৈ ডাঙৰ বস্তু আৰু একো নাই। সামাজিক অসমতা আৰু শোষণৰ সমাপ্তিৰ কাৰণে প্ৰতিজন লোকেই শ্ৰম কৰা উচিত। সেই কাৰণে তেওঁ এইটোত জোৰ দিছিল যে প্ৰতিজন লোকেই প্ৰতিদিনেই অলপ নহয় অলপ শাৰীৰিক শ্ৰমমূলক উৎপাদন কৰিব লাগে। ইয়াৰ উদ্দেশ্য আছিল জাতি বা বৰ্গহীন সমাজ এখন স্থাপন কৰা

য'ত বলীয়ে নিৰ্ব্বলীক শোষণ কৰিব নোৱাৰে। ভাৰতীয় সমাজত শিপাই লোৱা জাতিভেদ আৰু বিদেশীৰ দ্বাৰা প্ৰচলিত শিক্ষা-ব্যৱস্থাবোৰ ইয়াৰ বাটৰ বাধা স্বৰূপ আছিল। শিক্ষিত সকলে শাৰীৰিক শ্ৰমৰ প্ৰতি ঘৃণা ভাব পোষণ কৰিছিল। সেই কাৰণেই গান্ধীজীয়ে আমাৰ দেশৰ বাবে এনে এক নতুন শিক্ষা-ব্যৱস্থাৰ বিকাশ সাধন কৰিবলৈ বিচাৰিছিল যাৰ দ্বাৰা দেশৰ যুৱকসকলৰ কৰ্ম্মপ্ৰেৰণা, নিৰন্তৰ শাৰীৰিক শ্ৰমৰ অভ্যাস, সমবায় ভাব আৰু সামাজিক দায়িত্বৰ প্ৰশিক্ষণৰ ভেটী প্ৰতিষ্ঠা কৰিব পৰা হ'ব। লগে লগে সেইবোৰলৈ ডেকাসকলক আকৰ্ষিত কৰিব পৰাটো সম্ভৱ হ'ব। গান্ধীজীৰ উদ্দেশ্য পূৰ্ত্তিৰ বাবে প্ৰবৰ্ত্তন কৰা বুনিয়াদী শিক্ষা-ব্যৱস্থা ইয়াৰেই ব্যৱহাৰিক ফল। শিক্ষাৰ এই নতুন আদৰ্শৰ দ্বাৰা জ্ঞানত কৰ্ম্মৰ চাৰিওফালে পৰিক্ৰমা কৰোৱাৰ চেষ্টা কৰা হৈছিল। এই কৰ্ম্ম কেইবাপ্ৰকাৰৰ হ'ব পাৰে। কেৱল ব্যক্তিগত স্বচ্ছতাই ইয়াৰ দ্বাৰা আশা কৰা হোৱা নাছিল—সামাজিক স্বচ্ছতাও। বুনিয়াদী শিক্ষা-ব্যৱস্থা কেৱল এটা নতুন শিক্ষা পদ্ধতিয়েই নাছিল বৰং ই এক জীৱন-দৰ্শনো আছিল যাৰ কাৰণে গান্ধীজী জীয়াই আছিল আৰু যাৰ কাৰণে তেওঁ প্ৰাণ-ত্যাগ কৰিলে। তেওঁৰ নিজৰ ভাষাতে ক'বলৈ হ'লে—"এই নতুন শিক্ষাৰ শেষ উদ্দেশ্য এক ভাৰসাম্যপূৰ্ণ আৰু নিৰ্ম্মল ব্যক্তিত্বৰ নিৰ্ম্মাণেই নাছিল, বৰং ইয়াৰ উদ্দেশ্য আছিল এনে এক সমাজ নিৰ্ম্মাণ কৰা যাৰ আধাৰ হ'ব পূৰ্ণ ন্যায়। তাত সামাজিক ভাবে সম্পন্ন আৰু বিপন্নৰ মাজৰ কোনো ভেদ নাথাকিব। সকলোৰে জীৱন ধাৰণৰ আৰু স্বতন্ত্ৰতাৰ সম্পূৰ্ণ অধিকাৰ সমভাবে ভোগ কৰিব।

বিবেকানন্দৰ দৰে গান্ধীজীয়ে মানিছিল যে ব্যক্তিগত জীৱনৰ পৱিত্ৰতাৰ আধাৰত হে প্ৰকৃত শিক্ষাৰ ভেটী নিৰ্ম্মাণ কৰি তুলিব পৰা হব। তেওঁ কৈছিল—"প্ৰকৃত শিক্ষা নিৰ্ম্মাণৰ একমাত্ৰ আৰু অনিবাৰ্য্য চৰ্ত্ত হ'ল ব্যক্তিগত জীৱনৰ পৱিত্ৰতা। হাজাৰ হাজাৰ ছাত্ৰৰ সংস্পৰ্শলৈ আহি আৰু তেওঁলোকৰ লগত কৰা পত্ৰ ব্যৱহাৰৰ দ্বাৰা মই এইটো ভালদৰে উপলব্ধি কৰিছো যে আমাৰ শিক্ষা পদ্ধতিৰ মাজত বহুতোবোৰ ডাঙৰ ডাঙৰ কেৰোণ সোমাই আছে। এই ছাত্ৰবোৰে মোক বিশ্বাস কৰে আৰু সেইবাবেই সিহঁতৰ সকলোবোৰ কথা কোনো লুকঢাক নোহোৱাকৈ আহি মোৰ সম্মুখত প্ৰকাশ কৰেহি। মই ভাবোঁ ইহঁতে মোৰ কথাবোৰ বুজিব ধৰিছে। 'বিদ্যাৰ্থী' শব্দটোৰ এটা সুন্দৰ প্ৰতিশব্দ আছে—'ব্ৰহ্মচাৰী'। বিদ্যাৰ্থী এটা সাজি লোৱা

শব্দ। ই ব্ৰহ্মচাৰী শব্দটোৰ এক অতি দৰিদ্ৰ সংস্কৰণ। মই ভাবোঁ আপোনালোকে 'ব্ৰহ্মচাৰী'ৰ অৰ্থ জানে। ইয়াৰ অৰ্থ হৈছে—'ব্ৰহ্ম আচৰণ কৰোঁতা' অৰ্থাৎ যিজন অতি কম সময়ৰ ভিতৰতেই ভগৱানৰ ওচৰ পাবলৈ 'জাগি থাকে' ( জাগি থকা আহৰণ কৰে )। সংসাৰৰ ধৰ্ম্মবোৰৰ মাজত অন্য যি মত-মতান্তৰেই নাথাকক কিয়, এটা কথাত এক যে যি কোনো পুৰুষ বা তিৰোতা—যাৰ হৃদয়ত পাপ ভাবনা বিদ্যমান, সি পশুৰ সমান আৰু দৃঢ়তাহীন। আমাৰ বেদপাঠ, সংস্কৃত, লেটিন আৰু গ্ৰীক ভাষাৰ পাণ্ডিত্যৰ কোনো মূল্য নাই যদিহে আমাৰ হৃদয় পৱিত্ৰ কৰিবৰ বাবে সিহঁতপৰা কোনো প্ৰকাৰৰ সহায় নাপাওঁ। আচলতে জ্ঞানৰ উদ্দেশ্য চৰিত্ৰ নিৰ্ম্মাণহে হোৱা উচিত।

গান্ধীজী আমাৰ মাজতে আছিল, আমি তেওঁক দেখিছিলোঁ। তেৱোঁ আমাৰ দৰেই হাড়-মঙ্গহৰ এটা পুতলাহে মাথোন আছিল। ছাত্ৰ হিচাপেও তেওঁ সাধাৰণ আছিল। বুদ্ধি অথবা অন্য কোনো বিষয়তে তেওঁ আন সকলোতকৈ বেলেগ নাছিল। এজন সাধাৰণ কিশোৰৰ মাজত থকা দুৰ্ব্বলতা-বোৰ তেওঁৰ মাজতো আছিল আৰু সেইবোৰৰ প্ৰতিপালনো সাধাৰণ ভাবেই হৈছিল। তথাপি অলপ দিনৰ ভিতৰতে তেওঁ এইবোৰৰপৰা ওপৰলৈ উঠিবলৈ যত্ন কৰিলে। নিজৰ 'আত্মকথা'ত গান্ধীজীয়ে তেওঁৰ মাজত থকা দুৰ্ব্বলতাবোৰৰ কথা স্পষ্টভাবে উল্লেখ কৰিছে। এইদৰে মানুহে পশুত্বৰ শেষ সীমালৈও যাব পাৰে আৰু দেৱত্বৰ উচ্চতম শিখৰলৈও উঠিব পাৰে। গান্ধীজীয়ে তেওঁৰ কঠিন চেষ্টা, বল আৰু উৎসাহেৰে—আৰু তাতোকৈ ডাঙৰ, নিজৰ পৱিত্ৰ জীৱন আৰু স্বাৰ্থত্যাগেৰে দেহৰ দমন কৰি, মানৱীয় দুৰ্ব্বলতা-বোৰৰ ওপৰলৈ উঠি দেহৰহিত দিব্যত্ব প্ৰাপ্তিৰ চেষ্টা কৰিছিল। তেওঁ নিজে দৃঢ় আছিল আৰু ঈশ্বৰৰ ওপৰত দৃঢ় বিশ্বাস আছিল। এই কাৰণেই তেওঁ অতি দুৰ্ব্বহ পৰিস্থিতিকো এনেকৈ পাৰ কৰি দিছিল যে তেওঁৰ বিষয়ে মানুহৰ ধাৰণাই এনে হ'ল যে তেওঁ য'তে বহে ত'তে মন্দিৰ হয়, য'তে ভৰি ৰাখে সিয়ে পৱিত্ৰ ভূমি, আৰু মুখেৰে যি কথাকেই নোলাওক সিয়ে শাস্ত্ৰ-বচন স্বৰূপ হয়। অন্তিম মুহূৰ্ত্ততো তেওঁ কাৰোপৰা একো প্ৰতিদান নিবিচৰাকৈ নিজৰ কৰ্ত্তব্য আৰু সেৱা ব্ৰতত ৰত থাকি মুখত ৰাম নাম লৈয়ে সংসাৰৰপৰা বিদায় মাগিলে।

তেওঁৰ জীৱনৰ মহৎ বাণীবোৰে আমাক শিকালে যে প্ৰতিজন ব্যক্তিয়েই নিজৰ নিজৰ ভাগ্য নিৰ্ম্মাতা—অন্য কাৰো তাত হাত নাই। আমি

নিজেই নিন্দা বা বন্দনাৰ পাত্ৰ। ব্যক্তিগত বা সামূহিক ভাবে গান্ধীজীৰ এই উদ্দেশ্যবোৰ বুজি তাৰপৰা শিক্ষা গ্ৰহণ কৰিব লাগে। আমি এইটো নিশ্চিত ভাবে জানিব লাগে যে আমাৰ ভৱিষ্যত আমাৰ নিজৰ হাততে আছে। কোনোৱে হয়তো তাত বিধি-পঠালি দিব পাৰে বা বাধা প্ৰদান কৰিব পাৰে। তথাপি আমাৰ ভৱিষ্যতৰ অধিকতৰ দায়িত্ব আমাৰ নিজৰ ওপৰতেই নিৰ্ভৰ কৰে—এই তত্ত্বোৰ বুজি লৈ নিজৰ দুৰ্ব্বলতাখিনি দূৰ কৰি, সমগ্ৰ শক্তিকে লগাই নিজৰ উজ্বল ভাগ্য নিৰ্ম্মাণৰ কাৰণে আমি সচেষ্ট হ'ব লাগে।

স্বামী বিবেকানন্দ আৰু মহাত্মা গান্ধী দুয়োজনে স্বভাৱ আৰু দৃষ্টিকোণৰ পিনৰ পৰা মূলতে এক আছিল। ভাৰতৰ প্ৰাচীন সাংস্কৃতিক ভূমিত চৰণ ৰাখি তেওঁলোকে এই মহান দেশখনৰ উজ্বল ভৱিষ্যতৰ সপোন দেখিছিল। দুয়ো-জনে বিশ্বাস কৰিছিল যে ভাৰতৰ হাতত বিশ্বাস প্ৰদান কৰিবৰ যোগ্য বাণী আছে আৰু সেয়া হৈছে আধ্যাত্মিকতাৰ বাণী। গান্ধীজীৰ কথাবোৰৰ দ্বাৰা কেতিয়াবা এনে ভাব হয় যেন সেইবোৰ স্বামীজীৰ কথাহে নেকি!—"ভাৰত পশ্চিমৰ ৰক্তৰঞ্জিত দিশত অৱস্থিত নহয়। এয়াতো শান্তিৰ দিগন্ত আৰু তাক সহজতে দিব্য জীৱনৰ দ্বাৰা প্ৰাপ্ত কৰিব পাৰি। মোৰ মনেৰে ইয়াৰ উদ্দেশ্য অইনতকৈ বেলেগ। ভাৰত জগতৰ ধৰ্ম্মগুৰু হোৱাৰ উপযুক্ত।" এইদৰে দুয়োজনে এইটোও বিশ্বাস কৰিছিল যে পশ্চিমৰ বহুতোবোৰ কথাকে আনি আমি আত্মসাৎ কৰি ল'ব লাগে। বুদ্ধিমত্তাৰ ওপৰত কোনো এক ভূভাগ বা জাতিৰেই একাধিকাৰ হ'ব নোৱাৰে। ভাৰতৰ সভ্যতা আৰু সংস্কৃতিৰ ওপৰত হোৱা আক্ৰমণৰ যদি সি শক্তিৰে সম্মুখীন হ'ব পাৰে তেন্তে সেই সংস্কৃতি —যিটো অপূৰ্ণ হোৱা স্বত্বেও আজিলৈকে কালৰ আঘাত সহি বৰ্ত্তি আছে —সংসাৰৰ শান্তি আৰু প্ৰগতিত স্থায়ী অৰিহনা যোগাব পাৰিব।

দুয়োজন পুৰুষেই দেশক খণ্ড খণ্ড কৰা দাৰিদ্ৰতাৰ বিৰুদ্ধে সজাগ আছিল। দুয়োজনেই স্বীকাৰ কৰিছিল যে যেতিয়ালৈকে এই দাৰিদ্ৰ্য ব্যাধিক দেশৰপৰা দূৰ কৰিব পৰা নাযাব তেতিয়ালৈকে কোনো প্ৰকাৰৰ উন্নতিয়ে দেশৰ বাবে সম্ভৱ নহব। তেওঁলোকে এইটো ভালকৈ অনুভৱ কৰিছিল যে খালি-পেটে ভগৱান ভজন এক বিড়ম্বনা মাথোন। সেয়েহে এই ক্ষেত্ৰত দুয়োজনে 'অসংগ্ৰহ'ৰ ব্ৰত ধাৰণ কৰিছিল। স্বামী বিবেকানন্দ আছিল সন্ন্যাসী; দুই চাৰিযোৰ কাপোৰৰ বাহিৰে তেওঁৰ আৰু সম্পত্তি বোলা কোনো বস্তু নাছিল। গান্ধীজীয়ে মৃত্যুৰ পিছত সম্পত্তিৰ নামত এযোৰ চেণ্ডেল, হাতৰ

ঘড়ীটো আৰু এডাল লাখুটি এৰি গৈছে। আনে জাপি দিয়া দৰিদ্ৰতাৰ তেওঁলোকে সদায় বিৰোধিতা কৰিলে কাৰণ তাৰ দ্বাৰা মানুহ গোলাম হয় আৰু তাতেই আধ্যাত্মিক জীৱনৰ পৰিসমাপ্তি ঘটে। তেওঁলোকে ত্যাগ আৰু আত্ম-সন্তুষ্টিৰহে প্ৰচাৰ কৰিছিল। তাৰ দ্বাৰা ব্যক্তি মুক্ত হয়, শক্তিৰ প্ৰাপ্তি ঘটে আৰু শোষণৰ সলনি মনুষ্যক সেৱানিষ্ঠ কৰি বৰ্গহীন সমাজৰ স্থাপনা সহজ কৰি তোলে।

দুয়োজনেই হিন্দুধৰ্ম্মৰ কুৰীতিবোৰৰ সৰ্ব্বদায় দৃঢ়ভাবে বিৰোধ কৰিছিল। সঁচাকৈয়ে অভাৱনীয় ৰূপে তেওঁলোকে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু এই বিৰোধ ঘৃণাৰ কাৰণে নহয়, মমতাৰ কাৰণেহে। তেওঁলোকৰ উদ্দেশ্য নিন্দা কৰাটো নাছিল বৰং তাক শুদ্ধ-পথলৈ আনি পুষ্ট কৰাহে আছিল।

স্বামীজীয়ে কৈছিল—“আমাৰ এই ৰাষ্ট্ৰীয় জাহাজখনে লাখ লাখ আত্মাক জীৱন সাগৰৰ ইপাৰৰ পৰা সিপাৰলৈ অনা নিয়া কৰি আছে। কিমান জ্যোতিস্মান শতিকাৰ আগৰ পৰাই এই ক্ৰম চলি আহিছে আৰু অসংখ্য আত্মাক সি দেৱত্বৰ পাৰত উঠাই দিছেহি। আমি জানো এতিয়া ইয়াক শুদ্ধ পথলৈ আনিবৰ চেষ্টা নকৰি ত্যাগ কৰাটোকহে উত্তম উপায় বুলি গ্ৰহণ কৰিম? আমি জানো দোষ খোচৰোতে ব্যস্ত থাকিম? যদি আমাৰ এই ৰাষ্ট্ৰীয় জলযানখনত ছিদ্ৰ ওলাইছে—আমাৰ সমাজ দুৰ্ব্বল হৈ পৰিছে—তেন্তে আমি কম নেকি যে ই আমাৰ নহয়? আমি দৃঢ়তাৰে ইয়াক নিৰ্দ্দোষ কৰিবলৈ আগুৱাই যাব লাগে। আমি নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিও ইয়াক নিচ্ছিদ্ৰ কৰিব লাগিব। নহ'লে আমি সকলোৱেই বুৰি মৰিম। আমি নিজৰ মগজুৰে এই ছিদ্ৰ বন্ধ কৰিবৰ বাবে সচেষ্ট হব লাগিব।—ইয়াক ত্যাগ কৰা বা নিন্দা কৰাৰ অধিকাৰ কিন্তু আমাৰ নাই। ইয়াৰ মহান অতীতটোৰ কাৰণেই মই ইয়াক ভাল পাওঁ। তোমালোকক মই এইবাবেই ভাল পাওঁ যে তোমালোক দেৱপুত্ৰ আৰু তোমালোক আমাৰ গৌৰৱমণ্ডিত পুৰুষসকলৰ সতি-সন্তান। তোমালোকে যিহকেই নকৰা লাগে তোমালোকক নো মই কেনেকৈ অভিশাপ দিওঁ?” স্বামীজীৰ এই শব্দবোৰ সহজেই আমি বাপুজীৰো বুলি মানিব পাৰোঁ। দুয়োজনে দেশৰ সন্তান আছিল। দেশখনক তেওঁলোকে প্ৰাণভৰি ভাল পাইছিল আৰু ভাল পোৱাৰ কাৰণেই তেওঁলোকৰ অন্তৰ আৰু মস্তিষ্কই এনে এক গতিশীল শক্তিক জন্ম দিছিল যাৰ স্পৰ্শই অজ্ঞান হৈ পৰি থকা সমস্ত সংসাৰৰ লাখ লাখ মানুহক নতুন জীৱনোৎসাহৰে পূৰ্ণ কৰি তুলিলে আৰু এক মহত্তৰ জীৱনৰ সাধনাত মগ্ন হৈ পৰিল।

স্বামী বিবেকানন্দই নিৰ্ভয় হোৱাকেই সমস্ত প্ৰগতিৰ মূল বুলি জ্ঞান কৰিছিল আৰু ইয়াকো কৈছিল যে শক্তিৰ অবিহনে 'নিৰ্ভয়' হোৱাটো অসম্ভৱ। তেওঁলোকে ইয়াকো মানিছিল যে আমাৰ শাস্ত্ৰবোৰ অনন্ত শক্তিৰ স্ৰোত। উপনিষদৰ প্ৰতিটো পৃষ্ঠাতে শক্তি, কেৱল শক্তিকেই প্ৰদান কৰা যেন মই অনুভৱ কৰোঁ। বিশ্বৰ অন্য কোনো সাহিত্যতে 'অভয়' শব্দৰ ইমান প্ৰয়োগ দেখা নাযায়। অন্য কোনো ধৰ্ম্মশাস্ত্ৰতে ঈশ্বৰ বা মনুষ্যৰ বিশেষত্বৰ বিষয়ে ব্যাখ্যা কৰি তাৰ প্ৰয়োগ কৰা হোৱা নাই। মোৰ মনৰ দুৱাৰত প্ৰায়ে এখন কাল্পনিক চিত্ৰই সময়ে সময়ে আহি ভুমুকি মাৰে—যেন পাশ্চাত্যৰ মহান ভূপতি আলেকজেণ্ডাৰে ভাৰতৰ কোনো এখন তপোবনত কোনোবা এজন সন্ন্যাসীৰ সম্মুখত থিয় হৈছে। তেওঁৰ সম্মুখত থকা সন্ন্যাসীজন বিবস্ত্ৰ—একেবাৰে দিগম্বৰ। তেওঁ যেন এটা শিলৰ ওপৰত বহি আছে আৰু সম্ৰাট আলেকজেণ্ডাৰে তেওঁৰ বুদ্ধিমত্তাৰ দ্বাৰা প্ৰভাৱিত হৈ ধন আৰু সন্মানৰ লোভ দেখুৱাই তেওঁক নিজৰ দেশলৈ লৈ যাবলৈ বিচাৰিছে। সন্ন্যাসীয়ে সেই ধন আৰু সন্মানৰ প্ৰতি অৱজ্ঞা ভাৱ দেখুৱাই স্থিৰ চিত্তে বহি আছে। এনেতে সম্ৰাটে গৰ্জি উঠে—"যদি তই মোৰ লগত যাবলৈ সন্মত নহ'ৱ তেন্তে তই নিজৰ জীৱনৰ আশা এৰ।" সন্ন্যাসীয়ে হাহিলে আৰু ক'লে—"তুমি জীৱনত ইয়াৰ আগতে কেতিয়াও চাগৈ ইমান জলন্ত মিছা কথা কোৱা নাই।—কাৰণ মই আত্মা, ইয়াৰ জন্মও নাই, মৃত্যুও নাই। ইয়াৰ নাম শক্তি।" বিংশ শতাব্দীৰ ভাৰতীয় দৰিদ্ৰ নগ্ন ফকিৰজন আৰু তেওঁৰ সন্মুখত থিয় হৈ থকা ইংৰাজ সাম্ৰাজ্যৰ চিত্ৰ এখন—এইখিনি পঢ়ি উঠি আমাৰ সন্মুখত ভাহি নুঠেনে বাৰু?

এইবোৰত প্ৰতীয়মান হয় যে স্বামীজী আৰু গান্ধীজীৰ মাজত একাত্মতা আছিল। তথাপিও দুজনৰ মাজত ভিন্নতা আৰু অনুপমতাও আছিল। যদিও স্বামীজীয়ে ভাৰত আৰু ভাৰতীয় জনতাৰ সকলোবোৰ সমস্যাৰ চিন্তা কৰিছিল তথাপি তেওঁৰ মুখ্য উদ্দেশ্য আৰু কাৰ্য্য আছিল ভাৰতৰ আধ্যাত্মিক পুনৰুত্থান। তেওঁৰ বক্তৃতা, চিঠিপত্ৰ আদিত সদায়ে এই কথাকেই বাৰে বাৰে কৈছিল যে আমাৰ দেশৰ সামগ্ৰিক উন্নতিৰ আধাৰ আধ্যাত্মিক পুনৰুত্থান আৰু এই কাৰণে তেওঁ ইয়াৰ ওপৰত সৰ্ব্বাধিক মহত্ব দিছিল। সামাজিক বা অন্যান্য সংস্কাৰ ইয়াৰ আধাৰতেই হ'ব পাৰে বুলি তেওঁ কৈছিল। আনপিনে গান্ধীজীয়ে আমাৰ উন্নতিৰ মুখ্য আধাৰ আধ্যাত্মিক আৰু পৱিত্ৰ জীৱন ধাৰণাকেই মানিছিল যদিও এওঁ দেশৰ আৰ্থিক আৰু ৰাজনৈতিক উত্থানৰ আৰু অস্পৃশ্যতা আদি সামাজিক

কুৰীতিবোৰ উন্মূল কৰাত সমস্ত শক্তি লগাইছিল। স্বামীজীয়ে মন-প্ৰাণ-আত্মা আৰু আধ্যাত্মিক জীৱনৰ কথা কৈছিল; আৰু গান্ধীজীয়ে ভাৰতীয় জনতাৰ জীবনৰ প্ৰতিটো ক্ষেত্ৰতে নীতি আৰু সদাচাৰ অৱলম্বনৰ কথা কৈছিল, দেশৰ দৰিদ্ৰতা দূৰ কৰাৰ বাবে এইবোৰকেই সাধন হিচাবে জ্ঞান কৰিছিল।

উদ্দেশ্য পূৰ্ণ কৰাৰ বাবে তেওঁলোকৰ পথো ভিন্ন ভিন্ন আছিল। স্বামী বিবেকানন্দ আৰু তেওঁৰ মহান গুৰুৱে নিষ্ঠাবান শিষ্যৰ দল এটা সংগঠিত কৰিছিল। এওঁলোকে গুৰুৰ বাণী প্ৰচাৰ কৰিবৰ বাবে তেওঁলোকৰ সমস্ত শক্তিকে নিঃশেষ কৰি দিছিল। শ্ৰীৰামকৃষ্ণৰ ১৬ জন শিষ্যৰ ভিতৰত বিবেকানন্দই আছিল মুখ্যতম। সহযোগী সকলৰ সহায়ত স্বামীজীয়ে তেওঁৰ গুৰুৰ নামত এটা সঙ্ঘ স্থাপন কৰিলে। এই সঙ্ঘ বা মিশ্যন বুদ্ধ যুগৰ ভিক্ষু সংঘৰ আধুনিক সংস্কৰণ যেন আছিল। এওঁলোক সংখ্যাত কম আছিল যদিও নিজৰ সমস্ত সময় আৰু শক্তি গুৰুৰ সন্দেশ প্ৰচাৰত প্ৰয়োগ কৰিলে। এওঁলোক ব্ৰহ্মচাৰী আছিল। দৰিদ্ৰতাকে এওঁলোকে ব্ৰতৰূপে গ্ৰহণ কৰিছিল। ইয়াৰ ফল স্বৰূপে শ্ৰীৰামকৃষ্ণৰ বাণী অৰ্দ্ধ শতাব্দীৰো কম সময়ৰ ভিতৰতে কেবল ভাৰতবৰ্ষতেই নহয়—পৃথিবীৰ চুকে কোণে প্ৰসাৰিত হ'ল। যি সকলে শান্তি বিচাৰিছিল আৰু শান্তিজনিত আনন্দৰ বাবে উৎকণ্ঠিত আছিল তেওঁলোকৰ মাজলৈয়ে তেওঁৰ বাণী বহন কৰি লৈ যোৱা হ'ল। স্কুল, কলেজ আৰু আস্পতাল আদিৰ যোগেদি প্ৰেমময় ব্যৱহাৰ আৰু আকাল, মহামাৰী, বানপানীৰ সময়ত কৰা সেৱাকাৰ্য্যৰ দ্বাৰা তেওঁৰ আদৰ্শ প্ৰচাৰ কৰা হৈছিল। ৰামকৃষ্ণ মিশ্যনৰ কাৰ্য্য হ'ল—অজানিতে নিঃশব্দে সৰি পৰা এটুপি চকুলোৰ দৰে—যিটুপি চকুপানীয়ে সংসাৰৰ শুকান ফুলনিত সেউজীয়া ফুল ফুলাব পাৰে, লাখ লাখ লোকক শান্তি আৰু সুখ দিব পাৰে। কোনো প্ৰকাৰৰ ঢোল নোকোবোৱাকৈ প্ৰায় অজান ভাবেই ই মানুহৰ বাবে আনন্দৰ দুৱাৰ মুকলিকৈ ৰাখে। আনপিনে গান্ধীজী আছিল এক গতিশীল স্বতন্ত্ৰতা সংগ্ৰামৰ নেতা। এই স্বতন্ত্ৰতা সংগ্ৰাম আধুনিক বিশ্ব-ইতিহাসৰ এক সৰ্ব্ববৃহৎ আন্দোলন আছিল। লাখে লাখে লোক ইয়াত অংশ গ্ৰহণ কৰিছিল; সেই কাৰণে তেওঁৰ বাণী কেজনমান লেখৰ মানুহৰ মাজতে সীমাবদ্ধ নাৰাখি দেশৰ লাখ লাখ লোকৰ অন্তৰ গহ্বৰলৈ পঠিওৱাৰ প্ৰয়োজন আছিল। লাখ লাখ মানুহৰ ওপৰত ইয়ে প্ৰভাৱ বিস্তাৰ কৰিলে। তাৰ মাজৰ পৰা কেইহাজাৰমানক তেওঁ সঙ্গী হিচাপে বাচি ল'লে। এওঁলোকে কোনো ডাঙৰ ব্ৰত বা সংকল্প লোৱা

নাছিল। কিন্তু তেওঁলোকৰ তনু-মন স্বতন্ত্ৰতাৰ তীব্ৰ আকাংক্ষাত আলোড়িত হৈছিল—আৰু এই আকাংক্ষা পৰিপূৰণৰ বাবে সৰ্ব্বস্ব সমৰ্পণ কৰিবৰ বাবে সাহ আছিল। গান্ধীজীৰ নিঃস্বাৰ্থ আৰু পৱিত্ৰ জীৱনৰ প্ৰভাৱতে এক সাধাৰণ স্বয়ংসেৱকৰ পৰা আৰম্ভ কৰি পণ্ডিত জৱাহৰলাল নেহেৰু, ডাঃ ৰাজেন্দ্ৰপ্ৰসাদৰ দৰে ব্যক্তিও আকৰ্ষিত হৈছিল। তেওঁৰ প্ৰভাৱতে এই সকল লোক উচ্চতালৈ উধাব পাৰিছিল। ইয়াৰ দ্বাৰা ৰাজনীতিতো সদাচাৰ আৰু আধ্যাত্ম্য প্ৰৱেশ সম্ভৱ হ'ল। আজি স্বতন্ত্ৰতা প্ৰাপ্তিৰ পিছত মানুহৰ মনত এনে এটা ধাৰণা জন্মিছে যে আমি যি বিচাৰিছিলোঁ তাক পালোঁৱেই যেতিয়া, কঠিন জীৱন যাপন আৰু সৰ্ব্বস্ব ত্যাগৰ এতিয়া আৰু কোনো প্ৰয়োজন নাই। ফলতঃ স্বাৰ্থত্যাগ আৰু সেৱা ভাৱনা ক্ৰমে ক্ৰমে লোপ পাই আহিছে। যি সকলে ইয়াৰ গুণগান গাইছিল—তেওঁলোকৰ কণ্ঠ এতিয়া ক্ষীণ পৰি যাবলৈ ধৰিছে। ডাঙৰ আদৰ্শৰ চিন্তা আজি আৰু কাৰোবেই নাই। কেৱল ৱিনোবাৰ ব্যক্তিত্বখিনিয়ে নিজ গুৰুৰ বচনামৃত প্ৰচাৰ কৰি পদযাত্ৰা কৰি ঘূৰি ফুৰিছে।

এইটো ঠিক যে দুয়োজনাই আছিল দিব্য পুৰুষ আৰু দুয়োজনাই আছিল মহান। স্বামীজীৰ নাম মহান আধ্যাত্মিক দেৱদূত সকলৰ এজন হিচাপে গণ্য হ'ব আৰু বাপু মুক্তি আৰু স্বতন্ত্ৰতাৰ কাৰণে যুদ্ধ কৰা সকলৰ অন্যতম বুলি গণ্য হ'ব। তেওঁ হিংসাত্মক অস্ত্ৰেৰে যুদ্ধ নকৰি অহিংসাত্মক প্ৰেমপূৰ্ণ অস্ত্ৰেৰে যুদ্ধ কৰিলে আৰু জয় লাভো কৰিলে। এনে মহান আত্মাবোৰৰ বাণী শতিকা জুৰি ব্যাপৃত হয় আৰু এই কাৰণেই আজি তেওঁৰ শক্তিৰ সম্পূৰ্ণ জোখ-মাপ সম্ভৱ নহয়। আমাৰ দেশৰ কাৰণে অতি সৌভাগ্যৰ কথা যে আমাৰ দেশক নৱজীৱন দানৰ বাবে এনে দুই মহান আত্মা আমাৰ মাজলৈ আহিছিল। মহাপুৰুষ ঋষি আৰু সাধু-সন্তৰ অবিচ্ছিন্ন পৰম্পৰা আমাৰ দেশৰ কাৰণেতো সৌভাগ্যৰ কথায়েই—কিন্তু আজি আমাৰ এটা বস্তুৰ পৰম আৱশ্যক আৰু সি হৈছে সেইসকলৰ আদৰ্শক অনুসৰণ কৰা।

অনুবাদ—**চিত্ৰ মহন্ত**

---

# মহাত্মাৰ বাণী

আধুনিক সভ্যতাৰ বৈশিষ্ট্য হৈছে মানবৰ অভাৱ অন্তহীনভাৱে বঢ়াই নিয়া। প্ৰাচীন সভ্যতাৰ বৈশিষ্ট্য আছিল মানৱৰ এনে অভাৱবিলাক নিয়ত নিয়ন্ত্ৰণ কৰা আৰু পাৰ্য্যমানে কমাই নিয়া।

* * *

ক্ৰোধ একপ্ৰকাৰ উন্মত্ততা। এনে ধৰণৰ সাময়িক উন্মত্ততাই অতি সজ উদ্দেশ্যও ক্ষতিগ্ৰস্ত কৰে।

ভগবান বুদ্ধই কৈছিল, "ক্ৰোধক অ-ক্ৰোধেৰে জয় কৰিবা"। কিন্তু এই 'অক্ৰোধ' বস্তুটো কি ? ই এটা অস্ত্যৰ্থক গুণ আৰু ই প্ৰেম বা বদান্যতাৰ উত্তম নীতি।

মোৰো কেতিয়াবা কেতিয়াবা নিজৰ ওপৰত অতিপাত খং উঠে। কিন্তু মই এই দানবৰ কবলৰ পৰা মুক্তি পাবলৈ প্ৰাৰ্থনা কৰো আৰু ভগবানে মোক খং দমন কৰিবলৈ ক্ষমতা দিছে।

মোৰ যে খং নুঠে এনে নহয়; মই খং প্ৰকাশ পাব নিদিওঁ। খং নোহোৱা হবৰ বাবে মই ধৈৰ্য্যৰ অনুশীলন কৰো আৰু কবলৈ গলে মই কৃতকাৰ্য্য হৈছো। যেতিয়া খং উঠিব খোজে তেতিয়া মই তাক নিয়ন্ত্ৰণ কৰো।

খং আৰু অসহিষ্ণুতা প্ৰকৃত কথা বুজিবলৈ অক্ষম কৰাৰ যমজ শত্ৰু।

* * *

পিতৃ-মাতৃয়ে আটাইকেইটা সন্তানক সমানে দিব পৰা প্ৰকৃত সম্পত্তি সংচৰিত্ৰ। সংচৰিত্ৰ ইটা-চুৰ্কিৰে তৈয়াৰ কৰিব নোৱাৰি। ইয়াক তোমাৰ বাবে আন মানুহে তৈয়াৰ কৰি দিব নোৱাৰে। ইয়াক তুমি নিজ হাতে তোমাৰ বাবে তৈয়াৰ কৰিব লাগিব। অধ্যক্ষই আৰু অধ্যাপকে পুথিৰ পাতৰ পৰা তোমাক চৰিত্ৰ দিব নোৱাৰে।

চৰিত্ৰ গঠন তোমাৰ নিজৰ আত্মাৰ পৰা, তোমাৰ নিজৰ জীৱনৰ পৰা আৰু তোমাৰ অন্তৰৰ পৰা আহিব লাগিব।

জাকজমকতাপূৰ্ণ অট্টালিকা গিৰিহঁতৰ দ্বাৰা পৰিত্যক্ত হলে যিদৰে তাক ভগ্নস্তূপৰ দৰে দেখি, চৰিত্ৰহীন লোক সম্পত্তিশালী হলেও জনসমাজত সেইদৰেই পৰিগণিত হয়।

* * *

চৰিত্ৰবান লোকে যি কোনো পদতে অধিষ্ঠিত হৈ সকলোৰে আস্থাৱান হব।

* * *

বিবেকৰ বিচাৰত সংখ্যাধিক্যৰ নিয়ম নাখাটে। কাপুৰুষ লোক নৈতিক চৰিত্ৰবান হব নোৱাৰে।

* * *

এটা জাতিৰ কৃষ্টি আৰু সভ্যতা সেই জাতিৰ লোকসকলৰ অন্তৰত আৰু আত্মাত থিতাপি লয়।

* * *

## শৃঙ্খলা—নিয়মানুবৰ্ত্তিতা

যদি লৰা-ছোৱালীয়ে স্কুলীয়া কালত নিয়মানুবৰ্ত্তিতা নিশিকে তেন্তে তেওঁলোকৰ শিক্ষাৰ বাবে ব্যয় কৰা টকা আৰু সময় জাতীয় ক্ষতি।

সুশৃঙ্খলিত অলপ কেইটামান বচা বচা লোকেৰে গঠিত সৈন্যৰ দল এটাই শৃঙ্খলাহীন অগণন লোকেৰে গঠিত বাহিনী বহুতকে নিশ্চিহ্ন কৰি দিয়াৰ পটন্তৰ আছে।

শৃঙ্খলাৰ বাবে উচ্চ নীচ নাই। ইয়াৰ মূল্য বুজা ৰজা এজনেও কোনো বিষয় বিশেষত অধিকাৰ ন্যস্ত কৰা সামান্য গাৰখীয়া এটাৰ বিচাৰো মানি চলিব।

ত্যাগ, নিয়মানুবৰ্ত্তিতা আৰু আত্মসংযম নাথাকিলে কোনো মহান উদ্দেশ্য ফলবতী কৰিব নোৱাৰি। নিয়মানুবৰ্ত্তিতাবিহীন অকল ত্যাগেও আমাক আগুৱাই নিব নোৱাৰে।

ৰণক্ষেত্ৰত সমুখ সমৰলৈ আগবাঢ়ি যোৱা প্ৰকৃত সৈনিকজনে শেহত কেনেকৈ জয়লাভ কৰিব সেই সম্পৰ্কে কোনো বাদানুবাদ নকৰে। কিন্তু তেওঁ এই বিষয়ে নিশ্চিত যে যদি তেওঁৰ ভাগত পৰা সামান্য হলেও কৰ্ত্তব্যখিনি নিয়াৰিকৈ নিষ্ঠাৰে আৰু সাহসেৰে পালন কৰে তেন্তে যুদ্ধত নিশ্চয় জয়লাভ হব। আমি সকলোৱে এই মনোবৃত্তি লৈ কাম কৰিব লাগে।

আমি আমাৰ ভৱিষ্যৎ জানিব নোৱাৰো—আমাক জানিব দিয়া নহয়। কিন্তু আমাক সকলোকে এইটো জানিব দিছে—আমি আমাৰ কৰ্ত্তব্য কিদৰে ভালকৈ সম্পাদন কৰিব পাৰো। গতিকে আমি যিটো কৰিব পাৰো তাকে ভালকৈ কৰোচোন।

কোনো মহৎ আৰু স্থায়ী কাম সম্পন্ন কৰিবলৈ হলে কঠোৰ নিয়মানুবৰ্ত্তিতাৰ প্ৰয়োজন আৰু সেই নিয়মানুবৰ্ত্তিতা কেৱল তাত্বিক তৰ্ক-বিতৰ্কৰ পৰা নাইবা আমাৰ যুক্তি আৰু ন্যায়শাস্ত্ৰৰ দোহাই দিলেও আহিব নোৱাৰে।

নিয়মানুবৰ্ত্তিতা আপদ-বিপত্তিৰ পাঠাগাৰতহে শিকা হয়। এইটো যেন কোনোৱে কবৰ সুযোগ নাপায় যে আমি জাতি হিচাবে শৃঙ্খলা আৰু নিয়মানুবৰ্ত্তিতা পালন কৰিব নোৱাৰো। বিশৃঙ্খলতাই ধ্বংস আনয়ন কৰে। নিয়মানুবৰ্ত্তিতাহীনতাই বিপদ মাতি আনে আৰু মানুহক মোৰ নিচিনা কৰে—অৰ্থাৎ মই যেনেকৈ মোৰ জীবদ্দশাতে স্বৰাজৰ আশা পালি আছো অথচ এই গুণ নোহোৱা বাবে হয়তো দুখে শোকে মৰহি মৰি যাম।

আমি বাধ্যবাধকতাত নিয়মানুবৰ্ত্তিতা শিকিব নোৱাৰো নিজৰ সদস্যসকলৰ ওপৰত নিয়ন্ত্ৰণ নথকা কোনো সন্থা বা অনুষ্ঠানত আস্থা ৰখা টান। সামৰিক বাহিনী এটাই যদি উৰ্দ্ধতন কৰ্তৃপক্ষৰ আদেশ নামানে তেনে সৈন্যবাহিনী কেতিয়াবা যুদ্ধ জিকিব পাৰিব বুলি ভাবিব পাৰিনে?

সম্পাদকীয়

# ৰাষ্ট্ৰভাষা হিন্দীবিৰোধী আন্দোলন

স্বাধীন ভাৰতবৰ্ষৰ সংবিধানৰ বিধান অনুসৰি ১৯৬৫ চনৰ ২৬ জানুৱাৰীৰ পৰা হিন্দীক ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হিচাবে আনুষ্ঠানিক ভাবে ঘোষণা কৰাৰ লগে লগেই ভাৰতবৰ্ষৰ দক্ষিণ অঞ্চলত অতি অপ্ৰীতিকৰ আৰু ভয়াবহ হিন্দী-বিৰোধী আন্দোলন আৰম্ভ হ'ল। এই আন্দোলনত চৰকাৰী বেচৰকাৰী সা-সম্পত্তিৰ ক্ষতি আৰু নাশ কৰাৰ উপৰিও কেইবাজনো লোকে ভাষা উন্মাদনাত নিজ শৰীৰত প্ৰজ্জালক পদাৰ্থ প্ৰয়োগ কৰি আত্মবলি দি গ'ল। ইয়াৰ পৰিণাম হিচাবে সংবিধান-স্বীকৃত বিধান অপ্ৰযুজ্য হৈ ৰব লগীয়া হ'ল। আৰু সংবিধানৰ সপ্তদশ অধ্যায়টোৰ কাৰ্য্যকাৰিতা সম্পৰ্কে পুনৰ আলোচনা কৰিব লগা হ'ল। হিন্দী-ভাষা ৰাষ্ট্ৰভাষাৰূপে গ্ৰহণ কৰা নকৰা বা তাৰ সংশোধন কৰাৰ উপৰিও সাৰ্ব্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ মূল সংবিধানৰ পবিত্ৰ মৰ্য্যাদা ৰক্ষাৰ দৰে মৌলিক প্ৰশ্নও ইয়াৰ লগত সাঙোৰ খাই পৰিছে।

১৯৪৯ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান সভাত স্বাধীন ভাৰতবৰ্ষৰ সংবিধান ৰচনা সমাপ্ত পৰিল আৰু এই সংবিধানৰ ভিত্তিত ভাৰতবৰ্ষ সাৰ্ব্ব-ভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠা হ'ল। এই সংবিধানত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰচলিত চৈধ্যটা আঞ্চলিক ভাষাক সাংবিধানিক মৰ্য্যাদা দিয়া হ'ল আৰু হিন্দীক সৰ্ব্বভাৰতীয় ক্ষেত্ৰত ৰাষ্ট্ৰভাষা হিচাবে স্বীকৃতি দিয়া হ'ল। অহিন্দী-ভাষী অঞ্চলবিলাকে যাতে হিন্দী প্ৰবৰ্ত্তনৰ বাবে নিজকে প্ৰস্তুত কৰি লব পাৰে তাৰ বাবে সংবিধান প্ৰবৰ্ত্তনৰ পৰা ১৫ বছৰ কাল সময় দিয়া হ'ল আৰু সেই নিৰ্দ্দেশ অনুসৰি ১৫ বছৰ কাল অতিবাহিত হোৱাৰ পিছত ১৯৬৫ চনৰ ২৬ জানুৱাৰীৰ পৰা সংবিধানৰ বিধান কাৰ্য্যকৰী কৰিবৰ বাবে ঘোষণা কৰা হৈছিল। কিন্তু দুখৰ বিষয় সংবিধানৰ বিধান কাৰ্য্যকৰী কৰিব যাওঁতেই ভাৰতবৰ্ষৰ দক্ষিণ প্ৰান্তত প্ৰবল হিন্দীবিৰোধী আন্দোলন চলিল আৰু শোচনীয় ঘটনাপ্ৰবাহে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ সমূহক বিব্ৰত কৰি তুলিলে। সংবিধানৰ বিধানৰ বিৰুদ্ধে এনে অশোভনীয়

আন্দোলন চলোৱাতকৈ গণতান্ত্রিক উপায়েৰে আগেয়ে প্রয়োজন উপলব্ধি কৰি হিন্দী প্ৰবৰ্ত্তনৰ বাবে আৰু কিছুকালৰ ম্যাদ বঢ়াই লোৱাহে বাঞ্ছনীয় আছিল।

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হিচাবে হিন্দীক ১৯৪৯ চনতে সংবিধানে স্বীকৃতি দিয়াৰ উপৰিও মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ বাবে কৰি অহা আন্দোলনৰ যুগতে প্ৰায় ১৯২১ চনৰ পৰাই হিন্দীকেই স্বাধীন ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হিচাবে গ্ৰহণ কৰিবলৈ আন্দোলন কৰি অহা হৈছিল আৰু সেই যুগৰ পৰাই কোনো বিৰোধ নোহোৱাকৈ প্ৰতি প্ৰান্ততে হিন্দী শিক্ষাৰ বাবে নানা অনুষ্ঠানে সক্ৰিয়ভাবে কাম কৰি আহিছে। হিন্দী প্ৰচলন মহাত্মা গান্ধীৰ স্বাধীনতা সংগ্ৰামৰ গঠনমূলক কাৰ্য্যক্ৰমৰ এটা অন্যতম বিষয় আছিল আৰু অতি নিষ্ঠাৰে কৰ্ম্মীসকলে প্ৰতি প্ৰান্ততে, বিশেষকৈ অহিন্দীভাষী অঞ্চলবিলাকত এই কাৰ্য্যক্ৰম পালন কৰি আহিছে।

ভাৰতীয় সংবিধান সভাত ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰে সকলো ৰাজনৈতিক দলৰে নেতৃস্থানীয় লোকসকল আছিল আৰু সকলো দিশ চিন্তা কৰি সৰ্ব্বসম্মতভাবে স্বাধীন ভাৰতবৰ্ষৰ এই পবিত্ৰ সংবিধান ৰচনা কৰা হৈছিল। পৰিতাপৰ কথা আজি এই হিন্দীবিৰোধী আন্দোলনত আগভাগ লোৱা দুই এজন বিশিষ্ট নেতাও সেই সংবিধান ৰচকমণ্ডলীৰ অতি সক্ৰিয় আৰু সৰ্ব্বজনসমাদৃত সদস্য আছিল। হিন্দীক তৎকালীন ৰাষ্ট্ৰভাষা হিচাবে প্ৰবৰ্ত্তন কৰিলে অসুবিধাৰ সমুখীন হব লগা কথাটো চিন্তা কৰিয়েই প্ৰস্তুতিৰ কাৰণে এই সুদীৰ্ঘ ১৫ বছৰ সময় দিয়া হৈছিল।

এই পোন্ধৰ বছৰ সময়ৰ ভিতৰত হিন্দীক ৰাষ্ট্ৰভাষা হিচাবে গ্ৰহণ কৰিব পৰাকৈ জনসাধাৰণক প্ৰস্তুত কৰিব নোৱাৰাটো আৰু হিন্দী গ্ৰহণৰ বাতাবৰণ সৃষ্টি কৰিব নোৱাৰাটো অকল পৰিতাপৰ কথাই নহয়, ই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ সমূহৰ শিথিলতা, সিদ্ধান্তৰ অস্থিৰতা আৰু গৃহীত নীতি কাৰ্য্যকৰী কৰাৰ ব্যৰ্থতা প্ৰমাণ কৰিছে। সুস্থ আৰু দূৰদৰ্শী নেতৃত্বই সমস্যা সমাধান কৰে, সমস্যাৰ সৃষ্টি নকৰে।

দক্ষিণ ভাৰতত কিয়, আমাৰ অসমতো হিন্দী প্ৰশিক্ষণ আৰু প্ৰচাৰত যি ভাবে তৎপৰতা দেখুৱাব লাগিছিল তাৰ অভাব আৰু উদাসীনতাৰ বাবে আমাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীক আৰু জনসাধাৰণক হিন্দী শিক্ষাত যথাযোগ্যভাবে প্ৰস্তুত কৰি তুলিব নোৱাৰাৰ বাবে যদি তেনে অশোভনীয় আন্দোলন গা কৰি উঠে,

তাৰ বাবে জনসাধাৰণক দোষ দিয়াৰ উপায় নাই, এই দায়িত্ব চৰকাৰে আৰু বিশেষকৈ শিক্ষা বিভাগে বহন কৰিব লাগিব।

দক্ষিণ ভাৰতৰ অঞ্চল বিশেষত হৈ যোৱা এই অবাঞ্ছনীয় ঘটনাৰ পিচত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত হোৱা আলোচনাৰ পৰামৰ্শক্ৰমে কেন্দ্ৰীয় চৰকাৰে হিন্দীৰ লগত ইংৰাজীকো সহযোগী-ভাষা হিচাবে স্বীকৃতি দি স্বৰ্গীয় প্ৰধানমন্ত্ৰী নেহেৰুজীৰ প্ৰতিশ্ৰুতি অনুসৰি ভাষা আইন সংশোধন কৰিবলৈ লোৱা প্ৰস্তাবে নিশ্চয় অহিন্দীভাষী অঞ্চলৰ আশঙ্কা দূৰ কৰিব বুলি আশা কৰা হৈছে। শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে আৰু বিশেষকৈ কাৰ্য্যকৰী আৰু বিজ্ঞান শিক্ষাত ইংৰাজী শিক্ষা প্ৰয়োজনীয়, কিন্তু ইংৰাজী ভাষাক ৰাষ্ট্ৰভাষা হিচাবে ভাৰতবৰ্ষই নিশ্চয় গ্ৰহণ নকৰে। অৱশ্যে অহিন্দীভাষী ৰাজ্যসমূহৰ সমৰ্থনত হিন্দী ৰাষ্ট্ৰভাষা হিচাবে প্ৰবৰ্ত্তন কৰিব লাগিব আৰু যিমান সোনকালে পাৰে অহিন্দী ৰাজ্যসমূহক হিন্দী গ্ৰহণৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব আৰু চলি থাকিব দিব লাগিব। যি কেইখন অহিন্দীভাষী ৰাজ্যই ইচ্ছা কৰে তাত এতিয়াৰ পৰাই হিন্দী প্ৰবৰ্ত্তন কৰিব লাগে আৰু যাতে হিন্দীলৈ যাওঁতে অসুবিধাত নপৰে তাৰ বাবে হিন্দীৰ লগত ইংৰাজীও সমান্তৰালভাবে চলাই থাকিব লাগে।

ভাৰতবৰ্ষ বহু-ভাষাভাষী, বহু-ধৰ্ম্মাৱলম্বী লোকৰ এখন বিশাল দেশ। স্বাধীনতা সংগ্ৰাম চলি থকা সময়ত যি ঐক্য সংহতি আৰু নেতৃত্বত আস্থা আছিল এতিয়া স্বাধীনতা লাভ কৰাৰ পিচত তাৰ ঠাইত নানা বিভেদকামী আৰু ভাঙনমুখী স্বাৰ্থই পোখা মেলি দেশখনত খেলি-মেলি লগাই দিয়া দেখা গৈছে। দেশৰ ঐক্য আৰু সংহতি আজি সবাতকৈ বেচি প্ৰয়োজনীয় আৰু এই ঐক্য আৰু সংহতি ৰাখিবলৈ এটা ভাষাক ৰাষ্ট্ৰভাষা ৰূপে গ্ৰহণ কৰি প্ৰচলন কৰা একান্ত প্ৰয়োজনীয় আৰু হিন্দী ভাষাই এই স্থান লব লাগিব আৰু ইতিমধ্যে লৈছেই। হিন্দীভাষা ভাৰতীয় ভাষা আৰু এই ভাষা ৰাষ্ট্ৰভাষাৰূপে গ্ৰহণ কৰাত কোনো আঞ্চলিক ভাষাক হেয় বা অৱহেলা কৰা বুলি কোনোৱে ধৰিব নলয় আৰু লোৱাও নাই। ৰাজনৈতিক কাৰণত হিন্দীৰ বিৰোধিতাই আজি ভাৰতৰ অখণ্ডতাও বিপন্ন কৰিব পাৰে। দক্ষিণ ভাৰতৰ কোনো এটা ৰাজনৈতিক দলে ভাৰতবৰ্ষৰ পৰা ফালি যোৱাৰ নিচিনা দেশদ্ৰোহী ভাৱ প্ৰচাৰ কৰিবলৈকো কুণ্ঠা বোধ কৰা নাই। আমাৰ নেতাসকলে বহুবাৰ আশ্বাস দি আহিছে যে হিন্দী প্ৰচলনৰ দ্বাৰা অহিন্দীভাষী

লোকৰ কোনো প্ৰকাৰ হানি বা অসুবিধা হবলৈ দিয়া নহব। ভাৰতবৰ্ষৰ প্ৰথম ৰাষ্ট্ৰপতি আৰু সংবিধান সভাৰ অধ্যক্ষ ডাঃ ৰাজেন্দ্ৰপ্ৰসাদে দক্ষিণ ভাৰত ভ্ৰমণৰ সময়ত ১৯৫৫ চনত ৰাষ্ট্ৰভাষা প্ৰশ্নলৈ এইদৰে কৈছিল—"হিন্দী কোনো ঠাইতে কাৰো ওপৰত জাপি দিয়া নহয় আৰু নহবও। এই ভাষাই নিজৰ স্বাভাৱিক সামৰ্থ্যৰ দ্বাৰাহে আগ বাঢ়িব লাগিব। কিন্তু যেতিয়া আপোনাসকলে হিন্দী জাপি দিব নালাগে বুলি কোৱাৰ লগতে ইংৰাজীক 'বচি দিনলৈ কিয় সমগ্ৰ দেশৰ ওপৰতে জাপি ৰাখিব বিচাৰিছে তাকেহে মই বুজি পোৱা নাই।"

অহিন্দীভাষা ৰাজ্যৰ কোনো কোনোৱে আশঙ্কা কৰে যে হিন্দী ৰাষ্ট্ৰভাষা হলে কেন্দ্ৰীয় চৰকাৰৰ চাকৰী আদিত তেওঁলোকে এতিয়া পাই থকা ভাগ নাপাব আৰু সৰ্ব্বভাৰতীয় প্ৰতিযোগিতাৰ ক্ষেত্ৰত পিছপৰি যাব। ইয়াৰ উত্তৰত ডাঃ ৰাজেন্দ্ৰপ্ৰসাদে কৈছিল—"এনে পৰিস্থিতি কেতিয়াও হবলৈ নাপাব। এই সম্পৰ্কে সম্পূৰ্ণ বিবেচনা কৰিব লাগিব যাতে হিন্দীভাষাভাষী লোকসকলে আনতকৈ অধিক সা-সুবিধা গ্ৰহণ কৰিব নোৱাৰে। অহিন্দীভাষী হোৱা কাৰণে কোনো হানি বা ক্ষতি যাতে হব নোৱাৰে তাৰ প্ৰতি নজৰ দিয়া হব। হিন্দীক ৰাষ্ট্ৰভাষা কৰাৰ কাৰণ এইটোৱে যে সকলো দৃষ্টিকোণৰ পৰা এই ভাষাই ভাৰতৰ অধিকাংশ লোকৰ বাবে সুবিধাজনক।"

স্বৰ্গীয় প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱেও একাধিকবাৰ ভাৰতৰ জনতাক এই প্ৰতিশ্ৰুতি দিছিল যে হিন্দী কাৰো ওপৰত জাপি দিয়া নহয় আৰু যেতিয়ালৈকে অহিন্দীভাষী ৰাজ্যসমূহে হিন্দী ৰাষ্ট্ৰভাষা হিচাবে প্ৰবৰ্ত্তন হোৱাটো নিবিচাৰে তেতিয়ালৈকে ইংৰাজী সহযোগী সংযোগী ভাষা হিচাবে চলি থাকিব। গতিকে দক্ষিণ ভাৰতত হোৱা বিস্ফোৰণ প্ৰকৃত কথাটোৰ বুজাবুজিৰ অভাব আৰু ৰাজনৈতিক দলৰ অপপ্ৰচাৰৰহে পৰিণতি। আমাৰ বৰ্ত্তমান ৰাষ্ট্ৰপতি ডাঃ ৰাধাকৃষ্ণনেও এই প্ৰতিশ্ৰুতি পুনৰ দোহাৰিছে। প্ৰধানমন্ত্ৰী শাস্ত্ৰীজী আৰু স্বৰাষ্ট্ৰ-মন্ত্ৰী শ্ৰীনন্দজীও ঘোষণা কৰিছে যে অহিন্দীভাষী ৰাজ্যবোৰ যাতে কোনো অসুবিধাৰ সমুখীন নহয় তাৰ বাবে সম্পূৰ্ণ ৰক্ষাকবচ দিয়া হব। অহিন্দীভাষী ৰাজ্যসমূহে বিশেষকৈ দক্ষিণ ভাৰতৰ অঞ্চলবিলাকে এই প্ৰতিশ্ৰুতি সংবিধানৰ ধাৰাত অন্তৰ্গত কৰি সাংবিধানিক স্বীকৃতি বিচাৰিছে। জাতীয় ঐক্য আৰু সংহতিৰ স্বাৰ্থত সংবিধানৰ সপ্তদশ অধ্যায়ৰ সন্দৰ্ভতে স্বৰ্গীয় প্ৰধানমন্ত্ৰী নেহেৰুজীৰ প্ৰতিশ্ৰুতিৰ লগত সঙ্গতি ৰাখি অহিন্দীভাষী ৰাজ্যসমূহৰ আশঙ্কা দূৰ কৰিবলৈ বিধিসন্মত বিধান কৰা প্ৰয়োজনীয় হৈ পৰিছে।

ভাৰতবর্ষৰ বৰ্ত্তমান পৰিস্থিতিত সবাতকৈ প্ৰয়োজনীয় কথা হৈছে জাতীয় ঐক্য আৰু সংহতি। ইয়াৰ অবিহনে বহিঃশত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰা, পবিত্ৰ মাতৃভূমিৰ অখণ্ডতা আৰু স্বাধীনতা ৰক্ষা কৰা, আভ্যন্তৰীণ শান্তি আৰু শৃঙ্খলা অটুট ৰখা, অতি প্ৰয়োজনীয় পণ্যদ্ৰব্যৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰা, পৰিকল্পনাৰ যোগেদি দেশখন সমৃদ্ধিশালী কৰিবলৈ লোৱা আঁচনি সমূহ কৃতকাৰ্য্য কৰা আদি সমস্যাৰ সমাধান সহজসাধ্য নহয়।

১৯৫৩ চনত ৰাজ্য পুনৰ্গঠন আয়োগ নিয়োগ কৰা হ'ল আৰু এই আয়োগে ১৯৫৫ চনত প্ৰতিবেদন দাখিল কৰিলে। ৰাজ্য পুনৰ্গঠন আয়োগ নিয়োগৰ সিদ্ধান্ত যিমানেই সৎ উদ্দেশ্য প্ৰণোদিত নাথাকক, এই আয়োগ গঠনৰ পৰিণতি হিচাবে ভাৰতবৰ্ষত অসংখ্য বিভেদকামী স্বাৰ্থই পোৱালি মেলিলে আৰু পূৰ্ব্ব-প্ৰতিষ্ঠিত ঐক্য আৰু সংহতিৰ বান্ধোনত শিথিলতাই ফাঁট মেলিলে। দৃঢ় জাতীয়তাবাদ ধৃষ্ট ভাষাবাদৰ প্ৰচণ্ডতাত ম্লান পৰিব আৰম্ভ কৰিলে আৰু এই ভাষাবাদে জাতীয় ঐক্যক খণ্ড বিখণ্ড কৰাত শক্তিশালী ইন্ধন যোগালে। স্বাধীনতা লাভ কৰাৰ সোতৰ বছৰ পিছতো আৰু তিনিটা পাঁচবছৰীয়া পৰিকল্পনাৰ সামৰণি পৰাতো আজি ভাৰতবৰ্ষৰ ইখন ৰাজ্য সিখন ৰাজ্যৰ প্ৰতি বিদ্বেষভাবাপন্ন—যেন প্ৰত্যেকখন ৰাজ্য এখন স্বাধীন ৰাষ্ট্ৰহে।

আঞ্চলিক স্বাৰ্থৰ বাবে ৰাষ্ট্ৰীয় স্বাৰ্থ অৱহেলা কৰা হৈছে আৰু সৰ্ব্ব-ভাৰতীয় চিন্তাধাৰাৰ ঠাইত সঙ্কুচিত চিন্তাধাৰাই ঠাই লৈছে। সমগ্ৰ আৰু অখণ্ড ভাৰতমাতৃৰ মূৰ্ত্তি আমাৰ মনত যেন ক্ৰমে অস্পষ্ট হৈ যাব ধৰিছে আৰু তাৰ ঠাইত প্ৰাদেশিকতা আৰু আঞ্চলিকতাই ৰংৰূপহত জিলিকি উঠিছে। ভাৰতবৰ্ষৰ প্ৰতি বন্ধুভাবাপন্ন এজন বিদেশী পৰ্য্যটকে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চল ঘূৰি এই দুখজনক মন্তব্য কৰিছিল—“বিশাল ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈ মই ঘূৰিলো—মই কেবল বঙালী নাইবা পঞ্জাবী, নাইবা মাৰাঠী নাইবা তামিল লোকহে পালো— কিন্তু ভাৰতীয় লোক এজনকো নাপালো।” এই উক্তি মৰ্ম্মান্তিক হলেও সত্য আৰু বৰ্ত্তমান ভাৰতবৰ্ষৰ কৰ্ণধাৰসকলৰ বিশেষ প্ৰণিধানযোগ্য। সমস্যা সৃষ্টি নকৰি সমাধান কৰিব পৰা সুস্থ, সবল, নিৰ্ভীক নেতৃত্ব আমি কামনা কৰিছো।

*With Complements—*

# EVEREST CYCLES LIMITED

GOPINATH NAGAR
GAUHATI
ASSAM

# GANESH ELECTRIC STORES

*Govt Electrical Contractors*

SHILLONG ROAD : PANBAZAR : GAUHATI
ASSAM

# NEW BOOK STALL

PANBAZAR : GAUHATI
ASSAM

Regd. No. 4820-23৮

# নিবেদন

'গান্ধী দৰ্শন'ত প্ৰকাশ কৰিবলৈ মহাত্মাৰ জীৱনী, জীৱন-দৰ্শন আৰু সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, আন্তৰ্জাতিক আদি ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন সমস্যাবলীৰ সমাধানকল্পে জগতবাসীক দি যোৱা চিন্তাধাৰা, বিচাৰ আদি সম্পৰ্কে অসমৰ ন-পুৰণি বিজ্ঞ লিখক-লিখিকা সকলৰ পৰা সুচিন্তিত প্ৰবন্ধ-পাতি পাবলৈ গোহাৰি জনালো। প্ৰবন্ধ-পাতি সকলোৱে পঢ়িব পৰাকৈ ভাল আখৰত কাগজৰ এপিঠিত লিখি পঠাবলৈ অনুৰোধ জনালো।

সম্পাদক।